# বাজেট অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী
## তাৰিখঃ ১২/২/২০২৪ সোমবাৰ

ইংৰাজী ১২-০২-২০২৪ তাৰিখে অসম বিধান সভাৰ বাজেট অধিবেশন পূৰ্ব নিৰ্ধাৰিত সময়সূচী অনুসৰি পূৰা ৯.৩০ বজাত অনুষ্ঠিত হয়।

**মাননীয় অধ্যক্ষ ঃ** সন্মানীয় সদন, মই জনাব বিচাৰিছো যে আজি সদনৰ কাৰ্যসূচী নং ২, সদনৰ অন্য কাৰ্য্যসূচীৰ সুবিধাৰ্থে কাৰ্যসূচী নং ৪ পিছত লোৱা হৈছে, যাতে শূণ্য কালীন ঘন্টা আৰু অন্যান্য কাৰ্যসূচী সমূহ সঠিক সময় মতে চলিব পাৰে।

এতিয়া Question no. 81, সন্মানীয় সদস্য শ্ৰী জাকিৰ হুছেইন লস্কৰ।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰী জাকিৰ হুছেইন লস্কৰ, (হাইলাকান্দি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি উত্তৰটো পাইছো, কিন্তু অলপ বিসংগতি আছে। আমি দেখিবলৈ পাইছো মাননীয় মুখ্যমন্ত্ৰীৰ নিৰ্দেশ ক্ৰমে CM Vigilance ৰ দ্বাৰা তদন্ত হৈছিল যে আমাৰ বৰাকভেলিত কিছু অসাধু contractor ৰে মিজোৰামৰ পৰা false document আনি আমাৰ ৰাজ্যত revenue মাৰি থাকে। সেইটো কাৰণত মাননীয় মুখ্যমন্ত্ৰীৰ নিৰ্দেশ ক্ৰমে তদন্ত হৈছিল, তদন্তত যি report আহিল, DFO হাইলাকান্দিয়ে যি report দিলে CM Vigilance ক, তাত উল্লেখ কৰিছে যে দুটা ৰাস্তা আছিল, সেই ৰাস্তাৰ দুটাৰ ভিতৰত মিজোৰামৰ পৰা কোনো ধৰণৰ সামগ্ৰী অহা নাই।

বিভাগেও এটা reply দিলে যে ৩০ লাখ withheld money ৰাখিলে। মানে contractor জনে মিছা document submit কৰিছিল আৰু বেলেগ এটাত pile supply দিছিল, সেই pile ৰ dia আছিল ২৫ - ৩০। কিন্তু তেখেতে midgard দিছে ২৫-৩০, dia যদি ২৫-৩০ হয়, midgard কমেও ৯২- ১০০ হ'ব লাগে আৰু CM Vigilance যে তদন্ত কৰি শেষত এটা কথা কৈছে যে এইটোৰ কাৰণে তেখেতৰ ওপৰত ব্যৱস্থা ল'ব পৰা নাই। যেতিয়া contractor ৰে মিছা document দিলে, pile ৰ ঠাইত পুলচটো দিলে, ২০ টকা আৰু ৩৫০ টকাৰ royality ৰ পাৰ্থক্য। গতিকে মই আপোনাৰ জৰিয়তে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছে যে এই contractor ৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, সদনত উত্তৰ দিব যাওঁতে CM Vigilance Cell ৰ পৰা যিটো report আহিছে, তাকে আমি সদনত উত্থাপন কৰিছো। কিন্তু কথাখিনি পঢ়াৰ পিছত মোৰো মনটো অলপ ক'ৰবাত খেলিমেলি লাগি আছে যে বিষয়টো গভীৰভাৱে চোৱা হোৱা নাই। CM Vigilance ৰ SP ক মই আজি কৈ দিম আপোনাক সাক্ষাৎ কৰিব, বিষয়টো বুজিব আৰু SP য়ে নিজে অফিচত গৈ বিষয়টো পুনৰ গভীৰ ভাৱে তদন্ত কৰিব, এই প্ৰতিশ্ৰুতি মই সদনত দিছো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্ন নং ৮২, সন্মানীয় সদস্য শ্ৰী আব্দুল ৰছিদ মণ্ডল।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী আব্দুল ৰছিদ মণ্ডল, (পশ্চিম গোৱালপাৰা)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অৱগত কৰিব খুজিছো, মুখ্যমন্ত্ৰী মহোদয়ে নিজেও জানে যে আজিৰ তাৰিখতো আমি গুৱাহাটীৰ পৰা বা গোৱালপাৰাৰ পৰা পোনপতীয়াকৈ মানকাছাৰত যাব নোৱাৰো, টুৰা হৈ যাব লাগে। প্ৰশ্নটো ঠিক তেনেকুৱাই আছিল যে মানকাছৰক গোৱালপাৰাৰ লগত state highway 46 ৰ লগত কেনেকৈ যোগাযোগ সুচল কৰিব পাৰি।

উত্তৰ আহিছে, টুকুৰা টুকুৰা কৈ যিটো নেকি সন্তুষ্ট হ'ব নোৱাৰি। গতিকে মাননীয় মুখ্যমন্ত্ৰী মহোদয় যিহেতু সদনত উপস্থিত আছে, মই মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা এটা assurance বিচাৰিছো যে গোৱালপাৰাৰ পৰা মানকাছাৰলৈকে যোগাযোগ ৰাস্তা আৰু তেখেতে এদিন আমাৰ assure কৰিছিলে যে কামখিনি কৰি দিম।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিগত বিধান সভাত মানকাছাৰ সমষ্টিৰ বিধায়ক আমিনুল ইছলাম ডাঙৰীয়াই এই বিষয়টো উত্থাপন কৰিছিল। লগে লগে মই নিজে চেষ্টা কৰি ২৯ কিলোমিটাৰ পথ NESIDS ৰ ৮৩ কোটি টকা দি অনুমোদন কৰিছো, দুই এদিনতে নিবিদাও হ'ব আৰু প্ৰক্ৰিয়ামতে সোনকালে কামখিনি আৰম্ভ হ'ব। গতিকে মই ভাৰো যে এই ২৯ কিলোমিটাৰ হৈ গ'লে আমাৰ ৰাস্তাটো বহুত smooth হৈ যাব বাকী যিকেইখিনি কিলোমিটাৰ বাকী থাকিব, অহা বাৰ সেইখিনিও এখন ভাল আঁচনিত লৈ লম, যাতে গোৱালপাৰাৰ পৰা মানকাছাৰৰলৈকে without Tura আমি যাব পৰা পৰ্য্যায়ত আহিব পাৰো।

**শ্ৰী আব্দুল ৰছিদ মণ্ডল, (পশ্চিম গোৱালপাৰা) ঃ** ধন্যবাদ। ইয়াৰ পিছত আছিল যে মোৰ সমষ্টিত ২৩ কিলোমিটাৰ মথাউৰি আছিল, তাৰে phase manner ত প্ৰথম বছৰত phase ত ৩ কিলোমিটাৰ, দ্বিতীয় বছৰত phase ত ৫ কিলোমিটাৰ আৰু P&RD paver block ত ৩ কিলোমিটাৰ মুঠ ১১ কিলোমিটাৰ মথাউৰিটো ইতিমধ্যে ৰাস্তালৈ convery হৈছে। বাকী ১২ কিলোমিটাৰ যদি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কৈ দিয়ে যে হৈ যাব মই যথেষ্ট সুখী হম।

**মাননীয় অধ্যক্ষ ঃ** সন্মানীয় মুখ্যমন্ত্ৰী ।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনালোকে জানে যে মুখ্যমন্ত্ৰী মথাউৰি পকীকৰণৰ নিৰ্মাণ আঁচনিৰ অধীনত বিভিন্ন মথাউৰিৰ অসমত পকীকৰণৰ কৰাৰ কাম চলি আছে। কিন্তু মুঠ মথাউৰি অসমত প্ৰায় ৮ হাজাৰ কিলোমিটাৰতকৈও বেছি আৰু সকলো বিধায়কে বিচাৰে। গতিকে অলপ অলপ সকলো বিধায়কৰ দ্বাৰা কামখিনি আগবঢ়াইছো। ভৱিষ্যতে মোৰ মণত ইচ্ছা আছে যে ভাল প্ৰকল্প এটা World bank, বা ADB ৰ জৰিয়তে ল'ব পৰা যায়, তেতিয়া একেলগে গোটেই কাম বিলাক কৰি দিব পাৰিম। বৰ্তমান আমি পৰ্য্যায়ক্ৰমে অলপ অলপ কৰি যাব লাগিব। অহা বছৰলৈ এই আঁচনি থাকিলে আৰু ৪ কিলোমিটাৰ কৰি যায়। কিন্তু মই নিজে ভাৰো যে এইখন এখন ভাল আঁচনি। কেইদিনমান আগতে মই ডিব্ৰুগড় গৈছিলো বগীবিলৰ পৰা মাজুলীলৈ মথাউৰিৰ ওপৰেৰে আধা ঘন্টা বা ৪৫ মিনিটৰ ভিতৰত গৈ পাই যাব পৰা হৈছো। কাৰণ মথাউৰি বিলাক অলপ চিধা কৰি বনোৱা হৈছে আৰু ৰাস্তা অলপ দীঘলীয়াকৈ বনোৱা আছিল। এই আঁচনিখন আৰু অলপ আগবঢ়াই নিয়াৰ কাৰণে মোৰ ইচ্ছা আছে। কিন্তু পৰীক্ষামূলকভাৱে প্ৰথম বাৰৰ বাবে এই আঁচনিখন হাতত লোৱা হৈছিল। ১ বছৰ, ২ বছৰ চাই, যদি মথাউৰিবোৰ stable হৈ থাকে, ৰাস্তাটোৱে কামত দিছে, তেতিয়া আমি World Bank, বা ADB ৰ পৰা ডাঙৰ আঁচনি ল'ব পাৰো। এইটো চিন্তা আমাৰ চৰকাৰৰ বিবেচনাধীন হৈ আছে। কিন্তু বৰ্তমান পৰ্য্যায়ত আমি লাহে লাহে যি পুঁজি পাইছো তাৰ পৰা ২ কিলোমিটাৰ, ৩ কিলোমিটাৰ

এনেকৈ কৰি যাব লাগিব আৰু অহা বছৰলৈকে যদি ভাল প্ৰজেক্ট এটা আনিব পৰা যায়, তেতিয়া হ'লে আমি বহুবোৰ মথাউৰি ল'ব পাৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া সন্মানীয় সদস্য শ্ৰী ওৱাজেদ আলি চৌধুৰী।

**শ্ৰী ওৱাজেদ আলি চৌধুৰী, (দক্ষিণ শালমাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ যোৱা অধিবেশনত এটা প্ৰশ্ন আছিল ফুলকাতাৰী দলং সম্পৰ্কে। এইখন এখন গুৰুত্বপূৰ্ণ দলং, য'ত লাখ লাখ মানুহ অহা যোৱা কৰে। সেই দলংখন ৪ বছৰত আগত SOPD ত যিমান পইচা দিয়া হৈছিল, গোটেই পইচাৰে সেই দলংখন ধৰা হৈছিল আৰু সেইটো মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ পৰামৰ্শ অনুসৰি কৰা হৈছিল। সেই দলংখন আজি চাৰি বছৰ হৈ গ'ল, এতিয়ালৈকে আধা কামো হোৱা নাই। যোৱা অধিবেশনত মই প্ৰশ্নটো আনিছিলো আৰু মুখ্যমন্ত্ৰীৰ হৈ সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰীয়ে উত্তৰ দিছিল যে যোৱা ডিচেম্বৰ মাহত সম্পূৰ্ণ হৈ যাব। কিন্তু আজিলৈকে সম্পূৰ্ণ হোৱা নাই, চাৰি পাঁচজন শ্ৰমিকে কাম কৰি আছে। গতিকে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা আপোনাৰ জৰিয়তে জানিব বিচাৰিছো যে এই দলংখন কেতিয়ালৈকে সম্পূৰ্ণ হ'ব।

**মাননীয় অধ্যক্ষ ঃ** সন্মানীয় মুখ্যমন্ত্ৰী ।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিহেতু এই প্ৰশ্নটো আজি specifically অহা নাছিল, গতিকে উত্তৰটো মই পোনপতীয়াকৈ দিব নোৱাৰিম। কিন্তু মই আজি PWD (R) ৰ Engineer ক মাতিম আৰু বিষয়টো সুধিম আৰু পিছত সন্মানীয় সদস্য গৰাকীক ব্যক্তিগত ভাৱে উত্তৰটো জনাই দিম। দলংখন গুৰুত্বপূৰ্ণ দলং হয়, মই জানো আৰু তাক যেনে তেনে কৰাৰ কাৰণে চেষ্টা কৰিম। যদি ঠিকাদাৰজনে কাম কৰা নাই, লাগিলে আমি বদলি কৰি দিম। সদনত আমাৰ বিষয়া সকল আছে, তেওঁলোকে শুনিছে গতিকে within one week যদি ঠিকাদাৰে কাম নকৰে, আমি কামটো cancel কৰি অলপ বেছি পইছা লাগিলেও নতুনকৈ ঠিকাদাৰ দি কামটো সম্পূৰ্ণ কৰি দিম।

**শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ, মানকাছাৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী সদনত যিহেতু আছে, মই দুটামান কথা কব বিচাৰিছো, যিটো ৰাস্তাৰ কথা কোৱা হৈছে মানকাছাৰৰ পৰা শালমাৰা, জলেশ্বৰ , গোৱালপাৰা পশ্চিম, গোৱালপাৰা পূৱ, এই পাচঁটা সমষ্টিৰ connectivity road, অসম মালাত যদি এই road মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে দিয়ে, তেতিয়া হ'লে আমি মেঘালয়লৈ নোযোৱাকৈ অহা যোৱা কৰিব পাৰো। নহ'লে আমাৰ জিলাৰ অসমৰ লগত কোনো connectivity নাই। অসম মালাত পৰ্য্যায়ত ৫ খন জিলাৰ ৩ খন জিলা হৈ দক্ষিণ শালমাৰ, ধুবুৰী, গোৱালপাৰা connectivity কৰিলে, ৫ খন জিলাৰ connetivity হ'ব। এই বিষয়ৰ ওপৰত মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** সন্মানীয় মুখ্যমন্ত্ৰী ।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম মালা ২ আঁচনি সমূহ ইতিমধ্যে চুড়ান্ত কৰিছো আৰু আজি বাজেটৰ সময়ত ৰাস্তাৰ তালিকা পাব। অসম মালা ২ ত যদি অৰ্ন্তভুক্ত হোৱা নাই, অসম মালা ৩ ৰ কাৰণে চেষ্টা কৰিব লাগিব বা NESIDS আদি বেলেগ আঁচনিত দিব লাগিব। আপোনালোকৰ যিটো অনুৰোধ, সেইটো এখন কাগজত লিখি মোক দি দিব, মই ৰাখি থৈ দিম এই বছৰ নহ'লেও পৰবৰ্তী সময়ত চেষ্টা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া প্ৰশ্ন নং ৮৩, সন্মানীয় সদস্য শ্ৰী কমলক্ষ্য দে পুৰকায়স্থ।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, উত্তৰ কৰিমগঞ্জ ঃ** মাননীয় অধ্যক্ষ মহোদয়, গৃহমন্ত্ৰী; মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ উত্তৰটো পালো। উত্তৰত ভিতৰৰ কথাখিনি ওলাই গৈছে অধ্যক্ষ মহোদয়। এটা কথাৰ লগত আন এটা কথাৰ কোনো মিল নাই। আমাৰ Final NRC ২০১৯ ৰ ৩১ আগষ্টত প্ৰকাশ পাইছিল। যদিও তাতে দেখুওৱা হৈছে যে NRC ৰ চুড়ান্ত লিষ্ট তাত প্ৰকাশ পোৱা নাই। আজি ২৭ লক্ষৰ অধিক মানুহ এই biometric আৰু NRC ৰ কাৰণে আধাৰ কাৰ্ডটো প্ৰকাশ পোৱা নাই। অধ্যক্ষ মহোদয়, কেনেকুৱা অৱস্থা, এই বিধান সভাতে বাৰ বাৰ উত্থাপন কৰিছো। আপুনি Affiars Minister ৰক লৈ মিনিষ্টাৰ সকলৰ কমিটি এখন বনাই দিছিলে। সেইখন office memorandun বুলি কোৱা হৈছে। আজি অধ্যক্ষ মহোদয়, এনেকুৱা এটা অৱস্থা হৈছে যে চাকৰিত apply কৰিব পৰা নাই। ৰেচন কাৰ্ডো পোৱা নাই এনেকুৱা এটা বিভীষিকাৰ পৰিৰেশ হৈছে। মোৰ কথাটো হৈছে অধ্যক্ষ মহোদয়, মই simple কথা এটা ক'ব বিচাৰিছো। ৰাম আমাৰ যুগ পুৰুষ, ৰাম সত্য, এটা সংস্কৃতিৰ প্ৰতীক, নিষ্ঠাৰ প্ৰতীক। এই যে ৰামভক্ত যিবিলাক আছে, ৰামভক্ত বিলাকৰ কিন্তু আধাৰ কাৰ্ড নাই। ৰামভক্ত সকল আজিৰ দিনত বঞ্চিত হৈ আছে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম কেতিয়া এই আধাৰ কাৰ্ডটো পাব, এইটো মই অনুৰোধ জনাইছো।

**ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় মুখ্যমন্ত্ৰী (অসম) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰাজভক্ত সকলৰ কাৰণে চৰকাৰে কিবাকিবি কৰি আছে। তাৰ ভিতৰতে আধাৰ কাৰ্ডো হৈ যাব। তেতিয়া যাতে আপোনাৰ ওচৰে-পাজৰে বহি থকা মানুহখিনিয়ে ৰামভক্ত বিলাকৰ যাতে বিৰোধিতা নকৰে। গতিকে মই ইংগিততে কথা ক'লো। আপুনি ইংগিততে বুজি লওঁক। সমস্যাটো হ'ল যে, যেতিয়া ৰামভক্তৰ কাৰণে কিবাকিবি কৰা হ'ব সমস্যাটো সমাধানৰ কাৰণে, তেতিয়া আপোনাৰ সোঁৱে-বাৱে থকা মানুহখিনি আপত্তি আৰম্ভ কৰিব। গতিকে সেইটো যাতে নকৰে , সেইটো advance মই অনুৰোধ কৰিছো। এতিয়া মই উত্তৰটোলৈ আহিম। অধ্যক্ষ মহোদয়, Supreme Court ৰ যেতিয়া draft NRC ৰ পৰ্য্যায়ত আছিল ২৭ লাখ মানুহৰ biometric তেওঁলোকে সংগ্ৰহ কৰিবলৈ নিৰ্দেশ দিছিলে আৰু আমি biometric খিনি সংগ্ৰহ কৰো। সংগ্ৰহ কৰাৰ পিছত Supreme Court য়ে ১৩-০৮-২০১৯ তাৰিখে এটা নিৰ্দেশ দিয়ে যে এই দাতাবিলাকৰ সংৰক্ষণ হ'ব লাগিব আৰু এই সংৰক্ষণ হোৱাৰ পিছত যিসকলে NRC ত নাম সোমাব, তেওঁলোকে আধাৰ কাৰ্ড ঘুৰাই পাব, যিসকলৰ নাম সুমোৱা নাই, তেওঁলোকে Tribunal ৰ judgement ৰ পাছত আধাৰ কাৰ্ডসমূহ পাব। এই সিদ্ধান্ত খিনি হোৱাৰ পিছত ভাৰত চৰকাৰৰ RGI য়ে NRC খন notify কৰিব লাগে যাতে next step লৈকে আমি যাব পাৰো। কিন্তু এই পৰ্য্যন্ত ভাৰত চৰকাৰে ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীখন আনুষ্ঠানিভাৱে notify কৰা নাই। গতিকে আমি জানো যে, NRC হৈ গ'ল কিন্তু এটা প্ৰক্ৰিয়া হৈ গ'ল যিটো final প্ৰক্ৰিয়া, য'ত নেকি NRC খন ৰাষ্ট্ৰপতিৰ অধ্যাদেশ বা অৰ্ডাৰত notify হ'ব লাগে, notify হোৱা নাই। যেতিয়া notify হোৱা নাই আৰু এটা লগতে কৈছিল যে তথ্য নিৰাপত্তাৰ ব্যৱস্থা কৰিব লাগে আৰু যিখিনি technology আছে, সেইখিনি দি আমি তথ্য নিৰাপত্তা কেনেকৈ কৰিব পাৰো, তাকো আমি ভাৰত চৰকাৰক জনাইছো। দুয়োটা বিষয় ভাৰত চৰকাৰৰ বিবেচনাধীন হৈ আছে। ইয়াৰ ভিতৰত আমি এখন Cabinet Committe গঠন কৰিছিলো। Cabinet Committee খনে সদৌ অসম ছাত্ৰ সন্থাকে ধৰি বিভিন্ন দল সংগঠনৰ লগত কথা পাতি আমাক এটা সিদ্ধান্ত দিছিল যে যি মূহুৰ্তলৈকে NRC খন চুড়ান্ত নহয়, অন্ততঃ চূড়ান্ত NRC ত নাম থকা মানুহখিনি আধাৰ কাৰ্ড দিব পাৰো। অৰ্থাৎ ২৭ লাখ মানুহৰ ভিতৰত প্ৰায় ১৭ লাখ মানুহে আধাৰ কাৰ্ড পোৱাও এটা যোগ্যতা থাকেগৈ।

কিন্তু বিষয়টো যেতিয়া supreme court লৈকে যায়, supreme court য়ে আধাৰ কাৰ্ডৰ পৰা বঞ্চিত হোৱা আবেদনকাৰী সকলক সকাহ দিবলৈ কেন্দ্ৰীয় চৰকাৰক দায়িত্ব দিয়ে আৰু কেন্দ্ৰীয় চৰকাৰে এখন Office Memorandum উলিয়ায়। কিন্তু তাৰ পাছতো মই সদস্য গৰাকীৰ লগত একমত। মই দেখিছো যে মানুহখিনি উপকৃত হ'ব লাগিছিল, উপকৃত হোৱা নাই। মই ইমানেই ক'ব পাৰো যে, লাহে লাহে এই বিষয়টো আমি সমাধানৰ ফালে লৈ আনি আছো আৰু বিভিন্ন কথা মই সদনৰ মজিয়াত ক'ব বিচৰা নাই। কিন্তু মই ভাৱো যে ৰামভক্তয়েই হওঁক বা যিসকল ভাৰতীয় নাগৰিক বা ভাৰতীয় নাগৰিক হোৱাৰ যোগ্যতা আছে, এই ব্যক্তিসকলৰ সমস্যাটো সমাধান কৰাৰ বাবে আমি তৎপৰ আৰু খুব সোনকালে এইটো সমাধান কৰা হ'ব বুলি মই আশা কৰো। কিন্তু এতিয়া যদি মোক details সোধে, details মইও ক'ব পৰা অৱস্থাত নাই। কাৰণ আমাৰ বহুত informal discussion ভাৰত চৰকাৰৰ লগত চলি আছে আৰু লাহে লাহে মই অনুভৱ কৰিছো যে বিষয়টো আমি শেষ পৰ্য্যায়লৈকে আনিছো। কিন্তু সদস্য গৰাকীৰ লগত মই একমত যে মানুহখিনিয়ে যথেষ্ট কষ্ট খাই আছে আৰু তাৰ লগত মইও একমত। কিন্তু উচ্চতম ন্যায়ালয়ৰ বিৰোধিতা কৰি বা উচ্চতম ন্যায়ালয়ৰ বাহিৰত গৈ আধাৰ কৰ্তৃপক্ষক ক'লেও আধাৰ কেইখন দি নিদিয়ে। গতিকে বিষয়টো লৈ final call উচ্চতম ন্যায়ালয়, উচ্চতম ন্যায়ালয়ৰ পৰা আমি কিবা পাওঁ বা নাপাওঁ তাৰ আগতেই এই সমস্যাটো সমাধানৰ কাৰণে ব্যাপক চিন্তা-চৰ্চা কৰি আছে আৰু মই শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াক ধন্যবাদ জনাইছো যে এই প্ৰচেষ্টা অংশ হিচাপে ৰামভক্ত সকলে যদি কিবা সুবিধা পায়, তাত যাতে আপোনালোকে বিৰোধিতা নকৰে।

**ড° ৰফিকুল ইছলাম, (জনীয়া) ঃ** তাতে ৰহিম ভক্ত আৰু যীশুভক্তটো লগাই ল'ব লাগে।

(সদনত হুলস্থূল)

**শ্ৰী জকিৰ হুছেইন লস্কৰ ঃ** এইবোৰ secular party.

(সদনত হুলস্থূল)

**মাননীয় অধ্যক্ষ ঃ** Please. এইটো প্ৰশ্নকৰ্তাক ক'বলৈ দিয়ক। Hon'ble Member, don't disturb. কিয় disturb কৰে। তেখেতে তেখেতৰ কথা কৈছে। Please. ৰামভক্তৰ কথাহে কৈছে, বেলেগৰ কথা কোৱা নাই।

(সদনত হুলস্থূল)

**মাননীয় অধ্যক্ষ ঃ** Please, sit down. Please sit down. ইয়াত secular প্ৰশ্ন অহা নাই। ৰামভক্ত কোনোবা মানুহৰ কথা কৈছে Please sit down. আপোনালোকে কিয় সকলো কথাতে লাগি থাকে বহক। জাকিৰ হুছেইন লস্কৰ বহক।

**শ্ৰীদেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি, নাজিৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতসকলক অন্য device ত কথাখিনি আনিবলৈ দিয়ক। এতিয়া প্ৰশ্ন শিতান disturb কৰিবলৈ নিদিব।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা supplementary আছে।

**মাননীয় অধ্যক্ষ ঃ** Very unfortunate. এনেকুৱা আমি যিকোনো কথা, কোনোবাই কিবা ক'লে এইটো কব লাগে, এইটো ক'ব লাগে,আচলতে ক'ব নালাগে। মাননীয় সদস্যই কোনোবা ৰামভক্তৰ কথা কৈছে, অইনৰ কথা কোৱা নাই। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এই reference ত

এইটো নাম লৈছে। ইয়াত লাগিবলৈ কি আছে। কোনোবা ৰামভক্ত হওঁক, হৰিভক্ত হওঁক, কিবা ভক্ত হওঁক, তাত লাগিবলৈ কি আছে?

(সদনত হুলস্থুল)

**শ্ৰী জাকিৰ হুছেইন লস্কৰ ঃ** তেখেত secular leader. তেখেত বৰাকত যোৱাৰ পাছত secular leader হয়। ইয়াত ৰামভক্তৰ কথা কৈছে।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** Secular আপোনালোক হয়। আমি secular নহয়।

(সদনত হুলস্থুল)

**माननीয় অধ্যক্ষ ঃ** মাননীয় সদস্য শ্ৰী জাকিৰ ডাঙৰীয়া আপুনি বহক। সদায় কেৱল যুদ্ধই লাগি থাকিব নেকি? প্ৰশ্ন এটা মানুহৰ সমস্যাক লৈ কৰিছে। তাকে লৈ আপোনালোকে নিজৰ মাজত লাগি আছে। আপুনি বেলেগ ভক্তৰ কাৰণে ক'ব পাছত। বহক। যিয়ে যাৰ ভক্তৰ কাৰণে ক'ব বিচাৰে, নিজৰ ক্ষেত্ৰত কওঁক। বাহিৰত কওঁক।

(সদনত হুলস্থুল)

**মাননীয় অধ্যক্ষ ঃ** Not in house. আপোনালোকে বাহিৰত কওঁক। Hon'ble member Please don't disturb. মোক complete কৰিব নালাগে বিহীত ব্যৱস্থা ল'বৰ কাৰণে। Don't compel me at action on you. Don't compel me.

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** চাৰ, এটা কথা। মই ৰামভক্তৰ কথা কৈছো। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ভাল কথা কৈছে। সংবিধান মতে হ'ব সেইটোৱে বিচাৰো। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ এইটো কথা clear হৈ গৈছে।

**মাননীয় অধ্যক্ষ ঃ** এইটো বুজাই থাকিব নালাগে।

(সদনত হুলস্থুল)

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নটো ৰামভক্তৰ আছিল কাৰণে মই ৰামভক্তৰ কথা কৈছো । ৰহিমভক্ত বা যিচুভক্তৰ কথা ক'লে মই সেই বিষয়েও উত্তৰ দিম। অধ্যক্ষ মহোদয়, কথাটো ঠিকে আছে মই এটা উত্তৰ দিব খুজিছো যে, সমস্যাটো সমগ্ৰ দুখীয়া মানুহৰ। এই সমস্যা এনেকুৱা নহয় যে কোনোবা হিন্দু, মুছলমান বা খ্ৰীষ্টানৰ। এতিয়াও আমি বহু মানুহক বিনামূলীয়া চাউলটো আধাৰ কাৰ্ড নোহোৱা বাবে দিব পৰা নাই । আমি কিছুমান ক্ষেত্ৰত ৰাজনীতি কৰো কিন্তু কিছুমানত তো ৰাজনীতি নাই । এই বিষয়টো লৈ মোৰ অন্তৰখনো বৰ দুখিত হৈ আছে । কমলাক্ষ দে পুৰকায়স্থই কিবা টো মন লৈ প্ৰশ্ন এটা কৰিছে সেইটো ইমান চিৰিয়াচলি ল'ব নালাগে। কিন্তু সমস্যাটো আমি সকলোৱে হৈ সমাধান কৰিব লাগিব। বৰ্ত্তমান যি দহ লাখ মানুহৰ নাম চুড়ান্ত এন আৰ চিত প্ৰকাশ নহ'ল তেওঁলোকক হয়তো আমি সুবিধা দিব নোৱাৰিম।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া জাকিৰ হুছেইন সিক্‌দাৰ।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** মোৰ আৰু এটা ক'ব লগীয়া আছিল অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষ ঃ** প্লিছ- বহক এইটো হৈ গ'ল আৰু ক'ব লাগে । এইটো কোৱেশ্বন আৰাৰ আৰু চাপ্লিমেন্টৰী আনিব নালাগে ।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)ঃ কেৱল এটা কথা অধ্যক্ষ মহোদয়।**

**(সদনত হুলস্থুল)**

**माननीय অধ্যক্ষ ঃ** কোৰেশ্বনাৰে কোৰেশ্বন কৰি আছে হৈ গ'ল। নো চেন্টেছ বহক । মই কি সকলোকে চাচপেনশ্যন কৰি কৰি হাউচ চলাব লাগিব নেকি । প্লিছ বহক। অনাৰেবল মেম্বাৰ আপুনি কওঁক ।

**শ্ৰীজাকিৰ হুছেইন সিক্দাৰ, (সৰুক্ষেত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী ডাঙৰীয়াই আধাৰ কাৰ্ডক লৈ তেখেতে উত্তৰ দিছে । এই পবিত্ৰ বিধান সভাত এন আৰ চিক লৈ বহুবাৰ আলোচনা হৈ গৈছে । লাখ লাখ মানুহৰ আধাৰ কাৰ্ড বন্ধ হৈছে ইয়াক লৈও বিধান সভাত আলোচনা হৈছে । এই বিষয়ে ৰাজ্য চৰকাৰে বহুবাৰ স্পষ্টীকৰণ দিছে যে ইয়াক লৈ কোনো ধৰণৰ অসুবিধা নহয় । কিন্তু তাৰ পিচতো বহু ডিপাৰ্টমেন্টত গৈ মানুহখিনি হাৰাশাস্তি হৈছে । মই আপোনাৰ জৰিয়তে মাননীয় মুখ্যমন্ত্ৰীৰ প্ৰতি আহ্বান জনাম যে, এই সদনৰ পৰা সমূহ বিষয়া কৰ্মচাৰী লৈ নিৰ্দেশ প্ৰদান কৰিব লাগে যে এন আৰ চিৰ ক্ষেত্ৰত যিসকলৰ আধাৰ কাৰ্ড হোৱা নাই তেখেতসকল যাতে কোনো কাৰণতে বঞ্চিত হ'ব নালাগে আৰু অসুবিধাত পৰিব নালাগে ।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে অনাৰেবল চীফ মিনিষ্টাৰ।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্য চৰকাৰৰ আঁচনিৰ ক্ষেত্ৰত আধাৰ নহ'লেও কাৰো অসুবিধা নহয় আমি এনচিওৰ কৰিছো। কিন্তু কেন্দ্ৰীয় চৰকাৰৰ ফৰ্মবিলাকত আধাৰ নম্বৰটো লিখাৰ **বাবে** থাকে সেই কাৰণে যিমানে আমি নিৰ্দেশ নিদিওঁ কিয় আধাৰ নোহোৱা মানুহখিনিয়ে ক'ৰবাত নহয় ক'ৰবাত বাধাৰ সন্মুখীন হৈ আছে। আনকি বিনামূলীয়া চাউলখিনিও বহু আধাৰ নোহোৱা মানুহক আমি দিব পৰা নাই । এই বিষয়টো আজি যিধৰণে বিধান সভাত কোৱা হৈছে তাৰ লগত ময়ো একমত । কিন্তু উচ্চতম ন্যায়লয়ৰ নিৰ্দেশ থাকিলে ৰাজ্য চৰকাৰে বহু কাম কৰি**ব** বিচাৰিলেও কৰিব নোৱাৰে । তাৰ কাৰণে মই ভাৰত চৰকাৰৰ লগত অনানুষ্ঠানিকভাৱে কথা বতৰা পাতিছো আৰু আনুষ্ঠানিকভাবে**ও** চিঠি লিখিছো । শেহতীয়াকৈ সমস্যাটোৰ সমাধানৰ অলপ আশা দেখিছো। **এই বিষয়টো লৈ ময়ো অলপ সংবেদনশীল সহানুভূতিশীল আৰু মোৰ ফালৰ পৰা চেষ্টা কৰি আছো । কিন্তু কিছুমান কাম আমি চেষ্টা কৰিলেও নহয় । কাৰণ উচ্চতম ন্যায়ালয়ৰ নিদেৰ্শনাৰ বাবে আমি বহু কাম কৰিব নোৱাৰো । কাৰণ তেওঁলোকৰ এটা নিজস্ব চিন্তাধাৰা আছে । এটা সময়ত প্ৰয়োজন হ'লে আমি উচ্চতম ন্যাযালয়ৰ কাষ চাপিব লাগিব। কিন্তু বৰ্তমান এই বিষয়ত ভাৰত চৰকাৰে কিছু প্ৰচেষ্টা চলাইছে । মই ভাবো যে তাত হয়তো আমি কিছু ফল দেখিবলৈ পাম । সম্পূৰ্ণ ফল পাবলৈ হ'লে আমি আৰু অধিক চেষ্টা কৰিব লাগিব।**

**মাননীয় অধ্যক্ষ ঃ ধন্যবাদ , কোৰেশ্যন নং-৮৪ শ্ৰীৰূপছিং টেৰণ ।**

**শ্ৰীমতী নন্দিতা গাৰ্লোছা,মন্ত্ৰী, শক্তি বিভাগ ইত্যাদি ঃ** Ho'ble Speaker Sir, the answer is laid in the House .

**শ্ৰীৰূপছিং টেৰণ, বৈঠালাংছু ঃ মাননীয় অধ্যক্ষ মহোদয় , মই এটা কথা ক'ব বিচাৰো যে, মোৰ সমষ্টিৰ চাৰিটা ব্লকত ইলেকট্ৰিফিকেশ্যনৰ যিটো কাম আছিলে, তাৰে চিনথং আৰু চৈচেং এই দুটা ব্ল'কত ইলেক্ট্ৰিফিকেশ্যনৰ কামটো যিমানখিনি হ'ব লাগিছিল সিমানখিনি হোৱা নাই । এই কামখিনি সোনকালে সম্পূৰ্ণ কৰাৰ বাবে পবিত্ৰ সদনত অনুৰোধ কৰিব বিচাৰিছো ।¯ ইয়াৰ লগতে মই ডিমাণ্ড কৰিব বিচাৰিছো যে, পশ্চিম কাৰ্ব্বি আংলঙত ডিষ্ট্ৰিকত ডিভিজন অফিচ নাই । বৰ্ত্তমান হাওৰাঘাট ডিভিজনৰ পৰা কনট্ৰ'ল কৰি আছে । মই অনুৰোধ কৰিছো যে চেপাৰেট এটা ডিভিজন অফিছ ইয়াত লাগে । আৰু এটা হ'ল উলুকুঞ্চু ১০০ কি.মি দূৰ মোৰ তাৰ পৰা। গতিকে তাতো এটা চাব ডিভিজন অফিচ লাগে । আগেতে মই ডিমাণ্ড কৰিছিলো কিন্তু এতিয়াও তাত হোৱা নাই । আৰু এটা কথা হৈছে ৩৩ কে.ভি.এ পাৱাৰ চাব ষ্টেশ্যন মোৰ সমষ্টিৰ পৰা বহু দূৰত আছে, সেই**

কাৰণে মই ৫ টা ঠাইত পাৱাৰ চাব ষ্টেশ্যন স্থাপন কৰিবলৈ মই ডিমাণ্ড কৰিছো। সেই ঠাইখিনি হ'ল জিৰগেন্দাই, খানডেলী, উনাফেৰ আৰু ভকচং । জিৰগেন্দাই আৰু খানডেলী বৰ্ডাৰ এলেকা । বেচিকেলী মেঘালয় বৰ্ডাৰ এলেকাত যিটো ইলেক্ট্ৰিফিকেশ্যন হ'ব লাগে হোৱা নাই তাৰ বাবে তাত প্ৰব্লেম হৈছে । গতিকে মই সদনত যিটো দাখিল কৰিছো সেইটো যদি আমি অতি সোনকালে কৰি সমস্যা সমাধান কৰিব পাৰো তাকে কামনা কৰি মোৰ বক্তব্য সামৰণি মাৰিছো ।

মাননীয় অধ্যক্ষ ঃ অনাৰেবল মিনিষ্টাৰ ।

শ্ৰীমতী নন্দিতা গাৰ্লোছা ,মন্ত্ৰী শক্তি ইত্যাদি ঃ Under 20 Baithalangso LAC according to defination of the electrification of ministry of power it has been electrified however, some newly established households in some habitations yet to be electrified. With the proposal for electrification of six thousand seven hundred and ninety one houses -households under 20 Baithalangso LAC have been included in the DPR project of the revamp distribution scheme under the ministry of power govt. of India. So, the proposal has already been submitted to the ministry of power, govt. of India for approval as soon as the approval for the DPR is received the works will be started. thank you.

মাননীয় অধ্যক্ষ ঃ ধন্যবাদ , কোৱেশ্যন নং-৮৫ শ্ৰীচৰণ বড়ো ।

ড°হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে ।

**শ্ৰীচৰণ বড়ো, (মাজবাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা ক্লিয়েৰ হ'ব বিচাৰিছো। মোৰ সমষ্টিত মই ৫ খন উডেন ব্ৰীজ কনৰ্ভাশ্যন কৰিবলৈ প্ৰপোজেল দিছিলো। ইয়াৰ ভিতৰত ৪ খন

আণ্ডাৰ প্ৰচেচত আছে। চেণ্ডাৰ হৈ আছে বুলি কৈছে । এই কথাটো মই অফিচৰ জড়িয়তেও গম পাইছিলো। কিন্তু ৫ খন ব্ৰীজৰ ভিতৰত ২ খনহে উডেন ব্ৰীজ আছে বাকী ব্ৰীজ গেপটো আছে । গতিকে ডিপাৰ্টমেন্টে চাৰ্ভে কৰি প্ৰায়োৰিটি কি ধৰণে দিলে গ'ম নাপালো । উডেন ব্ৰীজটো যিহেতু প্ৰয়োজন আৰু গৰ্ভমেন্টৰো প্ৰায়োৰিটি যে উডেন ব্ৰীজটো প্ৰথমে কনৰ্ভাশ্যন কৰিব লাগে । গতিকে এই হিচাপে উডেন ব্ৰীজটো প্ৰায়োৰিটি পালে বেছি সুবিধা হ'লহেঁতেন । আৰু যিহেতু এইবিলাক প্ৰপোজেল দিয়া আমাৰ দুই বছৰ পাৰ হৈ গ'ল ক'ৰবাত নহয় ক'ৰবাত ডিপিআৰ বা চাৰ্ভে হওঁক অলপ লেহেমীয়া হৈছে নেকি এইটো মই আপোনাৰ জৰিয়তে মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** অনাৰেবল চীফ মিনিষ্টাৰ ।

ড°হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই যি ধৰণে বুজিছো মাজবাট সমষ্টিত ৫ খন উডেন ব্ৰীজ আছে । তাৰে ৪ খন ব্ৰীজ এইবাৰ আমি ইনক্লুড কৰিছো কনৰ্ভাশ্যনৰ কাৰণে । আৰু এখন আমি কৰিব পৰা নাই । ইয়াৰ ভিতৰত – In Majbat constituency under the World Bank funded Assam resilient rural bridge programme - four numbers of wooden bridges are taken for conversion into RCC bridge. Out of this four bridges tender invited for Daigola - Fakidiya,

and tectnical evaluation is under process for the same. Second is Palasbasti to Takelibil villege. Third is bridge no-2 by one on Pachim Aminpara. no-3 is bridge- 4 by one of Akerbari to Aminpara. **এই চাৰিখনৰ এখন টেণ্ডাৰ হৈছে - তিনিখনৰ ডিপিআৰ বনাই থকা হৈছে। ইয়াত দেৰি হোৱাৰ মূল কাৰণ হ'ল যিহেতু এচ ও পি ডিৰ পৰা কাম লোৱা হোৱা নাই । ৱৰ্ল্ড বেংকৰ পৰা লোৱা হৈছে আৰু ৱৰ্ল্ড বেংকৰ প্ৰক্ৰিয়াত দুই বছৰৰ পৰা তিনি বছৰ টেণ্ডাৰ পৰ্য্যায়ত যাবৰ কাৰণে সময় প্ৰয়োজন হয়। এইবাৰ প্ৰথম টেণ্ডাৰ ওলাইছে, কিছু ব্ৰীজ আমি দুই এদিনতে চেটেল কৰিম। বাকী ব্ৰীজখিনি - চাৰি হাজাৰ কোটি টকাৰ এই গোটেই ব্ৰীজখিনি টেণ্ডাৰ প্ৰক্ৰিয়া কৰোতে আৰু চেটেল কৰোতে এনাদাৰ চিক্স মান্থ টু ওৱান ইয়েৰ যাব। কিন্তু মাজবাটৰ ব্ৰীজখিনি যাতে সোনকালে হৈ যায় মই কথা পাতিম কিন্তু নাম এই চাৰিটাই থাকিব । যিখন আমি কৰিব পৰা নাই, ভবিষ্যতে বিধায়ক ডাঙৰীয়াই এচ ও পি ডি ইত্যাদিত দিলে আমি বিবেচনা কৰিম ।**

মাননীয় অধ্যক্ষ মহোদয়, মাজবাটৰ ব্ৰীজখিনি যাতে সোনকালে হৈ যায়, তাৰ বাবে কথা পাতিম। কিন্তু নামকেইটা এই চাৰিখন আৰু এখন আমি কৰিব পৰা নাই। সেইখন আমি ভৱিষ্যতে মাননীয় বিধায়ক ডাঙৰীয়াই SOPD আদি দিলে আমি বিবেচনা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ আৰু কিবা ক'বলগীয়া আছে নেকি?

**শ্ৰী চড়ণ বড়ো, (মাজবাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই নামকেইটা গম পোৱা নাছিলো। মই অফিচৰ পৰা বেলেগ কিছু নাম গম পাইছিলো। এতিয়া যিহেতু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ক'লে, মোৰ স্পষ্ট হৈ গ'ল।

**শ্ৰী ভাস্কৰ জ্যোতি মহন্ত, (তিতাবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ তিতাবৰ সমষ্টিত তিনিখন কাঠৰ দলং আছিল। যোৱাবছৰেই এই তিনিওখন কাঠৰ দলঙৰ নিবিদা প্ৰক্ৰিয়া সম্পূৰ্ণ হ'ল। কিন্তু এতিয়ালৈকে গুৰুত্বপূৰ্ণ দলং কেইখনৰ আৱণ্টন হোৱা নাই আৰু মই জানিব বিচাৰিছো কেতিয়ালৈকে হ'ব। দলং কেইখনৰ নাম হৈছে-বানচাচুকৰ মণিকাঞ্চন দলং, খৰিকটীয়া দলং আৰু তামুলবাৰী দলং।

**মুখ্যমন্ত্ৰী (অসম) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নটো যিহেতু স্পেচিফিকেলি মাজবাটৰ আছিল, সেইকাৰণে তিতাবৰ সমষ্টিৰ প্ৰশ্নটোৰ সঠিক উত্তৰ মোৰ লগত নাই। সদনত মুখ্য অভিযন্তা আৰু আয়ুক্ত আছে, প্ৰশ্ন শিতানৰ পিছত তেখেতসকলে মাননীয় বিধায়ক মহোদয়ক সাক্ষাৎ কৰি ষ্টেটাচটো জনাই দিব। কাৰণ ইমান দলংৰ কাম চলি আছে, সেয়েহে মোৰ হাতত তথ্য নাই।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্ন নং-৮৬। শ্ৰী মজিবুৰ ৰহমান ডাঙৰীয়া, তেখেত অনুপস্থিত। এতিয়া প্ৰশ্ন নং-৮৭। শ্ৰী ৰূপেশ গোৱালা ডাঙৰীয়াই কওঁক।

**মুখ্যমন্ত্ৰী (অসম) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰী ৰূপেশ গোৱালা, (ডুমডুমা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ডুমডুমা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা যথেষ্ট বৃদ্ধি হোৱাৰ পিছত ২০২০ চনতে বৰ্তমানৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয় শিক্ষামন্ত্ৰী হৈ থকাৰ সময়ছোৱাত চৰকাৰী আদৰ্শ মহাবিদ্যালয়খন আগবঢ়াইছিল আৰু পৰৱৰ্তী সময়ত নিবিদা আদি কৰি কামো আৰম্ভ হৈছিল। মহাবিদ্যালয়খন আৰম্ভ হোৱাৰ পিছত ডুমডুমা মহাবিদ্যালয়ৰ এটা হোষ্টেলত পাঠদান আৰম্ভ হৈছিল। বৰ্তমান যিহেতু ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ৮৭২ লৈ বৃদ্ধি হৈছে, সেয়েহে অস্থায়ীভাৱে নিৰ্মাণ কৰা ঘৰত পাঠদান কৰাই থকা হৈছে। মই যিটো উত্তৰ পাইছো তাৰ বাবে মই ধন্যবাদ জনাইছো। কিন্তু তাৰ বাবে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যে

নিবিদা প্ৰাক্কলন আৰু নিবিদাৰ কাম তৎকালীনভাৱে সম্পূৰ্ণ কৰি কামবোৰ যাতে আৰম্ভ কৰিব পৰা যায় আৰু ছাত্ৰ-ছাত্ৰীসকলক সকাহ দিব পৰা যায়।

**মুখ্যমন্ত্ৰী (অসম) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বীৰ ৰাঘৱ মৰাণ আদৰ্শ বিদ্যালয়, এইটো এটা খুব গুৰুত্বপূৰ্ণ প্ৰজেক্ট।আমি North-East Plantation and Commercial Private Ltd. ক এই কামটো দিছিলো আৰু তেওঁলোকে ২৭ শতাংশ কাম সম্পূৰ্ণ কৰাৰ পিছত তেওঁলোকে এক প্ৰকাৰ কামটো বন্ধ কৰি দিয়ে। তিনিচুকীয়া জিলালৈ মই যাওঁতে আমাৰ সন্মানীয় বিধায়ক ৰূপেশ গোৱালা ডাঙৰীয়া আৰু আমাৰ বিভি ন্ন ছাত্ৰ সংগঠন আৰু মৰাণ জনগোষ্ঠীৰ ছাত্ৰ সংগঠনে এই বিষয়টো মোক অৱগত কৰিছিল। লগে লগে আমি ঠিকাদাৰজনৰ পৰা ২ ফেব্ৰুৱাৰীত এই কামটো টাৰ্মিনেট কৰো। যেতিয়া কাম এটা টাৰ্মিনেট কৰা হ'ল সেইটো পূৰণা ৰেটত আছিল। এতিয়া নতুনকৈ প্ৰাক্কলনখন আপডেট কৰিব লাগিব। আজি আমি যেতিয়া টেণ্ডাৰ কৰিম, নতুনকৈ টেণ্ডাৰ কৰাজনে আজিৰ ৰেটতহে টেণ্ডাৰ মাৰিব। যিখন নতুনকৈ টেণ্ডাৰ বনাব লাগিব তাত  এমাহমান লাগিব। কিন্তু মাৰ্চ মাহত যিকোনো মূহূৰ্ত্তত Model Code of Conduct আহিব পাৰে। সেয়েহে অলপ আগতে মই আয়ুক্ত মহোদয়ক  নতুন নিবিদাখন যিমান পাৰে সোনাকালে কৰিবলৈ কৈছিলো। যাতে Model Code of Conduct ৰ আগত নতুন ঠিকাদাৰ জনক কামটো দিব পাৰো। কিবা কাৰণত নহ'লেও আমি মে' মাহত হ'লেও দিব লাগিব। কিন্তু মই নিজে চিষ্টা কৰিম যাতে এবছৰৰ ভিতৰত কলেজখন অন্ততঃ চিফট্ কৰিব পৰাকৈ কামটো আৰম্ভ কৰিব পাৰে। সদিচ্ছা থকাৰ স্বত্বেও কেতিয়াবা এনেকুৱা হয়, ঠিকাদাৰ সকলৰ  বিভিন্ন অসুবিধা থাকে, তেওঁলোকে কাম কম ৰেটত লয় আৰু পিছত কাম কৰিব নোৱাৰে। কিবা এটা দুৰ্ভাগ্যবশতঃ এই কামটো নহ'ল। এই বিষয়ে মোৰ আগতে দৃষ্টিগোচৰ হোৱা হ'লে, মই আৰু আগতে ব্যৱস্থা ল'ব পাৰিলোহেঁতেন। কিন্তু যোৱাবাৰ তিনিচুকীয়াত যাওঁতেহে এই বিষয়টো মোৰ নজৰত আহে। তথাপিও যিমান পাৰো ইয়াৰ নিৰ্মাণৰ কাম সোনকালে আৰম্ভ কৰিবৰ বাবে আমি চেষ্টা কৰিম। এই বিষয়ে মই নিজেও Followup কৰিম আৰু গৃহ নিৰ্মাণ বিভাগৰ আয়ুক্তই যিমান সোনকালে পাৰে এষ্টিমেটখন আপডেট কৰি টেণ্ডাৰখন উলিয়াই দিয়ে।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্ন নং-৮৮। শ্ৰী ভাস্কৰজ্যোতি বৰুৱা ডাঙৰীয়াই কওঁক।

**মাননীয় মুখ্যমন্ত্ৰী (অসম) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰী ভাস্কৰজ্যোতি বৰুৱা, (তিতাবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই উত্তৰটো পাইছো। এই গোটেই প্ৰশ্নটো ৰাষ্ট্ৰীয় ঘাইপথ সম্পৰ্কীয় আছিল। আমি প্ৰায়েই অহা-যোৱা কৰো,  জখলাবন্ধাৰ পৰা কলিয়াবৰলৈ,  নুমলীগড়ৰ পৰা যোৰহাটলৈ যাওঁ, প্ৰায়ভাগ ঠাইতে ৰাস্তাবোৰ বহি যোৱা আমি দেখা পাওঁ। বাৰিষা হ'লে এইবাৰ আৰু স্পষ্টকৈ ওলাব। মই মাননীয় মন্ত্ৰী মহোদয়ক এই ক্ষেত্ৰত দৃষ্টি আকৰ্ষণ কৰিলো আৰু ইয়াৰ ওপৰত যাতে ব্যৱস্থা গ্ৰহণ কৰা হয়। ইয়াৰ লগতে মোৰ আৰু এটা কথা আছিল যে গোটেই অসমত যিবোৰ সৰু সৰু গাঁৱৰ ৰাস্তা আছে, তেনেকুৱা ৰাস্তা তিতাবৰতো আছে। সেই ৰাস্তাবোৰ গাওঁ পঞ্চায়তক বনাবলৈ দিছিল। সৌভাগ্যৰ কথা যে এতিয়া পুনৰ আমাৰ যি পঞ্চায়তত চল্লিশ শতাংশ আনটাইড ফাণ্ড থাকে, তাৰ পৰা মেৰামতি কৰিব পাৰো। আমাৰ যি ৫০০ মিটাৰ বা তাৰ তলৰ বহুত গাওঁৰ ৰাস্তা আছে, সেইবোৰৰ মেৰামতিৰ কাম যাতে লোক নিৰ্মাণ বিভাগে লয়, তেতিয়া তাৰ দ্ৰুত উন্নয়ু গাওঁবাসীয়ে পাব। মই নিজেও যিহেতু গাওঁত থাকো সেয়েহে মই ও গাওঁৰ সুচল চলা-চল বিচাৰো। মোৰ আৰু এটা প্ৰশ্ন আছিল যে মথাউৰিত কাকডোঙাৰ পৰা মহিমাবাৰীৰ এটা ৰাস্তা পাইছিলো।  এটা পাৰে গোলাঘাট আৰু এটা পাৰে

যোৰহাট সমষ্টি আছে। কাকদঙা ব্ৰীজৰ পৰা মহিমাবাৰীলৈ এছোৱা ৰাস্তা হ'ল আৰু বাকী ৬ কিলোমিটাৰমান যদি মথাউৰি কৰি দিয়ে, তেতিয়া খুব ভাল এটা কৰিড'ৰ হ'ব। এই বিষয়ে মন্ত্ৰী মহোদয়ে কিবা ব্যৱস্থা গ্ৰহণ কৰিব নেকি ?

**মুখ্যমন্ত্ৰী (অসম) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নটো ৰাষ্ট্ৰীয় ঘাই পথৰ ওপৰত আছিল। আমি প্ৰায়েই NHIDCL, NHI আদিৰ নিগেটিভ কথাবোৰেই আলোচনা কৰিছিলো। কিন্তু এটা কথা সদনক জনাবলৈ পাই সুখী হৈছো যে এতিয়া তেজপুৰৰ পৰা বিশেষকৈ কলিয়াবৰৰ পৰা গহপুৰ পৰ্য্যন্ত NHIDCL এ এটা সুন্দৰ ৰাস্তা নিৰ্মাণ কৰি উলিয়ালে। যোৱা কিছুদিন আগতে মই দেখিছো যে তেজপুৰৰ পৰা এতিয়া জামুগুৰি, চতিয়া পাবলৈ পোন্ধৰ মিনিটো সময় নলাগে। এতিয়া বিহালী, গহপুৰ আদি কলিয়াভোমোৰা দলংৰ পৰা একেবাৰে ওচৰ হৈ গ'ল। যিখন দলং কেইদিনমান আগতে মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াই উদ্বোধন কৰিলে তাত খুব ভাল নিৰ্মাণৰ কাম হৈছে। এতিয়া তেজপুৰ বিশ্ববিদ্যালয় ও চমু চাপি গ'ল। এই সুন্দৰ ৰাস্তাটো NHIDCL এ বনাই সম্পূৰ্ণ কৰি আমাক দিলে। এই বিধান সভাত এই ৰাস্তাটো নোহোৱাৰ কাৰণে তেওঁলোকে বহুদিন গালিও খাইছিল। কিন্তু খুব ভাল ৰাস্তা এটা তেওঁলোকে নিৰ্মাণ কৰি দিলে আৰু ব্ৰহ্মপুত্ৰৰ উত্তৰ অসমত আমাৰ যোগাযোগ ব্যৱস্থাটো যথেষ্ট ভাল হ'ল। তেখেতে নুমলীগড়ৰ পৰা যোৰহাটৰ ৰাস্তাটোৰ বিষয়ে সুধিছিল। সেই নুমলীগড়ৰ পৰা যোৰহাটলৈ ৰাস্তাটো ৯৮ শতংশ কাম সম্পূৰ্ণ হৈ গৈছে। অসম চৰকাৰে এটা নতুন টেক্‌নল'জি ব্যৱহাৰ কৰি কলিয়াবৰ, জখলাবন্ধাৰ পৰা নুমলীগড়লৈ এটা খুব সুন্দৰ ৰাস্তাৰ কাম কৰি আছে আৰু অহা দুমাহ-তিনিমাহৰ ভিতৰত ৰাস্তাৰ কাম সম্পূৰ্ণ হৈ যাব। এতিয়া আমাৰ সন্মুখত যিটো প্ৰত্যাহ্বান আছে, সেই প্ৰত্যাহ্বানটো হ'ল, যোৰহাটৰ পৰা ডিব্ৰুগড় । ইয়াৰ ভিতৰত ডিমৌ আৰু মৰাণ, এই stretchটো জুলাই, ২০২৪ ত হৈ যাব। মৰাণ-বগীবিল stretchটোৰ প্ৰায় সম্পূৰ্ণকৰণ হৈ গৈছে। আটাইতকৈ সমস্যা আছিল জাঁজী-ডিমৌ। এই জাঁজী-ডিমৌ অঞ্চলটো ২০২৪ চনৰ জুলাই-আগষ্টৰ মাজত আমি শেষ কৰিব পাৰিম বুলি আশা কৰিছো। দুই-এটা আৰু নতুন পেকেজৰ কাম তেওঁলোকে ঠিকাদাৰক নতুনকৈ দিছে। আমি খুব হেঁচা দিছো যাতে এই গোটেই ৰাস্তাটো এইবাৰ বানপানীৰ আগতে আমি সমাপ্ত কৰিব পাৰো আৰু আমাৰ প্ৰচেষ্টা অব্যাহত থাকিব। যোৱা কেইটামান বছৰত লোক নিৰ্মাণ বিভাগে ৫০ হাজাৰ কিঃমিঃ ৰাস্তা নিৰ্মাণ কৰি উলিয়াইছে আৰু বৰ্তমান গড়ে প্ৰতিদিনত আমি ১২ কিঃমিঃকৈ নতুন ৰাস্তা নিৰ্মাণ কৰি আছো। যথেষ্ট আঁচনি লোৱা হৈছে। কিন্তু নতুন habitation হয়, নতুন ৰাস্তা হয়। যিমান পুঁজিৰ প্ৰয়োজন হয়, সিমানখিনি অকল লোক নিৰ্মাণ বিভাগত দিয়াৰ কাৰণে সমস্যা থাকে। NREGAৰ পৰা আমি কিছু দিছো কিন্তু আমি নিজে এটা কথা চিন্তা কৰিব লাগে যে আজি প্ৰায় সমষ্টিতে ৩০ৰ পৰা ১০০ কোটি টকাৰ নতুন কাম বছৰে হয় গতিকে ৰাস্তাটো ক'ত দেখুৱাব লাগে, ৫০০ মিঃ হওঁক ২০০ মিঃ হওঁক, সেইটো সাধাৰণতে আমাৰ বিধায়কসকলে দেখুৱাই দিয়ে। আৱণ্টিত পুঁজিৰ ওপৰত যিটো ৰাস্তায়েই বিধায়কসকলে পৰামৰ্শ দিয়ে, সাধাৰণতে আমি সেইটো গ্ৰহণেই কৰোঁ। এই ক্ষেত্ৰত বিধায়কসকলে যিধৰণে পৰামৰ্শ দিয়ে, বিভাগে তেনেকৈয়ে কামবোৰ কৰি আছে আৰু আমি সেইটো spirit ততে চলি থাকিম। দ্বিতীয়তে, মথাউৰিৰ ওপৰত দিয়া পৰামৰ্শটো আমি নজৰত ৰাখিম কিন্তু মথাউৰিৰ ওপৰত নতুনকৈ কিমান কিঃমিঃ ৰাস্তা পাম বা কি পাম বা কেনেকৈ আমি কৰিব পাৰো সেই বিষয়ে গোটেইখিনি মই প্ৰশ্নটোৰ উত্তৰতে দিছো আৰু সেইটো spirit ততে আমি তিতাবৰৰ কথাটো চিন্তা কৰিম।

**শ্ৰী ভাস্কৰজ্যোতি বৰুৱা (তিতাবৰ)ঃ** এইখিনিতে মই এটা কথাত মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ

কৰিব খুজিছো যিটো আমাৰ সকলো সতীৰ্থ বিধায়কৰ ক্ষেত্ৰতেই হয়। আমাৰ ৰাস্তাবিলাকৰ কালভাৰ্ট ভাঙি যায় আৰু সেই বিষয়ে বিভাগক কোৱাৰ পিছত জনা যায় যে ইঞ্জিনীয়াৰসকলৰ হাতত পুঁজি নাথাকে। আমাৰ তিতাবৰৰ ধলী অঞ্চলৰ ঠেঙাল-কছাৰী এলেকাত বৰ্তমান এটা কালভাৰ্ট ভাঙি আছে আৰু কুমুদ কছাৰী ডাঙৰীয়াই মোক এই বিষয়ে বহুতবাৰ কোৱাৰ পিছতো মই কৰি দিব পৰা নাই। তেনেকুৱা ধৰণৰ সৰু-সুৰা repairing কিছুমানৰ অনুৰোধ আমি বিভাগক কৰো তেতিয়া তাৰ কাম কৰাৰ বাবে, আগতে যিটো annual repairing ৰ পুঁজি আছিল, আজিকালি সেইটো নাই, তেনেকুৱা ধৰণৰ এটা ব্যৱস্থা যদি বিভাগীয় কৰ্তৃপক্ষক দিয়া যায়, মই ভাৰো তেতিয়া এই কামটো কৰিবলৈ সুবিধা হ'ব।

**ডº হিমন্ত বিশ্ব শৰ্মা, মাননীয় মুখ্যমন্ত্ৰীঃ** অধ্যক্ষ মহোদয়, আমি কাকো পুঁজি দিব নোৱাৰো। প্ৰস্তাৱ আহিলে আমি তাক অনুমোদন জনাব পাৰো। পুঁজি দি থোৱাৰ নিয়মটো এইখন চৰকাৰৰ নাই আৰু এইখন চৰকাৰে সেইটোক endorse নকৰে। ইঞ্জিনীয়াৰসকলে বিধায়কক repairing ৰ পইচা নাই বুলি যি কয়, সেইটো সত্যৰ ওপৰত প্ৰতিষ্ঠিত নহয়। প্ৰত্যেক বছৰে 'মুখ্যমন্ত্ৰীৰ পথ নৱীকৰণ' আঁচনিৰ অধীনত আমি ৩৫০ কোটি টকা অকল repairing ৰ কাৰণে দিওঁ যাক minor repairing বুলি কোৱা যায়। কিন্তু, এটা gestation period থাকে। আজি যদি এখন দলং ভাঙি যায়, লগে লগে তাক নিৰ্মাণ কৰাৰ কাৰণে সেইধৰণৰ instant কাম বা instant justice চৰকাৰী ব্যৱস্থাত নহয়। এবাৰ দলং এখন ভাঙি গ'লে মাজৰ দুটা মাহ নিবিদা কৰা, নিবিদা উলিওৱা, প্ৰাক্কলন অনুমোদন জনোৱা, সেই process টো থাকিবই। সাধাৰণতে মানুহে ভাৱে যে আজি ভাঙি গ'ল, কালি সৰু-সুৰা পইচাৰে কৰি দিওঁ। তাৰ পিছতেই প্ৰশ্ন আহি যায়। আজি-কালি দুই-এটা টি.ভি. পৰ্টেলতো ওলায় । ৰাইজৰ কাৰণে আমি কিবা এটা কাম কৰি দিয়াৰ পিছত, নিবিদা কৰা হৈছিল নে নাই বুলি ইঞ্জিনীয়াৰক blackmail কৰে। মই নিজেই প্ৰমাণ পাওঁ যে দুই-এটা কাম আমি কেতিয়াবা তাৎক্ষণিকভাৱে কৰিব দিওঁ, তাৰ পিছত RTI মাৰি Y পৰ্যন্ত গুছি যায় যে নিবিদা নকৰাকৈয়ে কাম কৰি দিলে। সেইকাৰণে এইবিলাকত যদি জনসাধাৰণৰ large consensus নাথাকে, instant justice দিব নোৱাৰি। তাৰ কাৰণে বিৰোধী পক্ষইও চৰকাৰক statement দিব লাগিব যে হয়, এইটো কাম কৰিছে আমি চৰকাৰৰ লগত আছো। কিন্তু, চৰকাৰৰ লগত নাই। আমাৰ দিনত এনেকুৱা হয় যে- মোৰেই দেউতা, মইয়েই হেলিকপ্টাৰ লৈ পল' খেলিব গৈছো আৰু মই ল'ৰাই সংসদত সুধিছো অসমৰ মুখ্যমন্ত্ৰীয়ে কিয় হেলিকপ্টাৰ ব্যৱহাৰ কৰে? এনেকুৱা ধৰণেও আমাৰ ৰাজনীত চলে। মই কোনো ব্যক্তিৰ কথা কোৱা নাই। গতিকে, instant justice যদি লাগে তেতিয়া বিৰোধী আৰু শাসক একগোট হ'বই লাগিব। দলং এখন ভাঙিছে আৰু মুখ্যমন্ত্ৰীয়ে ৰাতি ৰাতি দলঙৰ কাম কৰি দিছে য'ত নিবিদাৰ কোনো কথা নাই, বিৰোধী শাসক পক্ষ একেলগ হৈ আছো। কিন্তু, তেনেকুৱা নহয়। কোনোবাই RTI কৰিব, RTI কৰাৰ পিছত ক'ব প্ৰাক্কলন কোন দিনা অনুমোদন কৰা হৈছিল, কোনদিনা নিবিদা কৰা হৈছিল ? এনেবোৰ পৰ্যায়ত গ'লে কাম হওঁতে ছয় মাহ সময় লাগিবই। গতিকে, পুঁজিৰ অসুবিধা নাই, procedure ৰ অসুবিধা আছে। এই ক্ষেত্ৰত বিধান সভাত যাতে বিৰোধী শাসকীয় পক্ষ কেতিয়াবা একগোট হৈ যায়, তাৰ বাবে চিন্তা কৰক। কেতিয়াবা বিৰোধীৰ অনুৰোধত মই কিবা কাম কৰাৰ ফলত কিবা বাতৰি যদি ওলায় তেন্তে বিৰোধী দলপতি হিচাপে যাতে আপুনি statement দিয়ে যে মোৰ অনুৰোধতহে মুখ্যমন্ত্ৰী ডাঙৰীয়াই কামখিনি কৰিছে। তেনেকৈ আপোনালোকে চিন্তা কৰক। কমলাক্ষ পুৰকায়স্থ ডাঙৰীয়াই পূৰ্বৰ অধিবেশনত চিঞৰি চিঞৰি কৈছিল যে লোকেল

ছুপাৰি এৰি দিব লাগে। তাৰ পিছত মই বৰাকৰ বিধায়ক সকলক ক'লো যে মই এৰি দিম কিন্তু পিছত মোৰ গাতবদনাম হ'ব। তেতিয়া মোক ক'লে যে তেওঁলোকে আমাক protect কৰিব। কিন্তু, কোকৰাঝাৰত গাড়ীৰ ভিতৰত কিয় চুপাৰি খুলিছে বুলি কোনোবা এজন নেতাই কংগ্ৰেছৰ বিধায়কক ধমকি দিলে তেতিয়া কংগ্ৰেছৰ বিধায়কসকলে উঠি নক'লে যে বিধান সভাত এইটো তেওঁলোকৰ দাবী আছিল। এনেকুৱা হ'লে দুখ লাগে নে নাই কওঁক আপোনালোকে। কমলাক্ষ দে' পুৰকায়স্থই সদনত কোৱা ৰেকৰ্ড আছে। তেওঁৰ ছুপাৰি এৰি দিয়াৰ বাবে চিঞৰি চিঞৰি কৈছিল। তেওঁৰ লগতে AIUDF ৰ জাকিৰ হুছেইন, নিজাম উদ্দিন সকলোৱে পুৰণি বিধান সভাত হুলস্থূল লগাই দিছিল যে বৰাকৰ স্থানীয় লোকৰ ক্ষতি হৈছে, ছুপাৰি আমাৰ স্থানীয় বস্তু, ছুপাৰি অবৈধ নহয়, ছুপাৰি খুলি দিয়ক।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতিঃ** অধ্যক্ষ মহোদয়, প্ৰশ্নৰ ওপৰত উত্তৰ দিবলৈ অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষঃ** Reference ত কৈ আছে।

**ড০ হিমন্ত বিশ্ব শৰ্মা, মাননীয় মুখ্যমন্ত্ৰীঃ** অধ্যক্ষ মহোদয়, এইটো বহুত ডাঙৰ Reference। এই কথাখিনি শুনিলে ভৱিষ্যতলৈ সফল হ'ব যে সদনৰ কথা শুনি মুখ্যমন্ত্ৰী কেনেকৈ বিপদত পৰে । আমি তেওঁ কোৱাৰ পিছতে লোকেল ছুপাৰিখিনি খুলি দিলো। সদনত মই উত্তৰ দি মন্ত্ৰী বিমল বৰা, যোগেন মহনক পঠিয়ালো। মন্ত্ৰী বিমল বৰা আৰু যোগেন মহনে সদনৰ পৰা গৈ তাত আলোচনা কৰি কৃষক সকলৰ ক্ষতি হোৱা বুলি গম পালে। ফলত ছুপাৰিখিনি আহিব দিয়া হ'ল। এতিয়া মইয়েই ছুপাৰিৰ চৰদাৰ হৈ গ'লো। কালিৰ পৰা মই বন্ধ কৰি দিম ভাৱিছো। মই যোৱাকালি ৰাতিহে এই ঘটনাটো শুনিলো। তাত বিধায়কখিনি উপস্থিত থাকিও নক'লে যে মুখ্যমন্ত্ৰীক এইটো তেওঁলোকেহে কৰিব দিছে। বাকী কথাত যি গালি দিয়ে দিয়ক। এই কথাটোত গালি নিদিব কাৰণ এইক্ষেত্ৰত আপোনালোকে দাবী কৰিছিল। দুখ নালাগে নেকি কওঁকচোন। গতিকে ক'ৰবাত দলং, বিল্ডিং ভাঙিলে মই লগে লগে ......interruptions..

**শ্ৰী কমলাক্ষ দে' পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)ঃ** চাৰ, লোকেল ছুপাৰি চলিব লাগে। মই পুনৰ সদনত কৈছো। আমাৰ কিন্তু বহুত সমস্যা হৈ আছে।

**ড০ হিমন্ত বিশ্ব শৰ্মা, মাননীয় মুখ্যমন্ত্ৰীঃ** সদনত নক'ব। যেতিয়া ইয়াত অন্যায় বা ন্যায় হয় বা কিবা ওলায়, যাক ক'ব লাগে, তেতিয়াহে ক'ব। নহ'লে সৰু সৰু ভিডিঅ' প্ৰচাৰ কৰি দিয়ে। এটা ভিডিঅ'ত মাজুলীৰ নদীৰ ওপৰত আপুনিও acting কৰিছে। এনেকৈয়ে MLA গৈ যদি Actor হৈ যায়! ৰাজনীতিৰ জীৱনত মই প্ৰথমবাৰ দেখিছো বিধায়কে acting কৰা। চাহৰ দোকানত বহি লৈ অভিনয় কৰে। বিধায়ক অভিনেতা হ'ব নোৱাৰে। বিধায়কে ৰাইজৰ ক্ষেত্ৰত ক'ব লাগিব। ৫-১০-১৫ বছৰ খেদি দিম বুলি ক'লে অসমীয়া মানুহে হজম কৰিব নোৱাৰে নহয়। তেওঁলোকে ক'ব যে আপুনি কোন হয় আমাক খেদি দিবলৈ। বিধায়কৰ সাহস থাকিব লাগিব। বিধায়কক এনেকৈ এনেকৈ (ভংগিমা দেখুৱাই) ধমকি দিয়াত মোৰেই দুখ লাগি গৈছে, মোৰেই গাত লাগি গৈছে। কোনে দিছে মই ইমান কাহিনী নকওঁ। মোৰ ইমান দুখ লাগিছে যে মোৰ colleague..interruptions..

**মাননীয় অধ্যক্ষঃ** Thank You. ৰেকিবুদ্দিন আহমেদ।

**ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় মুখ্যমন্ত্ৰীঃ** অধ্যক্ষ মহোদয়, শেষত কৈছো যদি এনেকুৱা instant justice লাগে, তেন্তে সদনত এটা common নিয়ম কৰক যে ক'ৰবাত দলং ভাঙিলে

ইঞ্জিনীয়াৰজনৰ কৰ্তৃত্ব থাকিব আৰু লগে লগে ঠিক কৰি দিব। তাৰ বাবে he will not be subject to harassment after that. ইঞ্জিনীয়াৰজনৰ টকাৰ অভাৱ নাই, কৰ্তৃত্বৰহে অভাৱ। আমাক সেইটোকে লাগে। আপোনালোকে আলোচনা কৰক, মই লগত আছো।
আপোনালোক আলোচনা কৰক আমি আপোনালোকৰ লগত আছো।

**শ্ৰী ভাস্কৰজ্যোতি বৰুৱা, তিতাবৰ ঃ** মই ভাৱো ছাৰে যিটো কৈছে সেইটো হোৱাটো বেয়া নহয়। কাৰণ মোৰ সতীৰ্থ বিধায়ক সকলোকে কৈছো যে কাৰোবাৰ যদি ৰাস্তা emergency ভাঙি যায়, তাত কিবা এটা ব্যৱস্থা হোৱাটো ভাল।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী ৰেকিবুদ্দিন আহমেদ।

**শ্ৰী ৰেকিবুদ্দিন আহমেদ, ছয়গাওঁ ঃ** মাননীয় অধ্যক্ষ মহোদয়, পোনপ্ৰথমে ছয়গাওঁৰ পৰা উকিয়ামলৈ ৰাস্তাটো অনুমোদন দিয়া বাবে আপোনাকে ধন্যবাদ জ্ঞাপন কৰিছো। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক এই সুযোগতে মই ছয়গাওঁৰ পৰা গৰৈমাৰীলৈ এখন direct bridge ৰ কাৰণে আপোনাক ইতিমধ্যে বহুবাৰ লগ ধৰিছো। ছয়গাওঁৰ পৰা গৰৈমাৰীলৈ মুঠ ২২ কিঃমিঃ আৰু ধুনীৰ পৰা যদি হয় ১৩.৫ কিঃ মিঃ। দলংখন হ'লে ছয়গাওঁ গৰৈমাৰী সকলো ৰাইজৰে যথেষ্ঠ সুবিধা হ'ব। গতিকে মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক আহ্বান জনাইছো আৰু মাননীয় অধ্যক্ষ মহোদয় জৰিয়তে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিছো। চমৰীয়াৰ লগতে নতুন ছয়গাওঁৰ বকো সমষ্টিৰ লগত জড়িত জলজলী দলংখন অত্যন্ত গুৰুত্বপূৰ্ণ। আমাৰ বিধায়িকা নন্দিতা দাস ডাঙৰীয়াণীয়ে বহুবাৰ বিধানসভাত এই কথাটো মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিছো। গতিকে জলজলী দলংখন মুখ্যমন্ত্ৰী মহোদয়ে অনুমোদন জনাব আৰু sanction কৰিব বুলি মই অনুৰোধ জনালো। কাৰণ এই দলংখনে দুটা সমষ্টিৰ লগতে বৰপেটাৰ এক বৃহৎ অংশ, গোৱালপাৰা সংযোগী এই সকলো সুবিধা হ'ব।

**শ্ৰীমতী নন্দিতা দাস, বকো ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিৰ কথা ওলাইছে যিহেতু মই এযাৰ কথা ক'বই লাগিব যে মই সাত বাৰ বিধানসভাত এই দলংখনৰ বাবে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছো। গতিকে এইবাৰ যাতে এই দলংখন লোৱা হয়, তাৰবাবে মই মুখ্যমন্ত্ৰী ডাঙৰীয়াক পুনৰ অনুৰোধ জনালো।

**ড০ হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, গৰৈমাৰীত বহুত কৃষি উৎপাদন হয়, গতিকে গৰৈমাৰীৰ পৰা ছয়গাওঁলৈকে তাৰ দুৰত্বটো কম কৰি ডাঙৰ এখন দলং বনাই এটা ডাঙৰ প্ৰজেক্ট লোৱাৰ কথা আমাৰ বিভাগত চলি আছে। বিষয়টো লৈ অলপ টকা পইচাৰ বেছি প্ৰয়োজন হ'ব। তাৰ বিষয়ে মই পৰৱৰ্তী সময়ত চিন্তা কৰি জনাম। দ্বিতীয়তে, গৰৈমাৰীৰ পৰা অসমমা লাত আমি আৰু এটা ৰাস্তা ভৱিষ্যতে ল'বলৈ চেষ্টা কৰি আছো যাতে নতুন সমষ্টিটোৰ মাজত এটা connectivity হৈ যায়। গৰৈমাৰীৰ পৰা সোনতলী connect কৰাৰ কাৰণে এটা ৰাস্তাও আমাৰ বিবেচনাধীন হৈ আছে। জলজলী দলংৰ ওপৰত স্থানীয় ৰাইজো মোৰ ওচৰলৈ আহিছিল আৰু বিধায়িকা ডাঙৰীয়াণীয়ো মোক কৈছে লগতে ছয়গাওঁৰ বিধায়ক ৰেকিবুদ্দিন আহমেদ

ডাঙৰীয়াও মোক যোৱা কিছুদিনৰ পৰা এই বিষয়টোলৈ মোৰ লগত যোগাযোগ কৰি আছে। দলংখন মই দেখা নাই সেইকাৰণে commit কৰিবৰ কাৰণে মোৰ অলপ অসুবিধা হৈছে। কিন্তু মই পিযুষ হাজৰিকা ডাঙৰীয়াক অনুৰোধ কৰিম যাতে এদিন তেওঁ আপোনালোকৰ লগত দলংখনৰ ঠাইত গৈ দুৰত্ব আদি চাই কিমান কি খৰছ হ'ব মোক জনালে মই চাম। প্ৰশ্নটো আগতে আহিলে মই details লৈ ৰাখিলোহেঁতেন। কিন্তু আজিৰ দিনত মই ইমানেই assurance দিছো যে পিযুষ হাজৰিকা ডাঙৰীয়া এদিন যাব আৰু আপোনলোক দুয়োজনে থাকিব আৰু তেওঁ সহযোগ কৰিব। অমৃৎ কলহৰ নিচিনা নকৰিব।

**মাননীয় অধ্যক্ষ ঃ** Question no.89.শ্ৰী বিদ্যাসিং ইংলেং।

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী বিদ্যাসিং ইংলেং, ডিফু ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই উত্তৰত ঠিকেই দিছে। কাৰণ ২০২১ চনৰ ৪ চেপ্তেম্বৰত যিটো স্বাক্ষৰিত হৈছে, সেই মৰ্মে বিদ্ৰোহী সকলক ৪ লাখ টকাকৈ দিয়া হৈছে fixed deposit হিচাপে আৰু এককালীনভাৱে ৫০,০০০ টকাকৈ দিয়া হৈছে। তাৰবাবে মই মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ দিব বিচাৰিছো। মই মাত্ৰ এটা supplementary প্ৰশ্ন শুধিব বিচাৰিছো মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে, যোৱাবাৰ প্ৰথম session ৰ সময়ত কৈছিলে যে এমাহৰ ভিতৰত outside Karbi Anglong দফা নং ৩.৬, The Government of Assam shall be setup a Karbi Welfare Council for focus and development of the Karbi people living outside Karbi Anglong Autonomous Council.সেই হিচাপে গঠন কৰা হ'ল নেকি ?

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মুখ্যমন্ত্ৰী।

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়,কাৰ্বি শান্তি চুক্তি স্বাক্ষৰিত হোৱাৰ পাছত কেইটামান দিশত আমি চুক্তি ৰূপায়ণ কৰিব পাৰিছো আৰু কেইটামান দিশত চুক্তি ৰূপায়ণৰ প্ৰক্ৰিয়া চলি আছে। প্ৰথম, আমাৰ যিসকল মূল সুতিলৈ উভতি অহা যুৱক, তেখেতসকলে নিজৰ নিজৰ সংগঠনসমূহ ban কৰে আৰু অস্ত্ৰ-শস্ত্ৰ চৰকাৰক জমা দিয়ে। তাৰপিছত তেওঁলোকৰ rehebilitationৰ কাম আমি হাতত লওঁ আৰু চুক্তি অনুসৰি আমি যিখিনি তেওঁলোকক সহায় কৰিব লাগে সেইখিনি কৰো।

দ্বিতীয়তে, আমাৰ গোচৰ পৰ্য্যয়িৰ যি ৮৭টা গোচৰ আছিল তাৰে ইথিমধ্যে ৬৩ টা গোচৰ কোৰ্টে withdrawal কৰাত সন্মতি দিছে আৰু বাকী গোচৰ বিলাকৰ withdrawal প্ৰক্ৰিয়া চলি আছে। এতিযা গোটেই বিষয়টো হ'ল যে চুক্তিত থকা আন দফাসমূহ। এই চুক্তিত থকা কেইটামান দফা বিশেষকৈ council ৰ reservation,seed distribution এইখিনিৰ কাৰণে সংবিধান সংশোধনীৰ প্ৰয়োজন আছে আৰু এই সংবিধান সংশোধনীৰ বাবে ইতিমধ্যে আমি BTAC হওক বা কাৰ্বিয়ে হওক দুয়োটাৰ ক্ষেত্ৰত প্ৰস্তাৱ প্ৰেৰণ কৰিছো আৰু মই বিশ্বাস কৰো যে অতি কম দিনৰ ভিতৰতে নিশ্চয় কামখিনি হৈ যাব। এটা ডাঙৰ topic আছে, যেনেকৈ

এইবাৰ বাজেটত আপোনালোকে দেখা পাব যে Karbi Youth Festival ক চৰকাৰে কেনেকৈ support কৰিব খুজিছে। এইবোৰ একৰ্ডৰ clause আছিল। Karbi Welfare Council খন আমি গঠন কৰাৰ প্ৰক্ৰিয়া তৰান্বিত কৰিছো আৰু যিমান সোনকালে পাৰো আমি Karbi Welfare Council for the Karbi people living outside. তাক আমি কৰাৰ কাৰণে যত্ন কৰিম। ST plains ক্ষেত্ৰত এটা সমস্যা আছে, কাৰ্বি চুক্তিয়ে কয় যে Karbi living outside the Concil should be declared as plains tribe.বড়ো চুক্তিয়ে কয়, Bodo living in hills should be declared as hills tribe. যিহেতু দুটা কথা দুখন চুক্তিত লিখা আছে এই সমস্যাটোৰ ক্ষেত্ৰতো আমি অলপ আলাপ আলোচনাৰ মাজেৰে সমস্যাটোক সমাধান কৰিব লাগিব কাৰণ কাৰ্বিক যদি আমি outside the hill district plains tribe declare কৰো, তেতিয়া বড়োকো আমি hills tribe within the Karbi Anglong declare কৰিব লাগিব। এই কথাখিনিৰ কাৰণে দুয়োটা পক্ষৰ মাজত বজাবুজিৰ প্ৰয়োজনীতা আছে,এই কথাখিনি আমাৰ নজৰত আছে। আমি লাহে লাহে এইখিনি কৰি গৈ থাকিম। কিন্তু Karbi Council গঠন কৰা প্ৰক্ৰিয়াটো তৰান্বিত কৰিম।

**মাননীয় অধ্যক্ষ ঃ** Question no-90.শ্ৰী আমিনুল ইছলাম।

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী আমিনুল ইছলাম, ধিং ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নৰ উত্তৰত ইয়াত দিয়া হৈছে যে Border SI আৰু SP য়ে যিসকল লোকৰ নামত D- Voter বা Foreigner's Tribunal ত refer কৰে, তেওঁলোকৰ village survey হয়, আৰু তেওঁলোকক document submission ৰ কাৰণে sufficient time দিয়া হয়। সময়ত যদি তেওঁলোকে document দিব নোৱাৰে, তেতিয়া Foreigner's Tribunal ত তেওঁলোকৰ case টো দিয়া হয়। কিন্তু এটা case ও এনেকুৱা হোৱা নাই য'ত তেওঁলোকৰ ducument বিচৰা হৈছিল বা তেওঁলোকক suspect কৰা হৈছিল বুলি notice দিয়া হৈছিল। জধে মধে নাম Foreigner's Tribunal ত refer কৰে। Document নিবিচৰাকৈ জধে মধে Foreigner's Tribunal ত refer কৰে। এইটো এটা অন্যায় হৈ আছে। মই ভাৱো এই প্ৰক্ৰিয়াৰ অৱসান হ'ব লাগে আৰু মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা মই তাৰ সুদোত্তৰ বিচাৰিছো।

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, SI সকলক তেওঁলোকৰ আইন সন্মত কাম কৰাৰ পৰা মই বাৰণ কৰিব নোৱাৰো আৰু এইটো Foreigner's Act য়ে তেওঁলোকক অধিকাৰ দিয়ে যে, সন্দেহযুক্ত বিদেশী বুলি তেওঁলোকে ভাৱিলে তেওঁলোকে case Foreigner's Tribunal ত দিব পাৰে। বহুত মানুহৰ অভিযোগ যে চৰকাৰে এই ক্ষেত্ৰত যথেষ্ঠ কাম কৰা নাই। যেনেকৈ বিধায়ক গৰাকীয়ে ভাৱে যে আমি বেছিকৈ কৰিছো আকৌ আন লোক সকলে ভাৱে আমি একোৱে কৰা নাই। গতিকে দুয়োটাৰ মাজত বেলেঞ্চ কৰিব লাগে। যিহেতুকে সমস্যাটো আছে, সমস্যাটো থাকিলে অলপ সমধানৰ বাবে যাওতে এনেকুৱা ধৰণৰ দুই এটা বিতৰ্ক চলি থাকিব যাতে নিৰীহ মানুহৰ হাৰাশাস্তি নহয়, তাৰ বাবে আমি চেষ্টা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, প্ৰশ্নকালীন ঘন্টা সমাপ্ত।

এতিয়া শূণ্যকালীন ঘন্টা। শ্ৰীদেৱব্ৰত শইকীয়া।

**শ্ৰীদেৱব্ৰত শইকীয়া, (নাজিৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, শূণ্যকালীন ঘন্টাত এটা গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰিবলৈ দিয়াৰ বাবে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছোঁ। মহোদয়, আজিৰ আমাৰ অসম আৰু দুদিনমান পূৰ্বে অসম আদিত্য আৰু বিভিন্ন বাতৰি কাকতত 'নাজিৰা, লক্ষ্মীজান, ডিব্ৰুগড়ত চলিছে অবৈধ শিল খনন। ৰাজ্য চৰকাৰে হেৰুৱাইছে কোটি কোটি টকাৰ ৰাজহ' শীৰ্ষক এটা বাতৰি প্ৰকাশ পাইছে। য'ত লক্ষ্মীজান খণ্ড বন বিষয়াই একাংশ বিষয়াৰ পৃষ্ঠপোষকতাত অবৈধ শিল খনন চলি আছে বাবে ৰাজ্যচৰকাৰে মাহে মাহে কোটি টকা ৰাজহ হেৰুৱাব লগা বুলি কোৱা হৈছে। সেই বেপাৰী মাফিয়া আদিয়ে বিভাগৰ সকলো বিষয়া নহয়, একাংশ বিষয়াৰ সহযোগত চৰকাৰৰ কোটি টকা ৰাজহ ফাকী দিছে একে খন টি পি ৰ জৰিয়তে তিনি চাৰিবাৰকৈ তেওঁলোকে শিল সৰবৰাহ কৰে আৰু প্ৰতিদিনে ১০০/১৫০ গাড়ী এনেকৈ শিল সৰবৰাহ কৰাৰ উপৰিও নাগালেণ্ডৰ তুলিলৈ ৪০/৫০ খন গাড়ীয়ে শিল পৰিবহণ কৰে। এনেধৰণে প্ৰায় দৈনিক ১৫০ খন টি পি ৰ বিপৰীতে ১ লাখ ৬৫ হাজাৰ টকা ৰাজহ লাভ কৰে যদিও একেখন গাড়ীয়ে কমেও চাৰিবাৰকৈ শিল পৰিবহণ কৰাৰ ফলত প্ৰায় ৫ লাখ টকাৰ ৰাজহ হেৰুৱাব লগাত পৰে। এনেকৈ প্ৰতিমাহত ডেৰ কোটি টকা ৰাজহ হেৰুৱাব লগীয়া হৈছে বুলি উল্লেখ কৰিছে। ইয়াৰ লগতে কোৱা হৈছে যে শাসকীয়া দলৰ কেইবাজনো নেতা প্ৰশাসনীয় বিষয়া, আৰক্ষী বিষয়া, বন বিষয়াৰ লগত মিলি লক্ষ্মীজান কমলচাপৰি আদি কৰি বহু অঞ্চলত বহুত বহুত অবৈধভাৱে শিল খনন কৰি প্ৰাকৃতিক পৰিৱেশ ধ্বংস কৰাই নহয় নদীৰ গতিপথো সলনি হোৱা পৰিলক্ষিত হৈছে। মহোদয়, এই ক্ষেত্ৰত মই এই বিধান সভাৰ ৮ ফেব্ৰুৱাৰী তাৰিখে সোধা প্ৰশ্নৰ উত্তৰত মোক কোৱা হৈছিল যে পি আই এল এটা ময়ো দিছিলো ২০১৮ চনত, তেতিয়া বিধান সভাত ২০১৬ চনৰ পৰা ইয়াৰ প্ৰতিকাৰ বিচাৰি পোৱা নাছিলো, তাৰ ভিত্তিত ১২ জন বনৰক্ষী নিয়োগ কৰা হৈছে। ইয়াৰ পিছতো কিন্তু এই অবৈধ শিল খনন চলি আছে, তাৰ ফলত চৰকাৰী ৰাজহৰ উপৰিও বানপানীৰ ভয়ৰহতা বৃদ্ধি পাইছে যিহেতু নৈৰ মথাউৰি বিলাকো তেওঁলোকে খান্দি পেলাইছে, যাৰ ফলত নৈ খন এখন সাগৰ সদৃশ হোৱা ব্যৱস্থা হৈছে। তাত স্কুলীয়া ছাত্ৰ-ছাত্ৰী সকলে অহা যোৱা কৰা ৰাস্তা-ঘাট নষ্ট হৈছে। তাত পদূষণ হৈছে ফলত বিভিন্ন ধৰণৰ স্বাস প্ৰস্বাস জনিৰ ৰোগৰ কাৰক বৃদ্ধি পাইছে। ৰাস্তা পদূলি ধ্বংস হোৱাৰ উপৰিও আনকি চাহ বাগিছাত নতুন পুলি ৰুব বুলি কৈ য'ত তিনি মিটাৰ মান খান্দিলেই হয় তাৰ ঠাইত ৩০ মিটাৰ ৪০ মিটাৰ খান্দি বৃহৎ গাঁতৰ সৃষ্টি কৰি পেলাইছে। এই গোটেই বিলাক যোৱা সময়ছোৱাত হৈ থকাৰ বাবে মই বহুবাৰ বিধান সভাত এই বিষয়টো উত্থাপন কৰিছো। মন্ত্ৰী পৰিমল শুক্লবৈদ্য ডাঙৰীয়া, মন্ত্ৰী প্ৰমিলা ৰাণী ব্ৰহ্ম বাইদেউ, তাৰ পৰৱৰ্তী সময়তো আৰু মাননীয় বৰ্তমানৰ বনমন্ত্ৰীয়ে সংসদীয় মন্ত্ৰী হিচাপে প্ৰতিশ্ৰুতি দিছিল এনে অভিযোগ থাকিলে দুঘন্টাৰ ভিতৰত ব্যৱস্থা লোৱা হ'ব। কিন্তু এতিয়াও যিহেতু এই ব্যৱস্থা লোৱা হোৱা নাই, মই যিহেতু ৰাজহৰ লগতে অন্যান্য বহুকেইটা বিষয় জড়িত হৈ পৰিছে, বিশেষ ভাৱে মুখ্যমন্ত্ৰী ভিজিলেন্স বা অন্য কিবা দি তদন্ত কৰি চৰকাৰী ৰাজহ গোট খোৱাৰ লগতে প্ৰাকৃতিক পৰিৱেশ ধ্বংসৰ ৰোধ কৰাকে ধৰি জনজীৱনৰ নিৰপত্তা স্বাস্থ্য ৰক্ষাৰ বাবে কি ব্যৱস্থা ল'ব এই বিষয়ত মন্ত্ৰী মহোদয়ৰ যোগেদি সদনত গুৰুত্বপূৰ্ণ বিষয়টো দৃষ্টি আকৰ্ষণ কৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় বনমন্ত্ৰী।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ বিৰোধী দলপতি দেৱব্ৰত

শইকীয়া ডাঙৰীয়াই যিটো বিষয় উত্থাপন কৰিছে, সেই কথাটো আগতে তেনেকুৱা ধৰণৰ বাতৰি কাকতত প্ৰকাশ হৈছিল আৰু সেই সম্পৰ্কত চৰকাৰৰ ফালৰ পৰা আমি আজিও ৰাতিপুৱা আমাৰ ডি এফ অ' শিৱসাগৰৰ পৰা ৰিপোৰ্ট কিছু লোৱা হৈছে। উক্ত যিটো বিষয় সেই বিষয়টো নাজিৰা, লক্ষ্মীজান, ডিব্ৰুগড়ত চলিত অবৈধ খননৰ যিটো কথা কোৱা হৈছে এইটোৰ ক্ষেত্ৰত দেখা যায় যে আমাৰ নাজিৰা, লক্ষ্মীজান, ডিব্ৰুগড়ত ইতিমধ্যে চাৰিটা মহলত পাৰ্মিট দিয়া আছে। এই পাৰ্মিট বিলাক আচলতে কি হয় Zero ETP ৰ জৰিয়তে পাৰ্মিট বিলাক দিয়া হৈছে। গতিকে নাজিৰা, লক্ষ্মীজান, ডিব্ৰুগড় অঞ্চলত চলিত বৰ্ষত ১৬ টা কৈ চৰকাৰী উন্নয়নৰ বাবে গাওঁ উন্নয়ন আঁচনিৰ ১৬ টা কৈ চৰকাৰী কামৰ বাবে পাৰ্মিচন দিয়া হৈ ছিল। তাৰ ভিতৰত শিৱসাগৰ PWD ৰ অন্তৰ্গত ১২ টা, নাজিৰাত ৩ টা আৰু চৰাইডেউ PWD ত এটা চৰকাৰী শিল খননৰ অনুমোদন অৰ্থাৎ চৰকাৰী পাৰ্মিট দিয়া হৈছে। শিল কঢ়িওৱা প্ৰতিখন বাহন Zero ETP ত চলাচল কৰি আছে। আচলতে বিভাগৰ পৰ্টেলত যি সকলে কাম পাইছে বা তাত শিল লাগে বালি লাগে ইফালে মহলো টেণ্ডাৰ হোৱা নাই, তেনেকুৱা ক্ষেত্ৰত কি হয় আমাৰ পৰ্টেলত তেওঁলোকে পঞ্জীয়ন কৰি ল'ব লাগে। পৰ্টেলত পঞ্জীয়ন কৰাৰ পিছত Zero ETP মানে আমি পইচাটো এতিয়া নলাও, কিন্তু তেওঁলোকক অনলাইন পাৰ্মিট দিয়া হয়। অনলাইন পাৰ্মিট দিয়াৰ পিছত ঠিকাদাৰে যেতিয়া বিল পেমেন্ট কৰে সেই বিলৰ পৰা third schedule ৰ যি প্ৰভিজন সেই প্ৰভিজন মতে ট্ৰেজাৰীয়ে সেই পইচাখিনি কাটি ৰাখে। ঠিক তেনেকুৱা কথাটোহে আচলতে কৰা হৈছে। ৪ টা মহলৰ তাত টেণ্ডাৰ আছে আৰু টেণ্ডাৰ য'ত হোৱা নাই তাত এই উন্নয়ন কামৰ কাৰণে আমাৰ চৰকাৰী পাৰ্মিট দিয়া হৈছে। এইটো সত্য কথা। চৰকাৰী পাৰ্মিট Zero ETPৰ প্ৰয়োজনীয় ভিত্তিত এইটো দিয়া হৈছে। তৃতীয় কথাটো হ'ল যে আমাৰ এতিয়ালৈকে এই Zero ETPৰ দিয়া পাৰ্মিটৰ বিপৰীতে এই চলিত বছৰত আজিৰ দিনটোলৈকে আমি ১,২৯,৬৯,৮০০.০০ টকা চৰকাৰে পাবলৈ সক্ষম হৈছে। আগন্তুক দিনত আৰু সেই পইচা তেনেকৈ পোৱা হ'ব আৰু যিটো কথা আমাৰ বিৰোধী দলপতি ডাঙৰীয়াই কৈছে যে এখন টি পি ৰে এখন গাড়ীয়ে চাৰিবাৰমানকৈ আনে। সেইবাবে আমাৰ আচুতীয়া enforcement এটা আমি কৰি আছো বৰ্তমান আৰু enforcement কৰাৰ ফলত আজি যিটো বিৰোধী দলপতি ডাঙৰীয়াই উল্লেখ কৰিলে যে চাহ বাগিছা অঞ্চলত তেওঁলোকে এনেকুৱা ধৰণৰৰ খননৰ কাম আৰম্ভ কৰিছিল তেতিয়া আমি তাত দাম্পাৰ, জে চি পি আদি ধৰিছো আৰু ধৰি আমি ২ লাখ টকা ফাইনো কৰিছো পৰহি। গতিকে enforcement টো at the same time চলি আছে, আৰু যিখিনি permit actually কামৰ againstত দিয়া হৈছে, এইটো transparent way ত সেই পাৰ্মিটটো দিয়া হৈছে, কাৰণ তেখেতক এটা কথা মই আস্বস্ত কৰো যে মই এজন উচ্চ পদস্থ বিষয়াৰ জৰিয়তে বিষয়টো তদন্ত কৰি ইয়াৰ ব্যৱস্থা এটা ল'ম আৰু কি ব্যৱস্থা ল'ম আমাৰ বিৰোধী দলপতি ডাঙৰীয়াক জনাই দিম।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া ঘোষণা দুটা আছে।

এতিয়া প্ৰথম ঘোষণাটো হ'ল - মাননীয় সদস্য সকলক অৱগত কৰিব বিচাৰিছো যে অসম চৰকাৰে প্ৰকাশ কৰা Statistical Handbook Assam, 2023 and Economic Survey Assam, 2023-24 প্ৰতিবেদন দুখন মাননীয় সদস্য সকলে ব্যৱহাৰৰ বাবে লবীত উপলব্ধ কৰা হৈছে। উক্ত দুয়োখন প্ৰতিবেদন লবীৰ পৰা সংগ্ৰহ কৰি ল'বলৈ মাননীয় সদস্য সকলক আহ্বান জনালো।

দ্বিতীয় ঘোষণা টো হৈছে - আমাৰ ইয়াৰ কাৰ্য্যসূচী আগবেলা সমাপ্ত হোৱাৰ পিছত আমি

পুৰণা গৃহত অধ্যক্ষ মহোদয়ে এখন বৈঠক আহ্বান কৰিছে সকলো সদস্যকে তাত অংশ গ্ৰহণ কৰিবলৈ অনুৰোধ জনালোঁ।

এতিয়া Under Rule 54 , কাৰ্য্যসূচী নং ২। মাননীয় সদস্য জয়ন্ত বসুমতাৰী।

**শ্ৰী জয়ন্ত বসুমতাৰী , বিধায়ক (চিদলী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, এই সময়ত মই মোৰ সমষ্টিবাসীয়ে ভোগী থকা এটা ভয়ঙ্কৰ ৰোগৰ বিষয়ে এই সদনত দৃষ্টি আৰ্কষণ কৰিবলৈ আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ দৃষ্টি আৰ্কষণ কৰিবলৈ মই চেষ্টা চলাইছো। যোৱা ৬ ফেব্ৰুৱাৰীৰ The Assam Tribune কাকতত প্ৰকাশিত পোৱা মোৰ সমষ্টি বিশেষকৈ চিদলী । সেই অঞ্চলবোৰৰ আশে পাশে কৰ্কট ৰোগত আক্ৰান্ত হৈ বহুলোকে নিজৰ জীৱন ত্যাগ কৰিবলগা এই বিষয়টো মই উত্থাপন কৰিছো যে The Assam Tribune কাকতত প্ৰকাশিত পোৱা ভয়ানক ভাবে আক্ৰান্ত কৰ্কট ৰোগ নিয়ন্ত্ৰনৰ বাবে স্বাস্থ্য বিভাগে কি পদক্ষেপ লৈছে, ইয়াক জানিবলৈ বিষয়টো উত্থাপন কৰা হ'ল। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই কৰ্কট ৰোগৰ বিষয়ে সজাগতা অনাৰ লগতে এই ৰোগে মোৰ সমষ্টিত কি কাৰণে বিয়পিছে, ইয়াৰ গৱেষণা তথা ইয়াক প্ৰতিৰোধ কৰাৰ ব্যৱস্থা অতি শীঘ্ৰে ল'ব বুলি বিষয়টো উত্থাপন কৰা হ'ল। মাননীয় উপাধ্যক্ষ মহোদয় বিশেষকৈ মোৰ সমষ্টিত চিদলীত ৮ খন গাওঁ। এই ৮ খন গাওঁ হ'ল চিদলী, সুন্দৰী, টাঙ্গাবাৰী, ফল'বাৰী, টঙ্কৌবাৰী, শিলঘাগৰী, বৈৰাজহৰা আৰু শৌলমাৰী। এই ৮ খন গাৰত যোৱা প্ৰায় ১০ টা বছৰত মুঠ আক্ৰান্ত হৈছিল ৩৭ জন। তাৰে মৃত্যু হ'ল ৩১ জন। সুস্থ হৈছে ৩ জন আৰু চিকিৎসা চলি আছে ৩ জনৰ। maximum cancer **টো** মানুহৰ শৰীৰৰ অংগ বিশেষকৈ esophagus তাতে হৈছিল ১৮ জনৰ আৰু ইয়াৰে চিদলী বুলি যিখন ঠাই আছে তাৰে ১৫ জন ব্যক্তিৰ ইতিমধ্যে মৃত্যুবৰণ কৰিব লগা হ'ল। সেই পৰিয়ালবোৰ হ'ল বি পি এল শ্ৰেণীৰ লোক। বি পি এল আছে, ২৭ জন আৰু এ পি এল আছে ১০জন। সেই ৰোগটো আজি দেখা গৈছে যে ১০ বছৰৰ within the ten years time span ত ৩৭ জন ব্যক্তি কি কাৰণত কেনেকৈ এই ৰোগত আক্ৰান্ত হৈ মৃত্যুবৰণ কৰিব লগা হ'ল। এই ৰোগটো অকল মোৰ সমষ্টিতে নহয়। আমি সকলোৱে জানো যে প্ৰত্যেকটো বিধায়কৰে সমষ্টি বা গোটেই অসম জুৰি এই ৰোগটো ভয়াবহতা এটা ৰূপ ধাৰণ কৰিছে। আমি সকলোৱে জানো যে বিধায়ক সকলৰ ওচৰত ৰোগী সকল আহে। মই যি দেখিছো প্ৰায় ১০ জন বা ১৫ জন তেনেকুৱা ৰোগীৰ মাজত এজন ৰোগী হয়তো কৰ্কট ৰোগত ভোগা। কি কাৰণত ইমানবোৰ বিশেষকৈ এই চিদলী অঞ্চলত এখন গাওঁত এই ১০ টা বছৰত এটা time span ত ১৫ জন ব্যক্তিৰ মৃত্যুবৰণ কৰিবলগা হ'ল তাৰ বাবে সেই সমূহ ইনভেষ্টিগেশ্যনৰ দৰকাৰ আছে বুলি মই ভাবো। হয়তো pesticides বহুতো ব্যৱহাৰ কৰা হৈছে এইটোও কাৰণ হ'ব পাৰে বা পানী বা কিবা খোৱা খাদ্যৰ বাবে হ'ব পাৰে নে কি কাৰণে হৈছে এই গোটেইখিনি কথা যাতে স্বাস্থ্য বিভাগৰ পৰা ইনভেষ্টিগেশ্যন কৰি মোৰ সমষ্টিৰ লগতে গোটেই অসমৰ ইয়াৰ কাৰণটো যাতে জানি তাৰ প্ৰতিৰোধ কৰাৰ কি ব্যৱস্থা ল'ব পৰা যায় বা এটা সজাগতা অনাৰ নিশ্চয়কৈ দৰকাৰ আছে। কাৰণ যিহেতু বিপিএল শ্ৰেণীৰ পৰিয়াল থকা ব্যক্তি হয়, তাৰ কাৰণে তেওঁলোকে যিহেতু আমি জানো যে কৰ্কট ৰোগটো এটা খৰচী চিকিৎসা হয়। যাৰ কাৰণে তেওঁলোকে সেই চিকিৎসাটো ল'ব পৰা নাই। তেখেত সকলে যেনেদৰে সজাগতা অৱলম্বন কৰিব লাগিছিল তেওঁলোকে কৰিব পৰা নাই। তাৰ কাৰণে হয়তো মৃত্যুৰ হাৰটো বেছিকৈ হৈ আছে। তাৰ বাহিৰেও হয়তো কি কাৰণত তেওঁলোকে মৃত্যুবৰণ কৰিব লগা হ'ল তাৰ কাৰণে আপোনাৰ জৰিয়তে অসম চৰকাৰ তথা আমাৰ বিভাগীয় মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছো। এই পবিত্ৰ সদনত মই দৃষ্টি আৰ্কষণ কৰিছো যে কি কাৰণে

ইমান এইৰোগটো বিয়পিব পাৰিলে, ইয়াক এটা গৱেষণা কৰা যাওঁক। প্ৰতিৰোধ কৰাৰ কাৰণে যাতে অতি শীঘ্ৰে ব্যৱস্থা ল'ব পৰা যায় তাৰ কাৰণে মই দৃষ্টি আৰ্কষণ কৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** ঠিক আছে, Esophageal Cancer যিটো কৈছে এইটো খাদ্যভাষৰ কাৰণে হয়। পচোৱা তামোল খুব খাই নেকি বা বাঁহগাজ খাই নেকি? এইটো এটা কাৰণ হ'ব পাৰে- Esophageal Cancer ৰ। এতিয়া জাকিৰ হুছেইন সিকদাৰ। আপুনি খুব সোনকালে শেষ কৰিব।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, বিধায়ক ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ৰুল ৫৪ ৰ জৰিয়তে কৰ্কট ৰোগৰ ওপৰত মাননীয় স্বাস্থ্যমন্ত্ৰীক দৃষ্টিআৰ্কষণ কৰি ইয়াৰ ওপৰত বিশেষ ব্যৱস্থা লোৱাৰ কাৰণে যি আলোচনা চলি আছে, তাত ভাগ লোৱাৰ বাবে সুযোগ দিয়াৰ কাৰণে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। মাননীয় উপাধ্যক্ষ মহোদয় সমগ্ৰ বিশ্বত বছৰি প্ৰায় ১ কোটি ৯০ লাখ নতুন কৰ্কট ৰোগী চিনাক্ত হয়। আমি যদি ভাৰতৰ প্ৰেক্ষাপটত দেখো তাতে লাখ লাখ নতুন ৰোগী চিনাক্ত হয়। আৰু অসমত প্ৰায় প্ৰতি বছৰে ৩৪ হাজাৰতকৈ অধিক ৰোগী কৰ্কট ৰোগী হিচাপে চিনাক্ত হয়। এই পবিত্ৰ বিধান সভাত কৰ্কট ৰোগক লৈ বিভিন্ন সময়ত আলোচনা চলি আছে। সমগ্ৰ বিশ্বত বিভিন্ন বেমাৰ আজাৰে মানৱ জাতিক আক্ৰান্ত কৰে। তাৰ কাৰণে চিকিৎসা বিজ্ঞানী সকলে বিভিন্ন ধৰণৰ দৰৱ আৱিষ্কাৰ কৰি তাক প্ৰতিৰোধ কৰিছে। কিন্তু এতিয়াও সমগ্ৰ বিশ্বত চিকিৎসা বিজ্ঞানী সকলে বা আমি মানৱ জাতিয়ে কৰ্কট ৰোগৰ লগত আমি পৰাজয়বৰণ কৰি আছো সম্পূৰ্ণ ভাবেও বা ক'ৰবাত ক'ৰবাত আমি জয়ী হলেও সম্পুৰ্ণৰূপে কৰ্কট ৰোগক আমি পৰাজয়বৰণ কৰিব পৰা নাই। এই কৰ্কট ৰোগে আমাৰ অসমত আৰু বিশেষকৈ নামনি অসমত আপুনি গুৱাহাটীৰ পৰা যদি পশ্চিম দিশত দেখে সকলোতকৈ ইয়াৰ প্ৰভাৱ বেছি। অলপ আগতে মাননীয় সদস্য এজনে নিজৰ সমষ্টিৰ কথা ইয়াত উল্লেখ কৰিছে। গতিকে সময়ৰ প্ৰতি লক্ষ্য ৰাখি আপুনি যিহেতু কম সময়ৰ কথা কৈছে, ইয়াত দীঘলীয়া আলোচনা হ'ব লাগে। কেৱল আপোনাক অনুৰোধ জনাওঁ ইয়াৰ বিষয়ে এদিন এটা আমি দীঘলীয়া আলোচনাৰ প্ৰয়োজন আছে, কাৰণ এই কৰ্কট ৰোগীৰ জৰিয়তে অসমত কিমান পৰিয়াললৈ ঘোৰ অন্ধকাৰ নামি আহিছে। কিমান পৰিয়াল এই বেমাৰ হোৱাৰ পাছত যেনেকৈ ৰজা প্ৰজা হৈ যায়, নদীৰ গড়াখহনীয়াই যেনেকৈ জমিদাৰক ফকীৰ কৰি পেলাই, ঠিক তেনেকৈ এই কৰ্কট ৰোগে অসমৰ হাজাৰ হাজাৰ পৰিয়াললৈ কিমান দুখ নমাই আনিছে। মাননীয় উপাধ্যক্ষ মহোদয়, এই বেমাৰ আমি প্ৰতিৰোধ কৰিব লাগিব। স্বাস্থ্য বিভাগে এই বেমাৰকলৈ সময়ে সময়ে সজাগতা কৰে, আৰু সেই সজাগতাখিনিয়েই আমাক মানুহক আৰু সজাগ কৰি তুলিব। অতিপাত ধপাঁত সেৱনৰ পৰা আৰম্ভ কৰি পানীৰ বিভিন্ন উষ্ণতা, বিভিন্ন কাৰণত, গছ গছনি কমি আহিছে, নদীৰ পানী কমি আহিছে, জলবায়ুৰ পৰিবৰ্তন হৈছে, এনেকুৱা বিভিন্ন কাৰণত আজি কৰ্কট ৰোগে আমাৰ মানৱ জাতিক আক্ৰান্ত কৰি আহিছে। অসমৰ মানুহক আক্ৰান্ত কৰি আহিছে। গতিকে ইয়াক আমি কেনেকৈ প্ৰতিৰোধ কৰিব পাৰো? এই ৰোগীৰ যিহেতু সম্পুৰ্ণৰূপে এনেকুৱা দৰব নিৰ্মাণ হোৱা নাই বা বিভিন্ন চিকি ৎসক সকলে তেনেকুৱা দৰৱ আৱিষ্কাৰ কৰিব পৰা নাই যাৰ জৰিয়তে কৰ্কট ৰোগ ভাল হয়। গতিকে ইয়াৰ পৰা আমি কেনেদৰে বাছি থাকিব পাৰো, তাৰ কাৰণে স্বাস্থ্য বিভাগে অধিক সজাগ হ'বৰ হ'ল। আজিৰ তাৰিখলৈকে স্বাস্থ্যবিভাগে কৰ্কট ৰোগীক লৈ যিখিনি সজাগ হৈছে, সেইখিনিত কিন্তু মই ভাবো যে সম্পুৰ্ণভাৱে মানুহক সজাগ কৰিবলৈ যিখিনি প্ৰচেষ্টা তেওঁলোকে কৰিব লাগে, ক'ৰবাত নহয় ক'ৰবাত সেই প্ৰচেষ্টা কমি আছে। গতিকে মাননীয় স্বাস্থ্যমন্ত্ৰী মহোদয়ক আহ্বান জনাম যে এই বেমাৰৰ পৰা হাত

সাৰিবলৈ, সেই বেমাৰত যাতে মানুহ আক্ৰান্ত নহয়, তাৰ পৰা বাচিবলৈ তেওঁলোকে উপযুক্ত ব্যৱস্থা সহ ক্ষীপ্ৰতাৰে কৰে তাৰ বাবে তেখেতক অনুৰোধ জনাইছো। মাননীয় উপাধ্যক্ষ মহোদয়, আপুনি এজন চিকিৎসক। গতিকে এই বিলাকৰ বিষয়ে আপুনি আমাতকৈ আৰু বেছি ভালকৈ জানে। এই বেমাৰত আক্ৰান্ত হোৱাৰ লগে লগে মানুহখিনি হস্পিতাললৈ যায়। কৰ্কটৰ আজি কালি টাটাৰ লগত অসম চৰকাৰে চুক্তি কৰি বিভিন্ন হস্পিতাল খুলিছে কৰ্কট ৰোগৰ কাৰণে। মানুহখিনি তাত চিকিৎসা গ্ৰহণ কৰি আছে। এটা সময়ত সকলোৱে বাহিৰলৈ গৈছিল। এতিয়া অসমতে কিছু চিকিৎসা উপলব্ধ হৈছে, কিন্তু কৰ্কটৰোগৰ উন্নতমানৰ চিকিৎসা এতিয়াও অসমত উপলব্ধ নহয়। যিসমূহ পৰিয়ালৰ লোক কৰ্কট ৰোগত আক্ৰান্ত সেই পৰিয়াল সমূহে এতিয়াও ৰোগী সকলক উন্নত চিকিৎসাৰ বাবে অসমৰ বাহৰলৈ লৈ যাবলগীয়া হৈছে। হাজাৰ হাজাৰ ৰোগী অসমৰ বাহিৰলৈ যাব লগীয়া হৈছে। মাননীয় উপাধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয় আৰু অসম চৰকাৰক অনুৰোধ জনাম যে মুম্বাইত যি টাটা হস্পিতাল আছে বা চেন্নাইত যি সমূহ হস্পিতাল আছে, তাত যি সমূহ যন্ত্ৰপাতি বা যিসকল ভাল ভাল চিকিৎসক আছে সেইসকলক আনিব লাগে আৰু আমাৰ যিসমূহ চিকিৎসালয় আছে সেইবোৰ উন্নত মানৰ কৰিব লাগে যাতে আমাৰ অসমৰ কৰ্কট ৰোগত আক্ৰান্ত ৰোগী সকলে ইয়াতেই চিকিৎসা গ্ৰহণ কৰিব পাৰে। কৰ্কট ৰোগত যিসকল আক্ৰান্ত হয় তেওঁলোকে চিকিৎসাৰ বাবে বহুত ধন ব্যয় কৰিব লগীয়া হয়। চৰকাৰী ভাৱে পোৱা আয়ুস্মান কাৰ্ডৰ জৰিয়তে বা বিভিন্ন আঁচনিৰ জৰিয়তে যিখিনি সুবিধা পায় সেইখিনিয়েই যথেষ্ট নহয়। কৰ্কট ৰোগত যিসকল আক্ৰান্ত হয় তেওঁলোকে নিজৰ মাটি-বাৰী, সম্পত্তি বিক্ৰী কৰি ইয়াৰ চিকিৎসা কৰিব লগীয়া হয়। মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয় আৰু অসম চৰকাৰক অনুৰোধ জনাইছো যে এই কৰ্কট ৰোগৰ চিকিৎসাৰ সম্পূৰ্ণ খৰচ বিনামূলীয়া কৰিব লাগে। এইক্ষেত্ৰত চৰকাৰে যাতে ব্যৱস্থা গ্ৰহণ কৰে।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰী কেশৱ মহন্ত, (স্বাস্থ্যমন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি আমাৰ সন্মানীয় দুগৰাকী বিধায়কে দুইধৰণে বিষয়টো আনিছিল কিন্তু এই বিষয়টো গুৰুত্বপূৰ্ণ বাবে মাননীয় অধ্যক্ষ মহোদয়ে বিষয় দুটা একেলগ কৰি দিলে। মাননীয় বিধায়ক শ্ৰী জয়ন্ত বসুমতাৰী ডাঙৰীয়া আৰু মাননীয় বিধায়ক শ্ৰী জাকিৰ হুছেইন শিকদাৰ ডাঙৰীয়াই অনা এই বিষয়টো আৰু মাননীয় অধ্যক্ষ ডাঙৰীয়াই ইয়াৰ বাবে অনুমতি দিয়াৰ বাবে মই ধ্যন্যবাদ জনাইছো। এই অতি গুৰুত্বপূৰ্ণ বিষয়টো সদনত আলোচনা কৰাৰ যিটো থল আহিছে তাৰ কাৰণে মই সকলোকে ধন্যবাদ জনাইছো। এই বিষয়টো প্ৰত্যেকৰে জ্ঞাত আৰু আমি এই বিষয়টোৰ লগত প্ৰত্যেকজন জড়িত কাৰণ ৰাজহুৱা জীৱনত সদায় আমি তেনে ব্যক্তি লগ পাই আছো তেওঁলোকক সহায় কৰিছো। আমি যদি চাওঁ অসমত প্ৰতি বছৰত প্ৰায় ৫০ হাজাৰ নতুন কৰ্কট ৰোগী চিনাক্তকৰণ হৈ আছে। ইয়াৰ ভিতৰত দৰং, কামৰূপ আৰু চিৰাং জিলাত এই ৰোগৰ প্ৰকোপ বেছি। আজি চিৰাঙৰ ওপৰত বিশেষভাৱে এটা প্ৰশ্ন আনিছে। সেইটোৰ ওপৰতো মই ক'ম। এই যি ৫০ হাজাৰ ৰোগী চিনাক্তকৰণ হয় তাৰ ভিতৰত ৭০ শতাংশ মানুহৰে এই ৰোগটো পলমকৈ চিনাক্তকৰণ হৈছে। পলমকৈ চিনাক্তকৰণ হোৱাৰ বাবে এই ৰোগৰ চিকিৎসা কৰিলেও তেখেত সকলে যিদৰে এই ৰোগৰ পৰা উপশম হ'ব লাগে সেইধৰণে উপশম নহয়। এই বিষয়টো তেখেত সকলে কেইবা ধৰণে উত্থাপন কৰিছে। আমি স্ক্ৰীণিঙৰ ক্ষেত্ৰত আমাৰ NSHM ৰ তৰফৰ পৰা আমি এই তিনিবছৰৰ ভিতৰত ১ কোটি লোকক স্ক্ৰীণিং কৰিবলৈ আঁচনি লৈছো আৰু ইতিমধ্যে কাম আগবাঢ়ি গৈ আছে। আমাৰ কেইবাটাও

NGO আছে। এই NGO সমূহেও testing আৰু এইক্ষেত্ৰত সজাগতাৰ কথা কৈ আছে। ভুৱনেশ্বৰ বৰুৱা কেঞ্চাৰ ইন্সটিটিউটে কেন্দ্ৰীয় চৰকাৰৰ সাহৰ্য্যত এটা স্কীম লৈছিল। মই তাত গৈছিলো। এই স্কীমৰ জৰিয়তে তেওঁলোকে কামৰূপ জিলাত ১ লাখ স্ক্ৰীণিং কৰিবলৈ লৈছে আৰু প্ৰায় ৪০ হাজাৰ কৰা হৈছে। ইয়াত ব্যক্তিগত চিকিৎসালয়, চৰকাৰী চিকিৎসালয় বা আমাৰ টাটা ট্ৰাষ্টৰ লগত হোৱা হস্পিতাল, ভাৰত চৰকাৰৰ অধীনত থকা কেঞ্চাৰ ইন্সটিটিউট সকলোৰে মিলি এইক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিবলৈ চেষ্টা কৰিছো। ইয়াত মাননীয় বিধায়ক শ্ৰী জাকিৰ হুছেইন ডাঙৰীয়াই এটা কথা কৈছে যে হাজাৰ হাজাৰ ৰোগী কেঞ্চাৰ ৰোগৰ চিকিৎসাৰ বাবে বাহিৰলৈ গৈ আছে। কিন্তু মই আজিৰ দিনত ক'ব বিচাৰিছো যে হাজাৰ হাজাৰ মানুহ বাহিৰলৈ যাবলগীয়া হোৱা নাই। কাৰোবাৰ টকা-পইচা আছে বা মনত কিবা চিন্তা আছে যে মই বেলেগলৈ গ'লে ভাল হ'ব। তেওঁক যদি টাটা মেমোৰিয়েললৈ পঠিয়াইছে তেতিয়াহ'লে তেওঁক dialysis কৰাই পুনৰ অসমতেই চিকিৎসা গ্ৰহণ কৰিবৰ বাবে ঘূৰাই পঠায়। যি হাজাৰ হাজাৰ মানুহ গৈছে সকলোকে অসমতেই চিকিৎসা গ্ৰহণৰ বাবে ঘূৰাই পঠিয়াইছে। বৰ্তমানৰ আমাৰ মুখ্যমন্ত্ৰী গৰাকী কেঞ্চাৰ ফাউণ্ডেশ্যনৰ চেয়াৰমেন। আজি আমি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ দিব লাগিব কিয়নো তেওঁ স্বাস্থ্যমন্ত্ৰী হৈ থাকোতেই কেঞ্চাৰ ৰোগীৰ চিকিৎসাৰ কাৰণে যিখিনি ব্যৱস্থা গ্ৰহণ কৰিছিল, যেনে কেঞ্চাৰ ৰোগৰ চিকিৎসাৰ বাবে যিখিনি মেছিনৰ প্ৰয়োজন সেই মেছিনখিনি আগতে আমাৰ অসমৰ কোনো হস্পিতালতেই নাছিল। কেম' থেৰাপী মেছিন, ৰেডিয়েশ্যনৰ কাৰণে PET-CT, MRI, Bake therapy আদি যিখিনি চিকিৎসাৰ কাৰণে আমি বাহিৰলৈ যাবলগীয়া হৈছিল সেইখিনি মেছিন এতিয়া আমাৰ প্ৰত্যেকখন হস্পিতালতেই আছে। যি সাতখন কেঞ্চাৰ ইন্সটিটিউট যোৱাবাৰ আমি আৰম্ভ কৰিলো, যিকেইখন হস্পিতাল মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াই উদ্বোধন কৰিলে তাতেই এই সকলোখিনি মেছিন আছে। তাৰ ভিতৰত ডিব্ৰুগড় আৰু গুৱাহাটীত অতিৰিক্ত ভাৱে দুটামান মেছিন বেছিকৈ আছে। এতিয়া আমাৰ ইয়াতেই এই সকলোখিনি চিকিৎসা হয়। এই হস্পিতাল বিলাকত বহুখিনি বাহিৰৰ পৰা অনা ডাক্তৰেই আছে। আমাৰ ইয়াত পৰ্য্যাপ্ত নোহোৱাৰ কাৰণে তেওঁলোকক অনা হৈছে। এই গোটেই বিষয়টোত আমি যথেষ্টখিনি আগুৱাই গৈছো। ইয়াত চিডলিৰ কথা বিশেষকৈ সুধিছে। আমাৰ ডাটা সমূহ সমষ্টি ভিত্তিত নাহে, জিলা ভিত্তিত আহে। তথাপি আমি চিডলি হিচাপে উলিয়াই চাইছো। চিডলিত আমি যেতিয়া test কৰাইছো তেতিয়া দেখিছে তাত অ'ৰেল যিটো কেঞ্চাৰ সেইটো ১৯,৭০৫ টা, স্তন কেঞ্চাৰৰ ক্ষেত্ৰত আমি স্ক্ৰীণিং কৰাইছিলো ৯১১৬ টা, চাৰভাইকেল কেঞ্চাৰৰ ক্ষেত্ৰত ৪৬২ টা কৰাইছিলো। মুঠতে ২৯,২৮৩ টা প্ৰায় ৩০ হাজাৰ স্ক্ৰীণিং আমি চিদলীত কৰিছো। এতিয়া গোটেই অসমত আমি দেখিছো oral cancer ৰ ক্ষেত্ৰত ৫৭,০৭৩ টা, তাৰ পিছত breast cancer ৰ ক্ষেত্ৰত ২৮ লাখ আৰু cervical cancer ৰ ক্ষেত্ৰত ২ লাখ, এইখিনি গোটেই অসমৰ ক্ষেত্ৰত screening হৈছে। কোকৰাঝাৰ জিলাত যিখন Assam Cancer Care Foundation Hospital আছে, তাত দেখিছো যোৱা বছৰ ৮৫৯ জন ৰোগী চিনাক্ত কৰণ কৰা হয়। ইয়াৰ বহু সংখ্যক ৰোগী চিৰাং জিলাৰ আছিল, এইখিনি ২০২১ -২২ চনৰ কথা। ২০২২-২৩ চনত ৭৫২ জন ৰোগী পাইছো। এতিয়া আপুনি যিটো সুধিছে, এই বছৰৰো ডিচেম্বৰ মাহলৈকে ঠিক সেই গতিতে পাই আছো। অসমৰ আটাইখিনিৰ ক্ষেত্ৰতে ৭ খন ঠাইত ডিব্ৰুগড়, বৰপেটা, যোৰহাট, লক্ষিমপুৰ, তেজপুৰ, মঙ্গলদৈ আৰু কোকৰাঝাৰত কেন্সাৰ হস্পিতাল চলি আছে। গুৱাহাটীত State Cancer Institute চলি আছে আৰু শিলচৰত এক মাহৰ ভিতৰত আৰম্ভ কৰিম, তাত সকলো কাম

সম্পূৰ্ণ হৈছে। ডিফুৰ construction ৰ কাম আৰম্ভ হৈছে, এইটো এটা বছৰৰ ভিতৰত সম্পূৰ্ণ হ'ব। ইয়াৰ বাহিৰে  ধুবুৰী, নলবাৰী, নগাঁও, গোলাঘাট, শিৱসাগৰ, তিনিচুকীয়া, গোৱালপাৰা (গোৱালপাৰাত land issue এটা আছে) নিৰ্মাণ হৈ আছে। গতিকে এতিয়া যিখিনি চলি আছে, তাৰ বাদেও বাকী সাতখন কৰি ১৭ খন হস্পিতাল এবছৰৰ পৰা ডেৰ বছৰৰ মানৰ ভিতৰত সম্পূৰ্ণ হ'ব।

ইয়াৰ উপৰিও কেন্দ্ৰীয় চৰকাৰৰ তৰফৰ পৰা বি বৰুৱা কেন্সাৰ institute ত সকলোধৰণৰ সা-সুবিধা দিয়া হৈছে আৰু অসম চৰকাৰৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে তাত ভ্ৰমণ কৰিবলৈ যাওঁতে ৰাজ্য চৰকাৰৰ ফালৰ পৰাওঁ দুই এটা তাত support দিছে, সেই ধৰণে মেচিনাৰীৰ ক্ষেত্ৰত সহায় কৰিছে।

তাৰ পিছত গোটেইখিনিত screening জৰিয়তে ৰোগ নিৰাময়ৰ কথাটো ensure কৰিছো আৰু সেই ক্ষেত্ৰত আমি যথেষ্ট ধৰণে ব্যৱস্থা গ্ৰহণ কৰিছো।

ইয়াতে এটা কথা কৈছে যে ৰোগী সকলৰ চিকিৎসাৰ অভাৱ, যথেষ্টখিনি তেওঁলোকে হাৰাশাস্তি হৈছে। আমি যিটো হিচাপ দেখিছো, সেই হিচাপত আমি এটা কথা পাইছো যে ৰোগী সকলৰ আমাৰ যিখন কাৰ্ড, সেই কাৰ্ড খন হৈছে প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনা আৰু মুখ্যমন্ত্ৰীৰ জন আৰোগ্য যোজনা, এই কাৰ্ডখনৰ পৰা ইতিমধ্যে বহুখিনি লোকে এই ক্ষেত্ৰত সহায় পাইছে আৰু ইয়াৰ পৰা যথেষ্টখিনি ৰোগীৰ চিকিৎসা হৈছে। আপোনালোকে কৈছে যে এই কাৰ্ড শেষ হৈ গলে কি হ'ব, তাত যদি আৰু টকা পইচা লাগে আৰু কাৰোবাৰ হয়তো কাৰ্ড নাই, তেখেতে নিজৰ সামৰ্থৰে চিকিৎসা কৰিছে। আমি এটা কথা নিশ্চিত কৰিছো যে কোনো লোক টকা পইচাৰ অভাৱত চিকিৎসালয়ৰ পৰা চিকিৎসা নকৰাকৈ ঘুৰি আহিব নালাগে। আমি তেতিয়া এটা ফেডাৰেল বেংকৰ লগত বন্ধোবস্তি কৰি CSR ব্যৱস্থা কৰিছো, যাতে তেওঁৰ বাকী চিকিৎসাখিনি সম্পূৰ্ণ কৰি দিব পাৰো।

গতিকে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে, এনেকুৱা এটা ensure কৰিছে যে কাৰ্ড লৈ যাওঁক, নিজৰ টকা পইচাৰে কৰক , তাৰ পিছতো যদি তেওঁ অসামৰ্থ হয়, তেতিয়া হলে তেওঁ যাতে টকা পইচাৰ অভাৱত ঘুৰি আহিব নালাগে, তাৰ সকলোখিনি ব্যৱস্থা ইতিমধ্যে কৰা হৈছে আৰু এই কথাটো আজি মই নিশ্চিত কৰি দিবলৈ বিচাৰিছো, লগতে আপোনালোকে সদনত যিখিনি কথা আনিছে, সেইখিনিৰ ক্ষেত্ৰত মই সদনত প্ৰতিশ্ৰুতি দিবলৈ বিচাৰিছো যে আমি এখন hand book বা digital form তে হওঁক, information data হিচাপে, যিমান কেইখন হস্পিতাললৈ যায়, গোটেইখিনি information পাব, লগতে ৯৪ বিধ ঔষধ বিনামূলীয়া দি থকা হৈছে। গতিকে কোনখিনি আমাৰ তাত available আছে, কোনখিনি চৰকাৰী ভাৱে free দি থকা হৈছে, কোনখিনি আমি সহায় কৰি আছো, সেই hand book খন পালে যাতে গোটেই ৰাজ্যখনৰ সকলো মানুহে সেইখিনি বুজি পাই, সেইখন ওলোৱাৰ পিছত মই প্ৰত্যেকজন সন্মানীয় বিধায়কৰ ঠিকনাত পঠাম যাতে আপোনালোকে গোটেই information খিনি আপোনালোকৰ ওচৰলৈ অহা যিকোনো ৰোগীক সহায় কৰিব পাৰে, এইখিনি কথা অনুৰোধ ৰাখিলো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ।

**শ্ৰী জয়ন্ত বসুমতাৰী, (চিদলী)** ঃ কেন্সাৰৰ ক্ষেত্ৰত সজাগতা সভা হয়তো কৰিব লাগে।

**মাননীয় উপাধ্যক্ষ** ঃ awarness লওঁক, কিন্তু awarness লগত motivation is most important. awarness কৰাৰ পিছত যদি ৰোগী গৰাকী নাযায়, তেতিয়া হলে early de-

tection আৰু treatment most important for cancer.

**শ্ৰী জয়ন্ত বসুমতাৰী, (চিদলী)** ঃ মন্ত্ৰী মহোদয়ক মই আহ্বান জনাইছো, কিয়নো মই যিটো data দিছো, তাত Esophagus কেন্সাৰে বেছি হয়। কি কাৰণে Esophagus কেন্সাৰ হ'ব পাৰিছে, ইয়াৰ কাৰণে যদি সজাগতা সভা নহয়, কাৰণ মানুহে তামোল জাতীয়, চুপাৰী জাতীয় বস্তু বা ---.

**মাননীয় উপাধ্যক্ষ** ঃ Esophagus cancer ৰ কাৰণ বিলাক ইতিমধ্যে প্ৰকাশ পাইছে, আপুনি প্ৰথমতে খাদ্যভাস চাব লাগিব। পছোৰা তামোল খাই নেকি ? খৰম খানা যদি অতি সোনকালে খাই পেলাই, তেতিয়াও এটা ইয়াৰ কাৰণ হ'ব পাৰে।

**শ্ৰী কেশৱ মহন্ত, (স্বাস্থ্য বিভাগৰ মন্ত্ৰী)** ঃ এই ক্ষেত্ৰত খাদ্যভ্যাসটো আছে। উপাধ্যক্ষ মহোদয়ে কোৱা কথাখিনিও আছে আৰু genetic কথা আছে। এই গোটেই কথাখিনিৰ ক্ষেত্ৰত এতিয়া research হৈ আছে, এটাৰ পিছত এটা কাৰণ ওলাই আছে। কাৰণ সমূহ বাখ্য দিবলৈ গলে বহুত সময় লাগিব। মোৰ হাতত তথ্য খিনি আছে। সময়ৰ নাটনি, ভৱিষ্যতৰ দিনত আলোচনা কৰিবলৈ বহল সময়ৰ সুবিধা দিলে ভালকৈ আলোচনা কৰিব পাৰিম।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী ডাঙৰীয়াই যিটো hand book ৰ কথা কৈছে, তাৰ বাবে মই ধন্যবাদ জনাইছো। মই এটা কথা মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে তেখেতে যে কৈছে টকাৰ কাৰণে কোনো ৰোগীয়ে ঘুৰি আহিব নালাগে, কাৰ্ডৰ টকা বা তেওঁৰ নিজৰ পইচা শেষ হৈ গ'ল, গতিকে সেই ৰোগীজনে টকা শেষ হৈ যোৱাৰ পিছত সেই ৰোগী জনে কি পদ্ধতিত আগবাঢ়িব, তাৰ বিষয়েও মন্ত্ৰী ডাঙৰীয়াই যাতে এতিয়া নকলেও পিছত যাতে বিতংভাৱে সন্মানীয় বিধায়ক সকলৰ লগতে বিভাগলৈ প্ৰেৰণ কৰে, তাৰ কাৰণে অনুৰোধ জনাইছো।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া কাৰ্য্যসূচী নং ৪, under Rule 301, সন্মানীয় সদস্য শ্ৰী মৃণাল শইকীয়া।

**শ্ৰী মৃনাল শইকীয়া, খুমটাই** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই যিটো বিষয়বস্তুটো উত্থাপন কৰিব খুজিছো, সেই বিষয়বস্তুটো আগতেও মইও উত্থাপন কৰিছো সদনত আৰু আন্যান্য বহুতো সন্মানীয় সদস্যই উত্থাপন কৰিছে। কিন্তু এই বিষয়টো যিমান গুৰুত্ব সহকাৰে চৰকাৰে ল'ব লাগিছিল সেই তেনেকুৱা ধৰণে মই চৰকাৰৰ চিন্তা কৰাটো পৰিলক্ষিত হোৱা নাই। বিষয়টো হৈছে অসমৰ বিভিন্ন ঠাইত দিনক দিনে বৃদ্ধি পোৱা বন্য প্ৰাণী আৰু মানুহৰ জীয়াৰ থকাৰ সংগ্ৰাম। বহুতে সংঘাত বুলিয়ে কয়, মই সংগ্ৰাম বুলিয়ে ক'ব খুজিছো। কৰবাত যদি হাতী ওলাইছে, হাতীৰ কাৰণে যদি কৰবাত খেতি-বাতি কৰিব পৰা নাই মানুহে কৰবাত আকৌ গাৰে গাৰে বান্দৰে অধিগ্ৰহণ কৰিছে। গাৱঁৰ পিছত গাৱ বান্দৰে দখল কৰা বুলি ক'ব পাৰি। কৰবাত কেতিয়াবা দেখা গৈছে যে বাঘে আমাৰ জনঅৰণ্যত আহি ঘুৰি ফুৰিছে, বন অৰণ্য এৰি। কৰবাত ম'হ, দেৰগাৱঁত আকৌ ভালুকো মাজতে ওলাইছিল। প্ৰথম ওলাইছে ভালুক। বিভিন্ন ঠাইত গৈ বিচৰণ কৰি ফুৰিছে ভালুক। বহুতে কয়, খুৰেই বেয়া, মানুহে আমাৰ বন ধ্বংস কৰিছে, আমাৰ encroach কৰাৰ কাৰণে যিবিলাক বন্যপ্ৰাণীৰ স্থান, সেইবিলাক আমি নাইকিয়া কৰাৰ কাৰণে আমাৰ অঞ্চলত গুচি আহিছে, হৈছে সত্য কথা। দুখৰ কথাটো হ'ল কি যিসকলে বন ধ্বংস কৰিছে, বনাঞ্চল encroach কৰি তাত বাস কৰিছে বা ব্যৱসায় কৰিছে, সেই সকল কিন্তু নিশ্চিন্ত মনে আছে। তাত গৈ হাতীয়েই হওঁক, বাঘেই হওঁক উৎপাত কৰাগৈ নাই। হাতী, বাঘ এইবিলাক ক'ত আমাৰ revenue village তাত আহিছে।

আজি মই গোলাঘাট জিলাতে বৃহত্তৰ মৰঙী আৰু চিলাতুলি অঞ্চলত হাতীৰ কাৰণে বহুবিঘা মাটি মানুহে খেতি নকৰাকৈয়ে এৰি দিবলগীয়া হৈছে। মোৰ সমষ্টিত বহু বিঘা মাটি বান্দৰৰ কাৰণে খেতি-বাতি কৰিব নোৱাৰা অৱস্থা হৈছে। বান্দৰৰ সমস্যাটো এনেকুৱা বেছি হৈছে যে আমাৰ উজনি অসমত এখন এখন বাৰী থাকে সেই বাৰীতে খেতি-বাতি কৰি শাক-পাচলি কৰি নিজে খোৱাৰ উপৰিও বাহিৰত বেচিব পৰা হৈছিল এটা সময়ত। কিন্তু এতিয়া ঘৰত খাবলৈ জলকীয়াও এটা কৰিব নোৱাৰা হ'লো। ঘৰৰ ভিতৰৰ পৰা পেচাৰ কুকুাৰ লৈ যায় আৰু এটাইতকৈ আচৰিত কথা যে বান্দৰ এতিয়া নিৰামিষভোজী হৈ থকা নাই। নিৰামিষভোজী নহয়, আমিষভোজীলৈ ৰপান্তৰিত হৈছে। কাৰণ মানুহে পেলাই দিয়া বস্তু খাই খাই এনেকুৱা হৈছে যে বান্দৰ বিলাকে পাৰ মাৰি নিজে নিজে খোৱা দেখিছো। গতিকে এতিয়া এটা ভয়ংকৰ বিপদ আহি পৰিছে। এতিয়া আমি এই বিষয়ত চিন্তা নকৰো, মই এইখন সদনতে এটা প্ৰশ্ন উত্তৰত পাইছো যে গোলাঘাট জিলাত বান্দৰ আৰু হাতীৰ উপদ্ৰপৰ বাবে ৬ হাজাৰ ৩ শ ৭৫ বিঘা মাটি খেতি নকৰাকৈ পেলাই থবলগীয়া হৈছে। ৬ হাজাৰ ৩ শ ৭৫ বিঘা মাটি ১০ বছৰৰ পিছত এই সংখ্যাটো double হ'ব। তাৰপাছত আৰু double হ'বগৈ। তাৰপিছত আৰু দুৰ্ভিক্ষ মাতি আনিব। ইয়াৰ যদি আমি গুৰুত্ব সহকাৰে নলওঁ, যদি ইয়াত উত্তৰ দি থৈ দিয়ে, তেনেহ'লে ভৱিষ্যতে ইয়াৰ সমস্যাৰ সমাধান কৰিব নোৱাৰিব। কাৰণ আগতে মই প্ৰশ্নকৰিছো আৰু বেলেগেও প্ৰশ্ন কৰিছে। মাননীয় বনমন্ত্ৰী আগতে উত্তৰ দিছে বা আজিও উত্তৰ দিব। উত্তৰ দিয়াৰ পাছত সেইটো কথা আৰু সকলোৰে পাহৰি যায়। কিন্তু তেনেকুৱা হ'লে কিন্তু মই কৈছো এটা ভয়ংকৰ এটা ইংগীত যি ৬ হাজাৰ ৩ শ৭৫ বিঘা মাটি কেৱল গোলাঘাট জিলাত। গোটেই অসমত হিচাপ কৰিলে কিমান লাখ বিঘা ওলাব ঠিক নাই। সেই কাৰণে আমাৰ বহুত দেশতে এনেকুৱা সমস্যা আছে। আজি অষ্ট্ৰেলিয়াত কি হৈছে, অষ্ট্ৰেলিয়াত কেংগাৰুৰ খুৱ উৎপাত। কেংগাৰু এটা খুৱ ধুনীয়া জন্তু। ইয়াত বস্তাৰ নিচিনা পেটত জন্ম পাই থাকে কেচুৱা বিলাক সোমাই থাকে। কেংগাৰুৰ ইমানেই অত্যাচাৰ হৈছিল যে এবছৰত কিমান মিলিয়ন কাংগাৰু তেওঁলোকে মাৰি পেলায় killing of kangaroos বহুত মানুহক লাইচেঞ্চ দি থৈছে। ইয়াত বছৰি বছৰি balance কৰি থৈছে। মই নাজানো অসমত কাৰ জীয়াই থকাৰ অধিকাৰ বেছি। যদি বন্যপ্ৰাণীৰ আছে আমি সকলোৰে এৰি দিব লাগিব। যদি নাই আমি কিন্তু ইয়াক control কৰিব লাগিব। এটা হাতীক এদিনত ১ শ ৫০ কেজি বা ২ শ কেজি খাদ্য লাগে বন, কলগছ এনেকুৱা ধৰণৰ। । পানী খায় ১ শ বা ২ শ লিটাৰ আৰু হাতী এতিয়াও মৰঙী অঞ্চলত এখন গাওঁত হাতী সোমাই আছে। ফোন কৰে যদিও এতিয়া উলিয়াই পঠিয়াব পৰা নাই। সেই কাৰণে এই বিষয় বস্তু লৈ আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক মই কাৰঅনুৰোধ কৰিছো। যাতে এই সমস্যাটো সমাধান কৰে নহ'লে আমাৰ অসমৰ গাওঁবিলাক যিবিলাক নিজে খেতি কৰি খাইছিলে, নিজে শাক-পাচলিৰ খেতি কৰি খাইছিল বজাৰতো দিছিল।.ইমান ৰসাল মাটিবিলাক আমি এৰি দিবলগীয়া হৈছে। এটা সময়ত আহিব যে হয়তো ঘৰবিলাকো আমি এৰি দিব লাগিব আৰু বান্দৰৰ নিচিনাকৈ যদি হাতীবিলাকো আমিষভোজী হৈ যাতে তেতিয়াতো ৰক্ষাই নহ'ব। মাননীয় উপাধ্যক্ষ মহোদয়, আপোনাৰ যোগেদি মই সদনত দৃষ্টি আকৰ্ষণ কৰিছো আৰু স্বয়ং মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ডাঙৰ সমস্যাটোৰ প্ৰতি কাণসাৰ দিবৰ কাৰণে অনুৰোধ জনাইছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ** ঃ আপোনাৰ সমষ্টিত হাতীৰ উপদ্ৰপ বেছি নে বান্দৰৰ?

**শ্ৰী মৃনাল শইকীয়া, খুমটাই** ঃ দুয়োটাই।

**শ্ৰীপ্ৰদীপ হাজৰিকা, আমগুৰি** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, এই বিষয়টোত মই দুটামান কথা

ক'ব বিচাৰিলো।

**মাননীয় উপাধ্যক্ষ** ঃ আপুনি সেইটো নাপাব কব'লৈ।

**শ্ৰীপ্ৰদীপ হাজৰিকা, আমগুৰি** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই কিয় কৈছো যে, এই সন্মানীয় সদনত এই বিষয়টো মই এদিন আনিছিলো।

**মাননীয় উপাধ্যক্ষ** ঃ একলাইনত কওঁক কি আছে।

**শ্ৰীপ্ৰদীপ হাজৰিকা, আমগুৰি** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, এই বিষয়টো আনিছিলো, তেতিয়া সকলোৱে হাঁহি দিলে। মই এইটোৱেই ক'ব বিচাৰিছো, বান্দৰ ইমান expart হৈছে সেইটো মানুহে ভাবিব যে আৰ্মীক যেনেকৈ ট্ৰেইনিং দি পঠিয়াই, এই বান্দৰ বিলাক তেনেকুৱা ধৰণৰ। হলৌ বান্দৰটোৱে প্ৰথমতে গোটেই গাওঁখনত আহে। তাৰপাছত বহুত ডাঙৰ গছ এজোপাৰ ওপৰত উঠি থাকে। তাৰ পাছত গোটেই জুমটো এফাল পৰা গাওঁখনত সোমাই আহে। এতিয়া কোনো মানুহৰ ঘৰত ভাত থব নোৱাৰে, কোনো শাক-পাচলি থব নোৱাৰে, শাকনিবাৰীত কোনো শাক-পাচলি কৰিব নোৱৰে, ভঁড়ালত কোনো ধান থব নোৱাৰে তাৰমানে এটা এটা জাগাত একেবাৰে খালী হৈ আহি আছে। কোনেও শস্য কৰিব পৰা নাই আৰু ভিতৰত থকা মানুহ মহিলাইতো আগবাঢ়ি যাবই নোৱাৰে। যাৰ যাৰ ঘৰত কুকুৰ আছে এই দুটামান মলুৱা বান্দৰ কেইটাই কুকুৰকেইটা বাটত ধৰি মাৰি দিয়ে। তেতিয়া কুকুৰ কেইটা বাহিৰলৈ নোলায়। এতিয়া সেইটো বন্দুক দি মৰাৰ বাহিৰে অন্য কোনো ৰাষ্টা নাই। কিন্তু চৰকাৰে যদি ইয়াৰ কোনো ব্যৱস্থা নলয়, এইটো এটা সাংঘাটিক ৰূপত আহি আছে।

**মাননীয় উপাধ্যক্ষ** ঃ বিষয়টো বেলেগ এটা device ত এদিন আলোচনা কৰিব লাগিব।

**শ্ৰীপ্ৰদীপ হাজৰিকা, আমগুৰি** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, ইয়াৰ immediate solution এটা উলিওৱাৰ প্ৰয়োজন।

**মাননীয় উপাধ্যক্ষ** ঃ মন্ত্ৰী মহোদয়ৰ পৰা উত্তৰটো লৈ লওঁ। মাননীয় মন্ত্ৰী।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মাননীয় বন মন্ত্ৰী**ঃ মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, মাননীয় সদস্য শ্ৰীমৃনাল শইকীয়া ডাঙৰীয়াই যিটো বিষয় উত্থাপন কৰিছে, এইটো সময়ে সময়ে বিধান সভাৰ মজিয়াতো আলোচনা হৈছে শ্ৰী প্ৰদীপ হাজৰিকা ডাঙৰীয়াই কৈছে ইতিমধ্যে আৰু সেই কথাটো আমাৰ বন বিভাগৰ দৃষ্টি আকৰ্ষণ হৈছে। মানুহ আৰু বন্য প্ৰাণীৰ যিটো সংঘাত যে সংঘাতৰ প্ৰথম কাৰণটো হৈছে জনবিস্ফোৰণ। মাননীয় সদস্য মৃনাল শইকীয়া ডাঙৰীয়াই এটা কথা ঠিকেই কৈছে যে বহুতেই জংঘলৰ ভিতৰত বনাঞ্চলৰ ভিতৰত বহুতে বে-দখল কৰিছে আৰু বে-দখল কৰাৰ ফলত তেওঁলোকৰ যিখিনি বিচৰণভূমি, সেইখিনি নাইকিয়া হৈছে। ফলত তাহাতে বাহিৰলৈ ওলাই আহিব লগা হৈছে। দ্বিতীয় কথাটো হ'ল যে বনা প্ৰাণী বিচৰণৰ যিটো জাগা, সেই জাগাতো সংকুচিত হৈছে। তৃতীয় কথাটো হৈছে যে যিটো elephent corridor সেইটো conjusted হৈছে। Elehpent corridor টো আমাৰ activity চলি থকাৰ কাৰণ হাতী বিলাকৰ চলাচলত তাহাতি এটা ৰাষ্টাৰে অহাযোৱা কৰে। এটা নিৰ্দিষ্ট ৰাষ্টা থাকে। গতিকে এইটো ক্ষেত্ৰত অলপ অসুবিধা হৈছে। গতিকে এই গোটেই কথাখিনি আমাৰ যিখিনি হাতীয়ে খেতিপথাৰ নষ্ট কৰিছে, জংঘলৰ ভিতৰত একো খাব নাপাই ওলাই আহে। এই গোটেই কথাটো আমি বন বিভাগ বহুদিনৰ পৰা চিন্তা কৰি আছো। নগাওঁত এটা হাতীমিত্ৰ বুলি NGO আছে। তেওঁলোকে বন বিভাগৰ লগত কাম কৰিছে। কামটো হ'ল এনেকুৱা যে, কাৰ্বি পাহাৰৰ ঠিক কাষত এই অঞ্চলত বন বিভাগৰ মাটি আৰু কিছুমান খেতি মাটিও এই যি হাতী মিত্ৰ বুলি যিটো NGO তাতে তেওঁলোকে napier বুলি এটা

ঘাঁহ ৰুইছে খুব ভালকৈ আৰু তাতে ধান খেতিও কৰি দিছে। হাতীখিনি নামি আহি তাত নেপিয়েৰ ঘাঁহ আৰু ধান খায়। তাৰ ফলত তাত খেতি পথাৰো নষ্ট নহয় আৰু মানুহৰ ঘৰ দুৱাৰো নষ্ট নহয়। এতিয়া এই বিষয়টো প্ৰিলিমেনাৰী ৰিচাৰ্চ ষ্টেজত আছে । বন বিভাগৰ এই কথাখিনি লগত নগাওঁ লৈ যাওঁতে মই ৰিভিউ কৰিছো । গতিকে তাতে তেওঁলোকে যিটো হাতীমিত্ৰ কনচেপ্ট লৈছে সেইটো বেয়া নহয় । সেই হিচাপে আমি কৰিবলৈ লৈছো । উপাধ্যক্ষ ডাঙৰীয়া ২০১৭ চনৰ গণনামতে আজিৰ দিনটোত হাতীৰ সংখ্যা ৫৭১৯ টা । আমি যেতিয়া পঢ়ি আছিলো তেতিয়া হাতী চিকাৰ আছিল আৰু গোৱালপৰীয়া লোকগীতত এই হাতী চিকাৰৰ কথা লৈয়ে বহু গীত ৰছনা হৈছে । তাৰ পিছত এই হাতী চিকাৰ কৰাটো বন্ধ হৈ গ'ল । এতিয়া হাতীৰ সংখ্যা দিনে দিনে বাঢ়ি গৈ আছে । সেই হিচাপে হাতীয়ে বিচৰণ কৰা ঠাই ক'মি গৈছে , খাদ্য কমি গৈছে যাৰ ফলত হাতীৰ উপদ্ৰৱটো বেছি হৈছে । উপাধ্যক্ষ ডাঙৰীয়া , আমাৰ নলবাৰী জিলাত জংঘল নাই কিন্তু মই বন মন্ত্ৰী হোৱাৰ পিচত নলবাৰীতো এনে অৱস্থা হৈছে যে আঠটা হাতীৰ জাক আহি সদায়ে উপদ্ৰৱ চলাই আছে । মোক নলবাৰীৰ মানুহে কৈছে আপুনি বনমন্ত্ৰী হোৱা কাৰণে হাতী আহিছে নেকি ? তাৰ পিছত ঘৰচীয়া হাতী আনি এই বনৰীয়া হাতীবোৰ আমি খেদি দিওঁ কিন্তু দুদিনমান পিচত আকৌ আহে । উপাধ্যক্ষ ডাঙৰীয়া আজিৰ দিনটোত আমাৰ ফৰেষ্টৰ ৩৬২০ স্কোয়েৰ কি.মি এৰিয়াত এনকোৰ্ছ হৈ আছে । এই ৩৬২০ স্কোয়েৰ কিমি আমাৰ টোটেল বনাঞ্চলৰ ২০ পাৰ্চেন্ট এনকোৰ্ছ হ'ব । গতিকে এতিয়া আমি লামডিঙতো এনকোৰ্ছ এভিকশ্যন কৰিছো । বুঢ়াচাপৰী, ওৰাং, কৰিমগঞ্জ আদিতো কৰিছো । মই যোৱাকালি বুঢ়া চাপৰিৰ লাওঁখোৱালৈকে গৈছিলো । তাতো দেখিলো যে ফৰেষ্টৰ বহু অঞ্চল বেদখলত আছে । তাত ইতিমধ্যে বেদখল প্ৰায় ৭.২ স্কোয়েৰ কি.মি মুক্ত কৰা হৈছে । উপাধ্যক্ষ মহোদয়, আপুনি শুনি ভাল পাব যে লাওঁখোৱাত ১৯৮৩ চনত প্ৰায় ৫০-৬০ টাকৈ গড় আছিলে । এই অঞ্চলবিলাকত কিছু গড় মাৰিলে ।ˉ তাৰে বাকী গড়বোৰ এতিয়া কিছুমান কাজিৰঙা আৰু কিছুমান ওৰাঙলৈকে গুছি গৈছিল। এতিয়া যে আমি তাত যিটো উচ্ছেদ কৰিলো , এই উচ্ছেদ কৰাৰ পিছত তিনিটা গড় আহিছে , ৫ টা অহা বুলি কৈছে কিন্তু আমি ৩ টা গড় ট্ৰেছ কৰিলো। মই যোৱাকালি আছিলো তাতে । গতিকে এতিয়া তাতে নিজে নিজে গড়বিলাক আহিছে আমি আনিবলগীয়া হোৱা নাই । ইতিমধ্যে ১০ টা বাঘো আহিছে । উপাধ্যক্ষ মহোদয়, ইয়াৰ ফলত এইটোৱে প্ৰমাণ কৰিছে যে আমি যদি এই জন্তুবোৰৰ বিচৰণৰ ক্ষেত্ৰ ঠিক কৰি দিওঁ তেতিয়া হ'লে এই জীব-জন্তুবোৰ বাহিৰলৈ ওলাই আহি মানুহৰ অনিষ্ট নকৰে । গতিকে হাতী আৰু মানুহৰ সংঘাতৰ ক্ষেত্ৰত আমাৰ যিবিলাক এলিফেন্ট কৰিড'ৰ আছে তেনেকুৱা আমাৰ মুঠ ৯ টা এলিফেন্ট কৰিড'ৰ আছে সেইকেইটা হৈছে হালধিবাৰী , পানবাৰী , কাঞ্চনজুলি , হাতীদন্তি, দেওঁচুৰ , বাগৰি, হাৰমতী, চিৰাং আৰু আমগুৰি। আৰু ৫ টা উমৈহতীয়া কৰিডোৰ আছে , তাতে হাতীও আহে আৰু অন্যান্য জীৱ-জন্তুও আহে । তাৰ ওপৰিও আৰু ৭ টা সুকীয়া এলিফেন্ট কৰিড'ৰ আছে , সেইকেইটা হৈছে - বগাপানী, গোলাই পোৱাই, বুড়ীদিহিং , কালাপাহাৰ , দৈকংঙ, বৰনদী, আলিমদুৱাৰ , বৈঠাং , দুলুখোৱান্তি আৰু ডিব্ৰু চৈখোৱা গিৰি । ইয়াৰ ওপৰিও ৩৩ টা ৰেলৱে লাইনত হাতীয়ে ক্ৰচ্ছ কৰে আৰু যাৰ ফলত তাতে বহুতো হাতীৰ মৃত্যুও হৈছে । গতিকে এতিয়া আমি কিছুমান ইলেকট্ৰিক ৱাৰ দুৱাৰ লগোৱাৰ ব্যৱস্থা বা চেষ্টা কৰিছো যাতে হাতীখিনিয়ে মানুহৰ ঘৰলৈ আহিব নোৱাৰে । এই ক্ষেত্ৰত আমি ফৰেষ্ট বিভাগক এটা কথা কৈছো যে, আমাৰ যিটো হাতীৰ প্ৰিয় খাদ্য ঔটেঙাৰ গছ , প্ৰচুৰ পৰিমানে জংঘলবিলাকত ৰুব লাগে আৰু এই হিচাপে আমাৰ বৰ্তমানে প্ৰজেক্ট চলি আছে ।

কেম্পাৰ অধীনত এইবাৰ আমাৰ বহুখিনি প্লেনটেশ্যন কৰা হ'ব । গতিকে আমি যদি হাতীৰ খাদ্য ভিতৰতে ব্যৱস্থা কৰি দিওঁ তেতিয়াহ'লে হাতী বাহিৰলৈ নোলায় ।

**মাননীয় উপাধ্যক্ষ ঃ** অমৃত সৰোৱৰত হাতীয়ে গা ধুৱা আৰু খেলা দৃশ্যৰ ভিডিঅ' চোচিয়েল মিডিয়াত আমি দেখিছো । এনেবোৰ কনচেপ্ট আমি আৰু অধিক ল'লে ভাল হ'ব।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, বন ইত্যাদি ঃ** উপাধ্যক্ষ মহোদয়, অমৃত সৰোৱৰত হাতীয়ে আহি পানী খায় - গা ধুৱে আৰু খেলেও । এনেধৰণৰ সুবিধাখিনি আমাক আৰু অধিক লাগে । মই অলপতে নগাওঁলৈ গৈছিলো তাত দুখন ডাঙৰ বিল আছে । সেই বিল দুখনত ইমানেই মেটেকা আছে যে, আগতে বানপানী হোৱাৰ ফলত মেটেকাবিলাক ব্ৰহ্মপুত্ৰৰে ওলাই গৈছিল এতিয়া সেই মেটেকাবিলাক ওলাই যাব নোৱাৰে কাৰণ আমাৰ মন্ত্ৰী পিয়ুষ হাজৰিকা ডাঙৰীয়াই ভালকৈ মঠাউৰি বনাই দিছে । তাত মানুহে কৈছে যে এতিয়া তাত বানপানী নাই । এইটো ভাল কথা। এতিয়া এই মেটেকাবিলাক জমা হৈ হৈ এটা সময়ত বিলবিলাক নাইকীয়া হৈ যাব । হাতীৰ মহলটো এতিয়া ভাৰত চৰকাৰে এলাও কৰা নাই ।

মাননীয় উপাধ্যক্ষ ঃ এটা চিৰিয়াচ মেটাৰ । মাননীয় সদস্য এগৰাকীয়ে কৈছে যে বান্দৰবিলাক পাৰ' খাইছে। ইয়াৰ কিবা তথ্য আছে নেকি ?

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, বন ইত্যাদি ঃ** উপাধ্যক্ষ মহোদয়, এই পাৰ খোৱাৰ কথাটো মই কৈ আছে । আগৰ কথাখিনি কৈ লওঁ - সেই ঠাইবিলাকত অমৃত সৰোৱৰ কৰি দিয়াৰ লগে লগে তাত হাতীয়ে গা ধুব আহে খেলিব আহে লগতে অন্য জীৱ- জন্তুৰ কাৰণেও সুবিধা হৈছে । গতিকে মেটেকা ইমান বাঢ়িঞে এতিয়া লোহে লাহে বিলবিলাক নাইকীয়া হ'ব। ৰেটলেণ্ড নাইকীয়া হ'ব ক্ৰমান্বয়ে। আমাৰ মৃনাল শইকীয়া ডাঙৰীয়াই কৈছে যে, এতিয়া আৰু হাতী চিকাৰ কৰিব নোৱাৰি নেকি ? ভাৰত চৰকাৰৰ যিখন আইন সেই আইনত হাতী চিকাৰ এইবিলাক বেন কৰি থৈছে । সেই কাৰণে আগতে হাতী মানুহৰ সংঘাত হোৱা নাছিল । উপাধ্যক্ষ ডাঙৰীয়া বান্দৰৰ ক্ষেত্ৰত এতিয়া যিটো হৈছে, এইটো এটা ডাঙৰ সমস্যা হৈছে । মৃণাল শইকীয়া ডাঙৰীয়াই কৈছে যে, বান্দৰবিলাক এতিয়া ননভেজ হৈ গৈছে কিন্তু মোৰ হাতত এনে তথ্য নাই যে যিটো কৈছে বন্দৰ এতিয়া ননভেজ হ'ল। মই অলপ দিন আগতে চন্দ্ৰপুৰৰ ফালে ঠাই এখনত গৈছিলো তাৰ গাওঁৰ মানুহখিনিয়ে বান্দৰৰ কথা ক'লে তেতিয়া মই আমাৰ ডি এফ অ'ক ক'লো যে গাওঁৰ মানুহখিনিক যথেষ্ট অমিতা গছ ৰুবলৈ কওঁক । উপাধ্যক্ষ ডাঙৰীয়া তেওঁলোকে ইমান বেছি অমিতা গছ ৰুই দিলে যে বান্দৰে এতিয়া তেওঁলোকৰ ঘৰ চোতালত আৰু নোসোমায় আৰু উৎপাত নকৰে বুলি মোক কৈছে । মাননীয় উপাধ্যক্ষ মহোদয়, হিমাচল প্ৰদেশত ষ্টেৰিলাইজ কৰা সিদ্ধান্ত লৈছিল। কিন্তু তেওঁলোকে ইয়াত ইমান সফল হোৱা নাই। গতিকে আমিও এই বিষয়টো অধ্যয়ণ কৰি আছো। হিমাচল প্ৰদেশত যিধৰণে তেওঁলোকে আগবাঢ়িছিল সেই হিচাবে সফল হোৱা নাই আৰু এইটো কৰা সম্ভৱ ও নহয়। মাৰি পেলোৱাটো সহজ, কিন্তু মাৰিব কিয় লাগে? আমি যদি সেইবোৰক ভালকৈ নিজৰ স্থানত ৰাখিব পাৰো, মৰাৰ প্ৰশ্নই নাহে। আমাৰ এই বিষয়টো দৃষ্টিগোচৰ হৈছে আৰু সেই বিষয়টো চিন্তা কৰি চাম।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়া, বান্দৰে পাৰ চৰাই খোৱা বুলি যিটো গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰিছে, এই বিষয়ে এটা তদন্ত কৰিব।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, (মন্ত্ৰী, বন আৰু পৰিৱেশ ইত্যাদি বিভাগ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, বান্দৰ আমিষভোজী হোৱা মই এতিয়ালৈকে শুনা নাই আৰু বন বিভাগেও বান্দৰে পাৰ

খোৱা বা মাংস খোৱাৰ বিষয়ে পোৱা নাই। মই এই বিষয়ে এটা তদন্ত কৰিম।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য কমলাক্ষ্য দে পুৰকায়স্থ ডাঙৰীয়াই কওঁক।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উঃ কৰিমগঞ্জ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ৩১ ডিচেম্বৰ, ২০২৩ তাৰিখে "সাময়িক প্ৰসংগ" পত্ৰিকাত প্ৰকাশিত হৈছে যে 'মুখ্য আলফা সদস্য শ্ৰী পৰেশ বৰুৱা ডাঙৰীয়াই কৈছিল যে আলফা চৰকাৰৰ চুক্তিৰ কাৰণে তেখেত লজ্জিত '- বিষয়টো ৩০১ ত উত্থাপন কৰিবলৈ মোক সুযোগ দিয়াৰ বাবে আপোনাক ধন্যবাদ জনাইছো। আমাৰ অসমত সকলোৰে শান্তি প্ৰতিষ্ঠা হোৱাটো বিচাৰো। এখন কল্যাণকামী চৰকাৰৰ মুখ্য দায়িত্ব হৈছে, শান্তি আৰু ন্যায় প্ৰতিষ্ঠা কৰা। মই চুক্তিক লৈ চাৰি-পাঁচটা স্পষ্টীকৰণ বিচাৰিছো। মোৰ প্ৰথম কথাটো হৈছে- ২৯ ডিচেম্বৰ তাৰিখে দিল্লীত চুক্তিখন হৈছিল। মাননীয় কেন্দ্ৰীয় গৃহ মন্ত্ৰী ডাঙৰীয়া, মাননীয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া আৰু আলোচনাপন্থী আলফাৰ মাজত ত্ৰিপাক্ষিক আলোচনা হৈছিল আৰু চুক্তিখন হৈছিল। চুক্তিখন হৈছে ভাল কথা ইয়াত মোৰ একো ক'বলগীয়া নাই। শান্তি প্ৰতিষ্ঠিত হ'ব লাগে। চুক্তিখন হোৱাৰ পিচত আলফাৰ আলোচনাপন্থীসকলে ক'লে যে তেওঁলোকে যিমানখিনি বিচাৰিছিল, সিমানখিনি পোৱা নাই। আলাফা সেনাধ্যক্ষই ক'লে যে এই চুক্তিৰ বাবে তেওঁ লজ্জিত। সেয়েহে মই চৰকাৰলৈ এটা প্ৰশ্ন কৰিব বিচাৰিছো যে আজিৰ দিনত এইবোৰ কথা কোৱাৰ পিছত আমি চিৰশান্তি বা সুস্থ বাতাবৰণ পাম নে, নে চুক্তিখন হ'ব লাগে কাৰণে হৈছিল? মোৰ দ্বিতীয় প্ৰশ্নটো হৈছে- ১৯৯০, ১৯৯১ আৰু ১৯৯২ চনত তেতিয়াৰ প্ৰয়াত হিতেশ্বৰ শইকীয়াদেৰ মুখ্যমন্ত্ৰী আছিল। তেতিয়া বহু আলফা আহি ছালফা হৈছিল। এই কথাখিনি আমি প্ৰত্যেকেই জানো। অসমৰ প্ৰত্যেকজন লোকেই সেই সময়ত কেনেকুৱা পৰিৱেশ আছিল সেই ক'লা অধ্যায়ৰ বিষয়ে জানে। আলোচনা তেতিয়াৰ পৰাই চলি আছে আৰু তেতিয়াৰ প্ৰয়াত মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াদেৰে তেনেকুৱা এটা পৰিৱেশৰ সৃষ্টি কৰিছিল। এতিয়া আমি দেখিছো যে এইখন চৰকাৰে এটা আলোচনা কৰিলে আৰু এই আলোচনাটো কেৱল আলোচনাৰ বাবেই কৰিছে নে, প্ৰকৃতাৰ্থত ইয়াৰ পৰা ৰাইজ উপকৃত হ'ব। এই যি চুক্তি হৈছে, মই সেই চুক্তিখন চালো। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ক'লে যে এই চুক্তিৰ যোগেৰে অসমত ত্ৰিশ বছৰলৈ ৰাজনৈতিক পৰিৱেশ সুৰক্ষিত হৈ থাকিব। ডি-লিমিটেশ্যন হৈছে আৰু ডি-লিমিটেশ্যনৰ যোগেদি আমাৰ পৰিৱেশটো ঠিক হৈছে। এই কথাখিনি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে চুক্তি হোৱাৰ আগতেও কৈছিল আৰু চুক্তি হোৱাৰ পিছতো ক'লে যে অসমত ত্ৰিশ বছৰলৈ ৰাজনৈতিক পৰিৱেশ সুৰক্ষিত হৈ থাকিব। এতিয়া ষাঠি বছৰ হৈছে নেকি? মই এই বিষয়ে চৰকাৰৰ পৰা স্পষ্ট হ'ব বিচাৰিছো। তৃতীয়তে, মই ভি ডি অ' ত দেখিছো যে বহুখিনি যুৱক আলফালৈ গৈছে। আলফা প্ৰধানৰ বক্তব্য আমি দেখা পাওঁ। এই কথাখিনি স্পষ্ট হোৱা নাই আৰু বিধান সভাত এই কথাখিনি স্পষ্ট কৰিব লাগে। বিশেষকৈ অসমখন জাতি-জনগোষ্ঠীৰ দেশ আৰু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এই অসমক ভাৰতবৰ্ষৰ পাঁচখন শ্ৰেষ্ঠ ৰাজ্যৰ ভিতৰত এখন কৰাৰ লক্ষ্য আছিল। প্ৰত্যেকটো জাতি-জনগোষ্ঠীৰ যাতে উন্নতি সাধন হোৱাৰ বাবে চৰকাৰে চিন্তা-চৰ্চা কৰিব লাগিব। মই আলফাৰ সেনাধ্যক্ষ পৰেশ বৰুৱা ডাঙৰীয়াক মূল সুঁতিলৈ ঘূৰি আহি সুস্থ শান্তিৰ অসম এখন গঢ়ি তুলিবলৈ এই বিধান সভাৰ মজিয়াৰ পৰা আহ্বান জনাইছো। এই চুক্তিখন হোৱাৰ পিছত বহু মানুহে বহু কথা কৈ আছে। এই যি কথাৰ খেলি-মেলি হৈছে, এই কথাখিনি বিধান সভাত স্পষ্ট কৰিবৰ কাৰণে চৰকাৰক অনুৰোধ জনাইছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মাননীয় গৃহ মন্ত্ৰী ডাঙৰীয়াৰ হৈ মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী পিয়ূষ হাজৰিকা ডাঙৰীয়াই ক'ব।

**শ্ৰী পিযুষ হাজৰিকা, (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি বিভাগ) ঃ** মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, এই গোটেই কথাটো হৈছে তেখেতৰ Perception । তেখেতে যদিও অতি গুৰুত্বপূৰ্ণ বিষয় উপস্থাপন কৰিছে, তেখেতৰ Perception টো মই খুব ক্লিয়াৰ হোৱা বুলি মই ভৰা নাই। তেখেতে হয়তো গোটেই বিষয়টো ভালদৰে বুজি উঠা নাই বা বুজিবলৈ চেষ্টা কৰা নাই। আলফা দুটা ভাগত বিভক্ত এটা সংগঠন। এটা হ'ল আলোচনা পন্থী আৰু আন এটা হ'ল আলোচনা বিৰোধী। আলোচনা বিৰোধী পন্থীটো পৰৱৰ্তী সময়ত আলফা স্বাধীন হ'ল আৰু আলোচনা পন্থীটোৱে আলোচনা কৰিবলৈ ঘূৰি আহিল। যিটো গোটৰ নেতৃত্ব কৰিলে অৰবিন্দ ৰাজখোৱা ডাঙৰীয়া আৰু অনুপ চেতিয়া ডাঙৰীয়াই। আলফা স্বাধীনৰ মুখ্য সেনাধ্যক্ষ হৈ থাকিল পৰেশ বৰুৱা ডাঙৰীয়া। তেখেতৰ এই Perception টো স্পষ্ট নহ'ল যে কোনে বিৰোধিতা কৰিছে। অসম চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰে আলফাৰ কোনটো গোটৰ লগত চুক্তি কৰিলে আৰু কোনটো গোটে বিৰোধিতা কৰিলে এই বিষয়ে তেওঁ স্পষ্ট নহয়। এইটো স্বাভাৱিক কথা যে আলফা একেলগে এটা সংগঠন আছিল আৰু পৰৱৰ্তী সময়ত দুটা ভাগ হ'ল। এটা ভাগে আলোচনাৰ বাবে ওলাই আহিল আৰু এটা ভাগে ইয়াৰ বিৰোধিতা কৰিলে। এটা গ্ৰুপে আজিও স্বাধীন অসমৰ দাবীত তেওঁলোকৰ সংগ্ৰামেই হওঁক বা যিয়েই নহওঁক তাৰ বাবে তেওঁলোকে কাম কৰি গৈছে। যিটো গ্ৰুপে তেওঁলোকৰ পৰা ভাঙি আহিল, তেওঁলোকে অসম চৰকাৰৰ লগত চুক্তি কৰিলে। এই চুক্তিখন লৈ পৰেশ বৰুৱা ডাঙৰীয়াই লজ্জিত বুলি কৈছে। তেওঁলোকে এই চুক্তিখন নমনাৰ বাবে দুটা সংগঠন হ'ল। এটা গোটে এই চুক্তিখনক আদৰণি জনাইছে আৰু আনটো গোটে ইয়াৰ বিৰোধিতা কৰিছে। সন্মানীয় সদস্য গৰাকীয়ে পৰেশ বৰুৱা ডাঙৰীয়াক আলোচনাৰ বাবে ওলাই আহিবলৈ আহ্বান জনোৱাৰ বাবে ধন্যবাদ জনাইছো আৰু আমাৰ চৰকাৰৰ ফালৰ পৰা সকলো সময়তে আলোচনাৰ বাবে ওলাই আহিবৰ বাবে তেখেতক আহ্বান জনালো আৰু আজিও বিধান সভাৰ জৰিয়তে তেখেতক আহ্বান জনাইছো। তেখেত ঘূৰি অহাৰ পিছতহে অসমত শান্তিৰ প্ৰক্ৰিয়াটো আৰু বেছি শক্তিশালী হ'ব। শান্তিৰ ক্ষেত্ৰত আমাৰ আৰু বেছি কৰিবলগীয়া আছে বুলি আমি সকলোৱে উপলব্ধি কৰো। মই আকৌ কৈছো যে এটা গোটে চুক্তি কৰিলে, চুক্তিৰ পৰা কি কি পাব ? মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ক'লে যে আমাৰ ডি-লিমিটেশ্যন হ'ব আৰু ত্ৰিশ বছৰৰ কাৰণে আমি আমাৰ জাতিটো সুৰক্ষিত কৰিব পাৰিম। তেখেতে কৈছে যে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই কথাটো আগতেও কৈছিল। মই গোটেইখিনি কথা কম। কিন্তু মই এই কথাটোলৈ প্ৰথমে আহিলো। ইয়াত কোৱা হৈছে যে যদি পৰৱৰ্তী ডি-লিমিটেশ্যন হয়। অসমৰ সকলো ব্যক্তিয়ে স্বীকাৰ কৰে যে সৌ-সিদিনাখন ভাৰতৰ ডি-লিমিটেশ্যন আয়োগে যিখন ডি-লিমিটেশ্যন কৰিলে তাৰ পৰা অসমীয়া আৰু ভাৰতীয় সকল বহু বছৰলৈ অসমত সুৰক্ষিত হ'ব। কিন্তু যিহেতু ডি-লিমিটেশ্যন প্ৰক্ৰিয়াটো আকৌ অহা পাঁচ বছৰ বা সাত বছৰ পিছত পুনৰ হোৱাৰ সম্ভাৱনা আছে, সেইকাৰণে আলোচনা পন্থী আলফা সকলে কেন্দ্ৰীয় চৰকাৰক চুক্তি কৰিলে যে এই যি হৈ যোৱা ডি-লিমিটেশ্যন প্ৰক্ৰিয়া সেই একে নিয়মেৰে যাতে অসমত ডি-লিমিটেশ্যন হয়। তাৰ কাৰণে আকৌ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে যে আকৌ যদি একেই ডি-লিমিটেশ্যন প্ৰক্ৰিয়া হয়, যিটো কেইদিনমান আগতে কেন্দ্ৰীয় চৰকাৰে কৰিছে, তেতিয়া হয়তো ভাৰতীয় অসমীয়াই অসমত সুৰক্ষিত হ'ব। সেইটো তেওঁলোকেও ক'লে আৰু আমিও ক'লো। পুনৰ কিয় ক'বলগীয়া হ'ল সেই বিষয়ে আমি সন্মানীয় সদস্য গৰাকীক clarification দিলো। উপাধ্যক্ষ ডাঙৰীয়া, মই আকৌ কৈছো যে আমি এই বাতৰিটো খণ্ডন কৰিছো। কাৰণ দুটা গ্ৰুপৰ এটা গ্ৰুপে গৈ আলোচনা কৰিলে, আনটোৱে নকৰিলে, সেইকাৰণে

তেওঁলোকহে লজ্জিত। তেওঁলোক লজ্জিত হোৱাৰ স্বাভাৱিক কাৰণ আছে। গতিকে, এই চুক্তিখনক লৈ চৰকাৰ লজ্জিত হোৱা কথাটো আমি অস্বীকাৰ কৰিছো, খণ্ডন কৰিছো। আইন অনুসৰি দেশৰ অখণ্ডতা ৰক্ষাৰ বাবে কেইবাবাৰো আলোচনাৰ অন্তত আলফাৰ প্ৰতিনিধিৰ সৈতে বুজা-বুজি চুক্তি স্বাক্ষৰিত হৈছিল আৰু সেই মৰ্মে আলফাৰ সদস্যসকলে হিংসাৰ পথ পৰিহাৰ কৰি শান্তিপূৰ্ণ গণতান্ত্ৰিক ব্যৱস্থাত যোগদান কৰিবলৈ সন্মত হৈছে। দশক দশক ধৰি চলি অহা ৭০ টা ৰক্তপাতৰ উগ্ৰ পন্থাৰ অন্ত পেলাই ভাৰত চৰকাৰ, অসম চৰকাৰ আৰু আলফাৰ মাজত ২০২৩ চনৰ ২৯ ডিচেম্বৰত ঐতিহাসিক বুজাবুজিৰে ত্ৰিপাক্ষিক চুক্তি, Memorandum of Settlement (MoS) স্বাক্ষৰিত হয়। এই চুক্তিৰ লক্ষ্য ৰাজনৈতিক, সামাজিক সুৰক্ষা আৰু খিলঞ্জীয়া জনগোষ্ঠীৰ অৰ্থনৈতিক স্বাৰ্থ, তেওঁলোকৰ সাংস্কৃতিক ঐতিহ্য সংৰক্ষণ আৰু শান্তিৰ পুনৰুদ্ধাৰ আৰু ৰাজ্যৰ দ্ৰুত অৰ্থনৈতিক উন্নয়ন অনুষ্ঠিত কৰা। এই MoSৰ যোগেৰে কেন্দ্ৰীয় চৰকাৰ আৰু অসম চৰকাৰে আলফাৰ লগত চুক্তি কৰিছো। MoS ত উল্লেখ কৰা উন্নয়ন পেকেজ হৈছে- পৰিকল্পিত উন্নয়ন (Planned Development) আৰু বিশেষ উন্নয়ন পেকেজ (Special Development Package) সামৰি লোৱা সুপৰিকল্পিত ব্যৱস্থা। এই পৰিকল্পিত উন্নয়নত কেন্দ্ৰীয় চৰকাৰৰ অধীনত ৬৮ টা আৰু অসম চৰকাৰৰ অধীনত ১৯ টা প্ৰকল্প, মুঠ ৮৭ টা প্ৰকল্প সামৰি লোৱা হৈছে। আলফাৰ লগত সদ্য ভংগ হোৱা যিটো গোটৰ লগত চুক্তি কৰা হৈছে তেওঁলোকে বিভিন্ন উন্নয়নমূলক পেকেজ আৰু বিশেষ পেকেজৰ ৮৭ টা প্ৰকল্পৰ বাবে তেওঁলোকে ভাৰত চৰকাৰ আৰু অসম চৰকাৰৰ লগত মত প্ৰকাশ কৰিছে। এই পেকেজসমূহৰ যোগেৰে মুঠ ৫ হাজাৰ কোটি টকাৰ বিশেষ উন্নয়ন পেকেজ ৫ বছৰৰ ভিতৰত প্ৰদান কৰা হ'ব। যাৰ ভিতৰত ৩ হাজাৰ কোটি টকা ভাৰত চৰকাৰে দিব আৰু ২ হাজাৰ কোটি টকা অসম চৰকাৰে ৰাজ্যৰ বিভিন্ন উন্নয়নমূলক কামৰ বাবে প্ৰদান কৰিব। ইয়াৰোপৰি, বিশেষ উন্নয়ন পেকেজৰ অধীনত পৰিকল্পনাসমূহ ৰূপায়ণৰ বাবে বিবেচনা কৰিব পৰা তালিকাখন চুক্তিৰ তিনিওটা গোটে - কেন্দ্ৰীয় চৰকাৰ, অসম চৰকাৰ আৰু আলফাৰ প্ৰতিনিধিয়ে পাৰস্পৰিকভাৱে সিদ্ধান্ত ল'ব। বিশেষ উন্নয়ন পেকেজৰ অধীনত কিছুমান গুৰুত্বপূৰ্ণ প্ৰকল্প লোৱা হৈছে। এই প্ৰকল্পসমূহ হৈছে- গুৱাহাটীত এখন ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠান (IIM) স্থাপন কৰা। এই চুক্তিৰ যোগেৰে এখন School of Planning and Architecture ও প্ৰতিষ্ঠা কৰা হ'ব। চৰাইদেউ জিলাত এখন বিশ্ববিদ্যালয় স্থাপন কৰা, ভাৰত আৰু ভূটান সীমান্তৰ দৰঙামেলা অঞ্চলক 'বিশেষ অৰ্থনৈতিক অঞ্চল' ( Special Economic Zone) হিচাপে গঢ়ি তোলা, নলবাৰীত ভলীবলৰ উৎকৃষ্টতাৰ কেন্দ্ৰ থকা বহুমুখী ক্ৰীড়া প্ৰকল্প (complex) স্থাপন কৰা, বৰাক উপত্যকাত বাঁহ ভিত্তিক উদ্যোগ স্থাপন কৰা। এইকেইটা হৈছে special mention। যদিও যথেষ্টখিনি আছে ....interruptions....

**মাননীয় উপাধ্যক্ষঃ** চমুৱাই ক'ব। সময় কম আছে।

**শ্ৰী পীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা, ইত্যাদি)ঃ** মই দুই মিনিটত কৈ শেষ কৰিছো। যিকেইটা গুৰুত্বপূৰ্ণ সেইকেইটা অংশতহে গৈছো। তদুপৰি, আন বহু কেইটা দিশ আমি এই চুক্তিখনত দেখা পাওঁ। প্ৰাৰম্ভিক ভাৱে কোৱা হৈছে ভাৰতীয় নাগৰিক এজন যি সমষ্টিৰ নাগৰিক হয়, সেই নাগৰিকজন এটা সমষ্টিৰ পৰা আন সমষ্টিলৈ গৈ immediate তেওঁ ভোটাধিকাৰ লাভ কৰিব নোৱাৰিব। তেওঁ মাটি কিনিব লাগিব, ঘৰ বনাব লাগিব, তেতিয়াহে তেওঁৰ ভোটাধিকাৰ shift হ'ব। আমাৰ কিছু নীতি-নিয়ম আহিবলৈ আছে। গতিকে এনেবোৰ সিদ্ধান্ত লোৱা হৈছে। উপাধ্যক্ষ মহোদয়, ভাৰত চৰকাৰে, নিৰ্বাচন আয়োগত ভৱিষ্যতে হ'বলগীয়া সমষ্টিৰ পুনৰ নিৰ্ধাৰণ

প্ৰক্ৰিয়া, ২০২৩ চনত যি নীতি-নিয়মৰ মাজেৰে সমষ্টি নিৰ্ধাৰণ কৰা হৈছিল, সেই নীতি নিৰ্ধাৰণ প্ৰক্ৰিয়া যাতে বাহাল ৰাখে তাৰ বাবে ভাৰতীয় নিৰ্বাচন আয়োগক recommend কৰা হ'ল। এই ক্ষেত্ৰত ভাৰত চৰকাৰৰ লগত আলফা আৰু অসম চৰকাৰে চুক্তিত স্বাক্ষৰিত হৈছে। অসম চৰকাৰে পঞ্চায়তৰ নগৰ নিকায় সমূহত OBC আৰু MOBCৰ বাবে ৰাজনৈতিক সংৰক্ষণৰ ব্যৱস্থা কৰা আৰু বিভিন্ন বিষয় চালি জাৰি চাই প্ৰস্তাৱ দাখিলৰ বাবে এখন কমিটি গঠন কৰাৰ বাবে সন্মতি প্ৰদান কৰা হৈছে। গতিকে, এই চুক্তিখনক আমি একেবাৰে উলাই কৰিব পৰা চুক্তি নহয়। মই আকৌ কৈছো এটা পক্ষই এই চুক্তিখনক মানি লোৱা নাই, কিন্তু এটা পক্ষই মানি লৈছে। তেওঁলোকৰো যথেষ্ট ত্যাগ আছে, তেওঁলোকেও এই চুক্তিখনৰ বাবে যথেষ্ট কষ্ট কৰিছে আৰু ৫ হাজাৰ কোটি টকাৰ অৰ্থনৈতিক পেকেজ বা Economic Development Package, অসমৰ খিলঞ্জীয়া আৰু ভাৰতীয়ৰ সুৰক্ষাৰ বাবে ব্যৱস্থা লোৱা, OBC/MOBC সকলৰ বাবে চাকৰি তথা ৰাজনৈতিক সংৰক্ষণৰ বাবে এই চুক্তিখনৰ জৰিয়তে যি ব্যৱস্থা লোৱা হৈছে এই ব্যৱস্থাখিনি একেবাৰে উলাই কৰিব পৰা নহয়। তথাপিও কওঁ, পৰেশ বৰুৱা ডাঙৰীয়াৰ যোগেৰে অসমলৈ আৰু ভাল বতৰা আহক। প্ৰত্যেকজন অসমীয়াৰ দৰে মই তথা চৰকাৰেও ইয়াকে কামনা কৰিম। গতিকে, এই চুক্তিখনৰ বাবে লজ্জিত হোৱাৰ কথা নাই। এই চুক্তিখন যিয়ে কৰিছে, যাৰ বাবে কৰিবলগীয়া হৈছে, তেওঁলোকক আমি ধন্যবাদ জ্ঞাপন কৰিছো। যিসকলে এতিয়াও এই চুক্তিৰ বিৰোধিতা কৰি সংগ্ৰামত, বা তেওঁলোকৰ ভাষাত, যি ব্যৱস্থাত আছে, তেওঁলোক আহক আৰু চুক্তি হওঁক। অসমৰ ভাল হওঁক তাৰ বাবে আমি সকলোৱে কামনা কৰিলো।

**মাননীয় উপাধ্যক্ষঃ** ধন্যবাদ। মাননীয় বিধায়ক আশ্ৰাফুল হুছেইন .........interruptions....

**মোঃ আমিনুল ইছলাম (মানকাচাৰ)ঃ** চাৰ, এটা কথা ....interruptions....

**মাননীয় উপাধ্যক্ষঃ** এটা কথাও নালাগে, আপুনিও লৈ আহিব, আমি device ত দিম....interruptions....

**মোঃ আমিনুল ইছলাম (মানকাচাৰ)ঃ** চাৰ,দুটা বাক্য ক'ম ...interruptions....

**মাননীয় উপাধ্যক্ষঃ** নালাগে, সময় কম আছে, ১২ টাত শেষ কৰি মিটিঙলৈ যাব লাগিব। এতিয়া আশ্ৰাফুল হুছেইন।

**শ্ৰী আশ্ৰাফুল হুছেইন, (চেঙা)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, Rules of Procedure & Conduct of Business in Assam Legislative Assembly ৰ নিয়ম নং-৩০১ অনুযায়ী যি বিষয় আমি উত্থাপন কৰিছো সেইয়া হ'ল-'চেঙা সমষ্টিত সাংস্কৃতিক প্ৰকল্পৰ ভূমিদান দিয়াৰ পিছতো বঞ্চিত হ'ল পুঁজি লাভৰ পৰা।' চেঙা সমষ্টিৰ প্ৰাণকেন্দ্ৰ স্বৰূপ হৰিপুৰ গাঁৱত এখন জ্যোতি-বিষ্ণু সাংস্কৃতিক প্ৰকল্প নিৰ্মাণৰ বাবে প্ৰায় আধা বিঘা ৰাজহুৱা ভূমি সাংস্কৃতিক পৰিক্ৰমা বিভাগত আপত্তিহীনতাৰ প্ৰমাণ পত্ৰ দিয়াৰ পিছতো এতিয়ালৈকে নিৰ্মাণ হোৱা নাই এই প্ৰকল্প। এই ক্ষেত্ৰত বিভাগে কেইবাবাৰো বিভিন্ন চিঠিৰ আদান প্ৰদান কৰিছে যদিও ৰাইজে অধিক আগ্ৰহেৰে এনে এখন বহুমুখী সাংস্কৃতিক প্ৰকল্পৰ প্ৰয়োজনীয়তা অনুভৱ কৰিছে। মহোদয়, অলপ পুৰণি ঘাঁ আৰু নোপোৱাৰ বেদনা আৰু একেটা সময়তে অপ্ৰাপ্তিৰ গ্লানি আজিৰ এই বিষয়টোত আনিছো। যদিহে যোৱা বিধান সভাৰ অধিবেশনত মাননীয় মন্ত্ৰী ডাঙৰীয়াই তৰাচিহ্নিত ৬৫ নং প্ৰশ্নত গোটেইখিনি ভুল উত্তৰ নিদিলেহেঁতেন, তেন্তে আজি এই বিষয়টো নানিলোহেঁতেন। এই বিষয়টোত মই সদনত বাৰম্বাৰ প্ৰতিবাদ কৰাৰ পিছতো মন্ত্ৰী মহোদয়ে অতি দম্ভ সহকাৰে মোক অপমানসূচক কথা ইয়াত কৈছে। আনকি তেওঁ মোক কৈছে যে আপুনি ফেইল। আচলতে মন্ত্ৰী মহোদয় যে

ফেইল, সেই কথাটো আজি আমি ইয়াত প্ৰমাণ কৰিব বিচাৰিছো। তেওঁ কৈছে যে আপুনি বিধায়ক হিচাপে চেঙা সমষ্টিত কাম কৰিবৰ কাৰণে ফেইল হৈছে। তেওঁ যোৱা ২৭ জুলাই তাৰিখে এই বিধান সভাত এনেদৰে কৈছিল। মই তেওঁক আমাৰ বিধান সভাৰ সন্মানীয় সদস্য ড° ৰফিকুল ইছলামৰ হৈ প্ৰশ্ন কৰিছিলো যে চেঙা সমষ্টিৰ সাংস্কৃতিক প্ৰকল্প পুঁজিৰ অভাৱত হৈ থকা নাই নেকি? তেখেতে কৈছে যে-আমাৰ ওচৰত পুঁজিৰ অভাৱ নাই, আপুনি মাটি দিয়া নাই কাৰণে তাত সাংস্কৃতিক প্ৰকল্প নিৰ্মাণ হোৱা নাই। আৰে ভাই, ইমান ভুল উত্তৰ আপুনি সদনত দিব! বাৰম্বাৰ সেই কথাটো ক'লো যে আপুনি দিয়া উত্তৰৰ Annexure ত মাটি দিয়া সম্পৰ্কত DC ৰ পত্ৰৰ কথা দিয়া আছে। আপুনি সেইটো নাচাই মোক ভুল বুলি ক'ব পাৰে? এই বিধান সভাৰ গৰিমা বিনষ্ট কৰিছে উপাধ্যক্ষ মহোদয়। আজি আমি আপোনাৰ পৰা উচিত বিচাৰ বিচাৰো । এই বিষয়টো বিশেষ অধিকাৰ ভংগই নহয় কেৱল, এই সদনত এনেকুৱা ভুল কৰাৰ বাবে একাধিক মন্ত্ৰীয়ে নিজৰ মন্ত্ৰীত্ব পৰ্যন্ত ত্যাগ কৰিছে। তেনেকুৱা সৎ সাহস মন্ত্ৰীৰ হ'ব নে নাই? বহুত অফিচাৰ ইয়াত লৈ আহে আৰু তেওঁলোকে মহোদয় একসোপা অফিচাৰ ইয়াতে লৈ আহে।

**মাননীয় উপাধ্যক্ষ ঃ** আপোনাৰ topic টো আছিল মাটি দিয়াৰ পাছতো পুঁজি পোৱা নাই।

**শ্ৰী আশ্ৰাফুল হুছেইন, (চেঙা) ঃ** মহোদয়, তেখেতে সদনক ভুল পথে পৰিচালিত কৰিছে তাৰবাবে মই আপোনাৰ পৰা উপযুক্ত বিচাৰ বিপচাৰিছো। কাৰ্য্যপৰিচালনা বিধি অনুযায়ী 29(a) মতে তেখেতে ১৫ দিন সময় পাইছিল নিজৰ speech correction ৰ কাৰণে। কিন্তু যোৱাকালিলৈকে নিজৰ speech correction কৰা নাই। ১৩৪(১) অনুযায়ী তেখেতে নিজৰ মন্ত্ৰীভাৰ ত্যাগ কৰক আৰু একেটা সময়তে যদি তেখেতে নকৰে 158(a)(iii) অনুযায়ী আপুনি এটা সমিতি গঠন কৰি দিয়ক আৰু এই question of priviledge যে হৈছে এই বিষয়ে সমিতিয়ে কোনো ধৰণৰ অভিযোগ নোহোৱাকৈ মন্ত্ৰীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহন কৰিব পাৰিব। মহোদয়, এইখন সদন এটা মজাক নহয়। ইয়াত আমি গুৰুত্বপূৰ্ণ প্ৰশ্ন কৰো। মাত্ৰ ৫২-৫৪ লাখ টকাৰে চেঙা সমষ্টিক ধনী কৰি নিদিয়ে।প্ৰয়োজন হ'লে নিদিব কিন্তু ইয়াত আপুনি সদনক ভুল পথে পৰিচালিত কৰিছে। আপোনাৰ অফিচাৰ আনি ইয়াত বহাই ৰাখিছে কিন্তু তেখেতসকলে আপোনাক সঠিককৈ তথ্য দিব পৰা নাই। বাৰম্বাৰ মই ইয়াত চিঞৰি থকাৰ পাছতো মোক ওলোটাই আপুনি ইয়াত জবাবদিহি কৰিছে। এতিয়া মোৰ কথা হ'ল যে মই আপোনাৰ পৰা ন্যায় বিচাৰিছো। মন্ত্ৰী মহোদয়ে সদনক বিপথে পৰিচালিত কৰাৰ এয়াই প্ৰথম নজিৰ নহয় আৰু অন্যান্য ক্ষেত্ৰতো আছে। মাননীয় মন্ত্ৰী বিমল বৰা ডাঙৰীয়াৰ পৰা মই চেঙা সমষ্টিত বিশেষ একো নাপাওঁ। তেখেতে ক্ৰীড়া মন্ত্ৰী থকাৰ সময়তো বহুতো অনুৰোধ কৰাৰ পাছতো আমি খেলৰ আন্তঃগাথনি পোৱা নাই। মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ অধ্যক্ষ মহোদয় মোৰ সমষ্টিত গৈছে। আমাৰ তাত ক্ৰীড়া আন্তঃগাথনি নথকাৰ পাছতো এখন গাৱঁৰ পৰা ১৬৬ জন লৰা ডিফেঞ্চত চাকৰি কৰে।

এখন সাংস্কৃতিক প্ৰকল্প এইখন চৰকাৰৰ পৰা নহ'লেও চলিব। আমি ৰাইজৰ ঘৰৰ পৰা দান সংগ্ৰহ কৰি হ'লেও সাংস্কৃতিক প্ৰকল্প নিৰ্মাণ কৰিব পাৰিম। কিন্তু সদনক বিপথে পৰিচালিত কৰাৰ যি অভিযোগ আজি আমি ইয়াত উত্থাপন কৰিছো তাৰ সুবিচাৰ আমি আপোনাৰ পৰা বিচাৰো। মন্ত্ৰী ডাঙৰীয়াৰ উত্তৰত আমি সন্তুষ্ট নহয়। এই সাংস্কৃতিক প্ৰকল্পৰ কাৰণে মই পাঁচ দিন Directorate of Culture Affairs ত গৈছো। তেওঁলোকে কৈছে ডিজাইন PWD (B) ত আছে। তেতিয়া মোৰ কিডনীৰ অপাৰেচন হৈ আছিল। মই নিজেই তিনি তলা বিল্ডিঙত গৈ architech ৰ লগত তিনিবাৰ বহিছো। ডিজাইটো prepare কৰা হ'ল, ডিজাইটো pre-

pare কৰাৰ পাছত ফাইলটো Finance ত গ'ল। তাত ১০ দিন এটা বস্তুৰ পাছত ঘুৰি ঘুৰি শেষত যেতিয়া ক'ব যে পুঁজিৰ কাৰণে হোৱা নাই আৰু মন্ত্ৰীয়ে ক'ব মাটিৰ কাৰণে হোৱা নাই। আমাক ধেমালী পাইছে নেকি?

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। সন্মানীয় মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী বিমল বৰা, (মন্ত্ৰী)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, অসম বিধান সভাৰ বিভাগীয় স্থায়ী সমিতিয়ে ২০২২-২৩ বৰ্ষত সন্মানীয় বিধায়ক গৰাকীয়ে যি প্ৰশ্ন উত্থাপন কৰিছে বৰপেটা জিলাৰ ভবানীপুৰ আৰু চেঙাত জ্যোতি-বিষ্ণু সাংস্কৃতিক প্ৰকল্প নিৰ্মাণৰ উপদেশ প্ৰদান কৰিছিল আৰু সেই সময়ত পুঁজিৰ অভাৱৰ বাবে সেইটো ল'ব পৰা নাছিল। অন্যহাতে, জ্যোতি-বিষ্ণু সাংস্কৃতিক প্ৰকল্প নিৰ্মাণৰ বাবে প্ৰস্তাৱিত ভূমি বৰপেটা জিলাৰ উপায়ুক্ত মহোদয়ে সমষ্টিৰ মাননীয় বিধায়কৰ লগত আলোচনা কৰি চেঙা মৌজাৰ অন্তৰ্গত হৰিপুৰ গাৱঁৰ দাগ নং-৯৬, পট্টা নং-৬৩ চিনাক্তকৰণ কৰিছে আৰু মাটিখিনিৰ লগত জড়িত সকলো জবানবন্দি, নথি-পত্ৰ, tracemate, আপত্তিবিহীন প্ৰমান পত্ৰ আদি ২৯-০৯-২০২২ সাংস্কৃতিক সঞ্চালকালয়ত জমা দিছিল আৰু উক্ত প্ৰকল্পটো নিৰ্মাণৰ হেতু ২০২৩-২৪ বৰ্ষত ১,২৫,৭৯,২৬০ টকাৰ প্ৰাক্কলন, estimate ৰ ভিত্তিত ২৯-১১-২০২৩ তাৰিখে বিভাগীয় যি বিত্তীয় সমিতি DAC সভাত গৃহীত হৈছে আৰু সেই মৰ্মে Director, Cultural য়ে ২২-১২-২০২৩ তাৰিখে Administrative approval ৰ কাৰণে বিভাগীয় অনুমোদনৰ কাৰণে প্ৰেৰণ কৰিছে আৰু এতিয়া বিবেচনাধীন হৈ আছে। গতিকে প্ৰশাসনিক অনুমোদন ৰ পাছত নিবিদা আহ্বানেৰে আবন্টিত চেঙা ৰাজহ চক্ৰৰ হৰিপুৰ গাৱঁৰ ভূমিত প্ৰকল্প নিৰ্মাণৰ কাম আৰম্ভ কৰিব পৰা যাব।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় শিক্ষা মন্ত্ৰী ডাঙৰীয়া।

**ড° ৰণোজ পেগু, মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, যোৱা ০৮-০২-২০২৪ তাৰিখে মাননীয় বিধায়ক ৰফিকুল ইচলাম ডাঙৰীয়াই বালিকুৰি আঞ্চলিক হাইস্কুলৰ সম্পৰ্কে এটা প্ৰশ্ন উত্থাপন কৰিছিল। গতিকে সেই সম্পৰ্কে মই এটা স্পষ্টীকৰণ দিব বিচাৰিছো। এই গোটেই ঘটনাটো পৰীক্ষা কৰি চাই দেখা গ'ল যে ১১-০৭-২০২৩ তাৰিখত বালিকুৰি আঞ্চলিক হাইস্কুলৰ যিগৰাকী Managemenet Committee ৰ অধ্যক্ষ শ্ৰী মজিদুল ইছলামৰ বিৰুদ্ধে এটা অভিযোগ উত্থাপন হয় আৰু কোৱা হয় যে তেখেত ৰাষ্ট্ৰবিৰোধী কিছুমান কাম-কাজত লিপ্ত। ১১-০৭-২০২৩ তাৰিখৰ এই অভিযোগৰ পাছত ২৭-০৭-২০২৩ তাৰিখে Prisident গৰাকীয়ে অধ্যক্ষক হেডমাষ্টৰৰ বিৰুদ্ধে Mid-Day-Meal ৰ পুঁজিৰ অপব্যৱহাৰ কৰাৰ অভিযোগ উত্থাপন কৰি এখন কাগজ দিয়ে। ইয়াৰ পাছত ৩১ তাৰিখে SMDC ৰ সদস্য সকলে আৰু এক অভিযোগ দিয়ে আৰু লিখিতভাৱে জনায় যে বালিকুৰি আঞ্চলিক হাইস্কুলৰ প্ৰধান শিক্ষক গৰাকীয়ে Mid-Day-Meal ৰ পুঁজিৰ কোনো ধৰণৰ অপব্যৱহাৰ কৰা নাই। ইয়াৰ পৰিপ্ৰেক্ষিতত শিক্ষা বিভাগে Deputy Director ক ১১-০৯-২০২৩ তাৰিখে গোটেই বিষয়টো তদন্ত কৰিবলৈ দিয়ে আৰু তেখেতে তদন্ত কৰি ০৬-১০-২০২৩ ত শুনানি গ্ৰহন কৰে। শুনানিৰ পাছত ৩০-১১-২০২৩ তাৰিখত এটা inquiry report দিয়ে আৰু ৰিপোৰ্টত এই কথাটো উল্লেখ কৰে যে বিদ্যালয়খনত Mid-Day-Meal আৰু অন্যান্য চৰকাৰৰ পৰা আবন্টিত পুঁজিৰ অনিয়মিত খৰছ বা কিছু mis appropriation থকাটো সত্য। কিন্তু কি পৰিমাণে mis appropriation হৈছে তাৰকাৰণে অধিক তদন্তৰ প্ৰয়োজন। এই মুহূৰ্তত এটা Internal Committee কৰা হ'ল,ময়ুৰাক্ষী দত্ত, ACS, তেখেতৰ নেতৃত্বত। তেখেতসকলে বিষয়টো recommend কৰে যে এইটো Di-

rector Local Audit ৰ দ্বাৰা তদন্ত কৰাব লাগে। এতেকে শিক্ষা বিভাগে Director Local Audit ইতিমধ্যে গোটেই নথি-পত্ৰ হস্তান্তৰ কৰিছে আৰু তেওঁলোকক এটা audit কৰিবৰ কাৰণে অনুৰোধ কৰিছে। এই audit ৰ প্ৰক্ৰিয়াটো চলি থকাৰ মাজত এই গোটেই বিষয়টো গৈ পেলাই আদালতৰ মজিয়া পায় আৰু মহামান্য উচ্চ ন্যায়ালয়ে ইতিমধ্যে যোৱা ২২ তাৰিখে এটা আদেশ জাৰী কৰিছে। আদেশটোৰ যিটো প্ৰাসঙ্গিক পেৰা সেইটো মই পঢ়ি দিব বিচাৰিছো-Pending disposal of the represention noted above and the inquiry required to be done on a preliminary examination of the allegations leveled against the respondent no-6,the same are found to be prima facie correct.The Director of Secondary Education of Assam shall require the Inspector of Schools, Barpeta to take over the charge of the SMDC of the school and do all the required works to be done by the SMDC so as to ensure that the students of the school in question are not deprieved from their dues and are also not discriminated in the matter of distribution of Mid-Day-Meal.The aforesaid exercise be initiated and completed within a period of two months from the date of receipt of the representation from the petitioner along with a certified copy of this order.অৰ্থ্যাৎ যি প্ৰসঙ্গ উল্লেখ কৰা হৈছিল SMDC ৰ সভাপতিৰ গৰাকীৰ বিষয়ে, এতিয়া মহামান্য উচ্চ ন্যায়ালয়ে কৈছে যে এই SMDC ৰ সভাপতি গৰাকীক অপসাৰণ কৰিব লাগে আৰু SMDC দায়িত্বটো Inspector of Schools দিব লাগে। গতিকে এতিয়া বিভাগে আদালতৰ নিৰ্দেশ পালন কৰাৰ বাবে যাৱতীয় ব্যৱস্থা হাতত লৈছে।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া আমি সকলোৰে পুৰণা বিধান সভা ভৱনলৈ যাম।

**(বিধান সভাৰ সকলো সদস্যই বিধান সভাৰ পুৰণা ভৱনলৈ ৰাওণা হয় আৰু তাত All Party ৰ বৈঠকত মিলিত হয়)**

**(সদন ২ বজাত পুনৰ মিলিত হয়)**

**মাননীয় উপাধ্যক্ষ ঃ এতিয়া মাননীয়া বিত্ত মন্ত্ৰী মহোদয়াই ২০২৪-২৫ বিত্তীয় বৰ্ষটোৰ বাবে বাৰ্ষিক বিত্তীয় বিৰৰণী সদনত দাখিল কৰিবলৈ মই অনুৰোধ জনাইছো ।**

**শ্ৰীমতী অজন্তা নেওঁগ, মন্ত্ৰী , বিত্ত ইত্যাদি ঃ ( সদনত বিত্তীয় বাজেট বিৰৰণী পাঠ কৰে )**

**মাননীয় অধ্যক্ষ ঃ ধন্যবাদ।** এতিয়া সদন অহা ১৩ ফেব্ৰুৱাৰী, ২০২৪, মঙ্গলবাৰ ৰাতিপুৱা ৯ঃ৩০ বজালৈ স্থগিত ৰখা হ'ল।